REFERENCE
(NOT FOR ISSUE)
Reading Only Inside Library

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## NO. 2

**The 10th March, 1992**

Price—Rs. 31·80

REFERENCE
(NOT FOR ISSUE)

Reading Only Inside Library

# CONTENTS

## BUDGET SESSION

No.—2

Dated, the 10th March, 1992


| | | Page |
|---|---|---|
| 1. | Questions & Answers | 1 |
| 2. | Point of Order | 55 |
| 3. | Discussion During Zero Hour | 59 |
| 4. | Adjournment Motion | 67 |
| 5. | Calling Attention Notice | 80 |
| 6. | Matter Under Rule 301 | 82 |
| 7. | Presentation of the List of Supplementary Demands for Grants and Supplementary Appropriation for 1991-92 | 83 |
| 8. | Introduction of Government Bill | 84 |
| 9. | Debates on Governor's Address | 85 |
| 10. | Adjournment | 108 |
| 11. | Annexure I to XII | 109—170 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Tuesday, the 10th March, 1992

The House met at nine of the Clock in the Assembly Chamber, Dispur with Shri Jiba Kanta Gogoi, Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

( To which oral replies were given )

Mr. Speaker : Starred Question No 1.

**Re : Lapsed Amount of ST/SC Component Plan.**

Sri Kamal Brahma asked :

★1. Will the Minister of Education be pleased to state :

(a) What was the amount lapsed under Education Department under ST/SC Component Plan in the year 1989-90 ?

(b) Why this lapses occurred ?

(c) Who is responsible for that ?

Dr. Bhumidhar Barman ( Minister Education ) replied :

(a) Nil.

(b) Does not arise.

(c) Does not arise.

শ্ৰীকমল ব্ৰহ্ম : মাননীয় অধ্যক্ষ মহোদয়, মই জানিব পাৰিছো যে ১৯৯০ চনত এচ, চি,। এচ, টি আঁচনিৰ টকা লেপচ হৈছে।

ডাঃ ভূমিধৰ বৰ্মণ (শিক্ষা মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই বিভাগৰ পৰা এইটো উত্তৰ পাইছো। যদি মাননীয় সদস্য গৰাকীয়ে ভাবে যে তাত কিবা গন্দগোল আছে তেন্তে সেই বিষয়ে অনুসন্ধান কৰি চাব লাগিব।

শ্ৰীকমল ব্ৰহ্ম : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এন্কুৱাৰী কৰি উত্তৰটো সোনকালে দিলে ভাল হয়।

ডাঃ ভূমিধৰ বৰ্মণ (শিক্ষা মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো মই চাম।

Mr. Speaker : Now Starred Question No 2:

**বিষয় : ব্ৰহ্মপুত্ৰ নদী বান নিয়ন্ত্ৰন আয়োগ।**

শ্ৰীশশ কমল সন্দিকৈয়ে সুধিছে :

*২। মাননীয় বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে :

(ক) ব্ৰহ্মপুত্ৰ নদী বান নিয়ন্ত্ৰন আয়োগে অসমৰ কোন কেইখন জিলাত বান নিয়ন্ত্ৰনৰ কাম কৰে ?

(খ) লোহিত নদী অসমৰ ভিতৰেদি কিমান মাইল বৈ গৈছে আৰু এই নদীয়ে কৰা গড়া খহনীয়াৰ প্ৰতিৰোধৰ বাবে যোৱা ১০ বছৰত কেইটা আঁচনি লোৱা হৈছিল আৰু তাৰ মুঠ ব্যয় হোৱা টকাৰ পৰিমান কিমান ?

শ্ৰীহৰেন ভূমিজ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) প্ৰশ্ন নুঠে, যিহেতু বৰ্ত্তমান ব্ৰহ্মপুত্ৰ নদী বান নিয়ন্ত্ৰন আয়োগ নাই।

(খ) লোহিত নদী অসমৰ ভিতৰেদি প্ৰায় ২০ মাইল (৩২ কিলোমিটাৰ) জুৰি বৈ গৈছে। যোৱা ১০ বছৰৰ ভিতৰত লোহিত নদীত গড়া খহনীয়া প্ৰতিৰোধৰ কাৰণে এখন আঁচনি লোৱা গৈছে আৰু ইয়াৰ মুঠ ব্যয়ৰ পৰিমান ৩৩.৫৮ লাখ টকা।

শ্ৰীশশ কমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, শদিয়াৰ লোহিত, গড়গাওঁ সোণপুৰা, দিবাংমুখ আদি কৰি কেইবাখনো গাওঁ সম্পূৰ্ণ ৰূপে ব্ৰহ্মপুত্ৰৰ খহনীয়াত নিঃছিন্ন হৈ গৈছে। এই গাওঁ কেইখন ৰক্ষা কৰাৰ কাৰণে বৰ্ত্তমানৰ চৰকাৰে সিদ্ধান্ত

লৈ যি টকা খৰচ কৰিবলৈ ওলাইছে সেইয়া যথেষ্ট হৈছে বুলি ভাবেনে ? চৰকাৰে এই বান বিধ্বস্ত লোক সকলক ৰক্ষা কৰাৰ কাৰণে ব্যৱস্থা লব লাগে ।

শ্ৰীহৰেণ ভূমিজ (মন্ত্ৰী, বাননিয়ন্ত্ৰণ) : মাননীয় অধ্যক্ষ মহোদয়, শদিয়াৰ লোহিত নদীয়ে যি গড়াখহনীয়াৰ সৃষ্টি কৰিছে তাৰ প্ৰতিৰোধৰ কাৰণে চৰকাৰে আঁচনি লৈছে ।

The Lohit river has its entry into the State of Assam near Chunpura (Sadiya) and it meets river Dibang near Bhola ( Dibangmukh ) after traversing for a length of 32 Kms. in the State of Assam. After this confluence, it is renamed as river Brahmaputra.

One Anti-Erosion Scheme with the nomenclature. A/E measures at Chunpura Bazar area along right bank of river Lohit (construction of boulder revetment ) under Sadiya Civil Sub-Division with an estimated amount of Rs. 45, 42, 200·00 was taken up in the year 1988-89 to arrest the erosion at Chunpura Bazar area.

The salient features of the Estimate are as follows :

1. Continuous Boulder Revetment — 150 Metres.
2. Strip Revetment of with 22.50 metres at 15 metres interval. — 885 Metres.
3. Total strips — 24 Nos.
4. Thickness of Revetment — 0·45 Metres
5. Broken metal filter backing — 0·15 Metres
6. Apren length 12 Metres 2nd thickness — 0·90 Metres

The above mentioned scheme was completed in the year 1991 and the expenditure incurred upto the month of January 1992 is Rs. 33.58 lakhs. The outstanding liabilities to the contractors to the tune of Rs. 12,00,000.00 ( twelve lakhs) are yet to be cleared for want of fund.

Considering the erosion at the downstream of the above reach, another scheme with the nomenclature "Extension of A/E measures at Chunpura Bazar area along the right bank of river Lohit under Sadiya Civil Sub-Division (construction of boulder revetment) for an amount of Rs. 58.96 lakhs was placed in the 18th meeting of T.A.C held from 7 to 9 and 28 to 30th October, 1991 and the scheme was recommended and subsequently approved in 11th meeting of Assam State Brahmaputra Valley Flood Control Board held on 10.2.92.

The scheme may be implemented during 1992-93 from the State plan subject to availability of fund.

★ শ্ৰীশশ কমল সন্দিকৈ : মাননীয় অধক্ষ্য মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত কলে যে তাত আঁচনি লবহে। কিন্তু প্ৰতিৰোধৰ নামত ইতিমধ্যে তাত ৪৫.৪২ লাখ টকা খৰছ কৰা হৈছে। এই নদীয়ে প্ৰায় ২০ মাইল জুৰি খহনীয়াৰ সৃষ্টি কৰিছে। নদীয়ে খহনীয়াৰ সৃষ্টি কৰিছে আৰু অৰুণাচল প্ৰদেশে অসমৰ সীমা ঠেলি ঠেলি আহি আছে। মন্ত্ৰী মহোদয়ৰ উত্তৰৰ পৰা বুজা গৈছে যে আমাৰ চৰকাৰ এই ক্ষেত্ৰত মুঠেও চিৰিয়াচ নহয়। এতিয়া আঁচনি মতে তাত মাত্ৰ কেইকিলোমিটাৰ মানৰহে কাম কৰা হব। চৰকাৰে ত্বৰান্বিত সিদ্ধান্ত লোৱা নাই শদিয়াক ৰক্ষা কৰাৰ কাৰণে।

শ্ৰীহৰেণ ভূমিজ (মন্ত্ৰী, বাননিয়ন্ত্ৰণ) : মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰ বান নিয়ন্ত্ৰণ আৰু গড়া খহনীয়াৰ প্ৰতি সম্পূৰ্ণ সজাগ। অৰুণাচল প্ৰদেশৰ লগত আমাৰ চৰকাৰৰ যোগাযোগ আছে আৰু এই ক্ষেত্ৰত ষ্টেপ লোৱা হব।

★ শ্ৰীশশ কমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, ১৯৫০ চনতে শদিয়া ব্ৰহ্মপুত্ৰত ভ হি গৈছে। শদিয়া অঞ্চলত অনুন্নত সম্প্ৰদায় আৰু সংখ্যালঘু সম্প্ৰদায়ৰ দুখীয়া লোকসকল বাস কৰে কাৰণেই চৰকাৰে তেওঁলোকৰ ৰক্ষণাবেক্ষণৰ কাৰণে প্ৰয়োজনীয় কাম-কাজ নকৰে। শদিয়াক চৰকাৰে ত্বৰান্বিত ভাবে খহনীয়াৰ পৰা ৰক্ষা কৰাৰ ব্যৱস্থা নকৰিলে ই ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যাব। আনহাতে অৰুণাচল চৰকাৰৰ লগতো সীমা বিবাদ চলি আছে। চৰকাৰে শদিয়াক ৰক্ষা কৰিবৰ কাৰণে এখন মাষ্টাৰ প্লান তৈয়াৰ কৰিব নে?

★ Speech not correeted

★ শ্ৰীহৰেণ ভূমিজ (মন্ত্ৰী, বাননিয়ন্ত্ৰণ) : মাননীয় অধ্যক্ষ মহোদয়, সীমা বিবাদৰ বিষয়টো এই বিভাগৰ লগত জড়িত নহয়।

★ শ্ৰীশশ কমল সন্দিকৈ : অধ্যক্ষ মহোদয়, এই বিভাগৰ কাম কাজ ঠিক মতে নচলাৰ কাৰণে কাইলৈ যে সীমা বিবাদ প্ৰশ্ন আহি পৰিব সেইটো কথা মন্ত্ৰী মহোদয়ে জানে নে নাজানে ? যদি জানে এই বান নিয়ন্ত্ৰণ বিভাগৰ কৰ্ম-কাণ্ড বিলাক ঠিকমতে চলাবলৈ মাষ্টাৰ প্লানৰ ব্যৱস্থা কৰিব নেকি ?

★ শ্ৰীহৰেণ ভূমিজ ( মন্ত্ৰী, বাননিয়ন্ত্ৰণ ) : অধ্যক্ষ মহোদয়, এইটো চোৱা হব।

★ শ্ৰীদেৱহাগ্ৰা মুছাহাৰী : অধ্যক্ষ মহোদয়, অৰুণাচল সীমাৰ ওচৰতে আমাৰ ১৪৮ টা পৰিয়াল যিসকল জনজাতীয় পৰিয়াল আৰু আদিবাসী তেওঁলোক গৃহহীন হৈছে। মই নিজে গৈ সিদিনা চাই আহিছো বগৰীবাৰী আৰু মাজুলী গাওঁ দৰং জিলাৰ মাজবাট থানাৰ অন্তৰ্গত ভৈৰৱকুণ্ডৰ ওচৰতে সেই ঠাই মই চাই আহিছো। ধনশিৰী নদীয়ে এই অঞ্চলটো ১৯৮৯ চনৰ পৰা খহায় আছে। এই কথাটো মন্ত্ৰী মহোদয়ে জানেনে ?

Shri Haren Bhumij ( Minister ) : Mr. Speaker Sir, the Supplementary put up by Honourable Member does not relate to main question. I want a separate notice on separate question.

Mr. Speaker : Now started question No. 3.

**Re : Suspension of Senior Auditor.**

Shri Babu Rongpi asked :

*3. Will the Minister of Co-operation be pleased to State :

(a) Is it a fact that one Shri Bimalendu Das Choudhury, Senior Auditor, Co-operative Societies has been placed under suspension ?

(b) If so, where was his place of posting ?

(c) When he was suspended and who gave the suspension order ?

(d) The reasons for the suspension ?

Shri Nagen Neog ( Minister ) : replied

(a) Yes.

(b) Diphu.

(c) He was placed under suspension on 5. 3. 90 by the State Covernment.

(d) For gross negligence of duties, misconduct and indiscipline.

Shri Holiram Terang : Will the Minister in-charge of Co-operation be pleased to State whether the State Government did make any consultation beforehand with the District Council before the officer concerned was suspended ?

Shri Nagen Neog ( Minister, Co-operation ) : No.

Shri Holiram Terang : Sir, is the Government aware of the fact that the Department of Co-operation is entrusted with the District Council ?

Shri Nagen Neog ( Minister, Co-operation ) : No.

( Many Honourable Members from the Opposition Benches were at their legs ).

শ্ৰীহলিৰাম টেৰাং : মই কব বিচাৰিছো এইটো কো-অপাৰেটিভ বিভাগৰ মন্ত্ৰীয়ে জানেনে নেজানে ? There are few Department like, Home, Political, etc. which do not come under the District Council but the Department of Co-operation is very much under the District Council. But the Minister in reply to my question said 'No'. Therefore, the Minister is misleading the House. Now, would the Deputy Leader of the House in the absence of the Leader of the House be pleased to state whether the Minister's reply is correct or not ?

( কেবাজনো মাননীয় সদস্যই একেলগে থিয় হৈ কয়। কাৰো মাত স্পষ্ট নহয় )

★ Shri Gobinda Chandıa Langthasa (Dy. Leader) : The Depertment of Co-Operation has not been entrustred to the District Council. But there are some schemes of the Department of Co-Operaticn whieh have been entrusted to the District Council. Now whether the District. Council is competent enought to take any disciplinary action against the officer that will have to be clarified:

★ Shri Giasuddin Ahmed : May I know from the Minister whether the services of the particular officer in question was placed under the disposal of the District Council ?

Shri Gobinda Chandra Langthasa (Dy. Leader) : Sir I require time to answer the question,

Shri Holiram Terang : Whether the officer concerned is allowed to draw his salary without the approval of the District Council ?

Shri Gobinda Chandra Langthasa (Dy. Leader) : The services of the officer concerned was placed at the disposal of the District Council.

Now about the inspecting staff whether it has been placed with the District Council or not that will have to be clarified.

শ্ৰীক্ষয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ, কো-অপাৰেটিভ মন্ত্ৰী থাকোতে স্বাস্থ্য মন্ত্ৰী য়ে কিয় উত্তৰ দিবলগীয়া হৈছে ?

Sir, the question related to Minister Co-operation: He is very much present in the house. Now how the Minister Mr. Langthasa is required to reply to a question put to Minister, Co-operation.

( Noise in the House. Many Honourable Members rose to ask supplimentaries )

Dr. Ardhendu Kr. Dey (Minister) : Leader of the House is

out of station therefore the Deputy Leader will answer on his behalf. Honourable Member should know the norms of the House.

( Noises, Noises you should know the norms of the House. )

শ্ৰীআলাউদ্দিন সৰকাৰ : অধক্ষ্য মহোদয়, পূৰ্ণ পৰ্য্যায়ৰ কো-অপাৰেটিভ বিভাগৰ মন্ত্ৰী থাকোতে বেলেগে কিয় উত্তৰ দিব লাগে ?

( কেৱাজনো মাননীয় সদস্যই একেলগে থিয় হৈ কয় । কাৰো মাত স্পষ্ট নহয় )

Mr. Speaker : Let the Minister reply.

শ্ৰীনগেন নেওগ (মন্ত্ৰী) : অফিচাৰ জনৰ কণ্ট্ৰোল ৰাজ্য চৰকাৰৰ হাতত আছে । তেওঁৰ চাকৰি জিলা পৰিষদৰ অধীনত দিয়া হৈছে যদিও তেওঁ ৰাজ্য-চৰকাৰৰ বিষয়া । তেওঁক ৫-৩-৯০ তাৰিখে বৰ্খাস্ত কৰা হৈছে । তেতিয়াৰ চৰকাৰে বৰ্খাস্ত কৰিছিল আৰু বৰ্খাস্ত কৰা হৈছে । তেতিয়াৰে চৰকাৰে বৰ্খাস্ত কৰিছিল আৰু বৰ্খাস্ত কৰা খবৰটো জিলা পৰিষদক জনোৱা হৈছিল ।

* Shri Haliram Terang : My point is—what is the relation between the state Government and the District Council. The Deputy Leader of the Congress (I) Party may or may not be at the disposal of the District Council. Who is the Controlling authority ? Who will take the disciplinary action. The District Council was not consulted. So if the officer concerned is placed at the disposal of the District Council then how could the State Government use its power, I would. like to know.

Shri Mukut Sarma : Government is the appointing authority and it will examine it.

* শ্ৰীহলিৰাম টেৰাং : মাননীয় অধক্ষ্য মহোদয়, মই অসমীয়াতে কৈছো মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিছে যে বিষয়াজনক জিলা পৰিষদৰ কৰ্ত্তৃত্ব দিয়া হৈছিল

---

* Speech not correted

কিন্তু বিষয়াজনক যেতিয়া বৰ্খাস্ত কৰা হৈছিল, তেতিয়া কিন্তু জিলা পৰিষদক সোধা নাছিল। গতিকে জিলা পৰিষদৰ মতামত নোলোৱাকৈ যিজন বিষয়াই সমবায় সচিব বা তেনে বিষয়াই কৰিছিল তেওঁৰ ওপৰত এতিয়া মন্ত্ৰী মহোদয় শাস্তিমূলক ব্যৱস্থা লৈ আমাক সদনত জনাবনে ?

★শ্ৰীনগেন নেওঁগ (সমবায় মন্ত্ৰী) : পৰীক্ষা কৰি ব্যৱস্থা লম।

★ শ্ৰীহলিৰাম টেৰাং : কেতিয়া ব্যৱস্থা লব জনাব নে ?

( উত্তৰ নাই )

• শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, মোৰ এটা পইণ্ট অব অৰ্ডাৰ আছে আমি আজি সদনত এটা কথা লক্ষ্য কৰিছো আমি অপমানিত হৈছো, এই কথাটো এই কাৰণে কৈছো কাৰণ এই প্ৰশ্নটোৰ লগত এই কথাটো প্ৰাসঙ্গিক। মাননীয় সদস্য ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ডাঙৰীয়াই কৈছে যে আমি 'নৰমচ' নাজানো, তেখেত 'নৰমচ' জানে, আমি লজ্জিত হৈছো ( ভইচ— এইবিলাক ৰুলচত আছে ) ৰুলচ থাকিলেই নহব, তাক পঢ়িবও লাগিব, ৰুলচ ৪৫ ত আছে—

May direct the Minister that an officer.

তেখেতে আমাক নৰমচ নাজানো বুলি কৈছে এতিয়া তেখেতে আমাক নৰমচ শিকাওঁক—

( সদনত বিৰাট হুলস্থুল একো শুনা নাযায়। )

Mr. Speaker : Now Question No. 4.

Shri Zoii Nath Sarma : You must give us time and opportunity to raise a point of order.

( Noise in the House )

Mr. Speaker : This is an August House all of you should take your seats. If You say about Rules Speaker is the Supreme and no one can challenge it.

( Noise in the House )

Shri Nagen Sarma : Mr. Speaker Sir, All should respect the Rules.

•Speech not Corrected

(পুনৰ হুলস্থুল কেবাজনো মাননীয় সদস্যই কব উঠে কিন্তু একো শুনা নাযায়)।

*শ্ৰীযতীন মালী : আমি ৰুলচ ভায়োলেট কৰা নাই, ৰুলচমতেই কৈছো— আমাৰ ক'ৰবাত ২/১ টা ভুল থাকিব পাৰে, তাক আপুনি শুধৰণী কৰি দিব লাগে কিন্তু তাৰ সলনি আমাক ধমকি দিলে আমি কেনেকৈ চলিম।

(সদনত পুনৰ হুলস্থুল। একো শুনা নাযায়)

(অধ্যক্ষই মাননীয় সদস্য ডাঃ কমলা কলিতাক কবলৈ কয়)

* ডাঃ কমলা কলিতা : মাননীয় মন্ত্ৰী ডাঃ অৰ্দ্ধেন্দু দেই কিহৰ কাৰণে আমাক ধমকি দিছে।

(সদনত পুনৰ হুলস্থুল)

মাননীয় অধ্যক্ষ : ডাঃ কলিতা আপোনাক কব দিলো আপুনি বহি থাকিল দেখোন—

(তাৰ পিছত কেবাজনো সদস্যই কব উঠে) আপোনালোকে আগতে কওঁক কিহৰ ওপৰত কব—

* শ্ৰীহিতেন গোস্বামী : অধ্যক্ষ মহোদয়, ৰুল ৩০৩ ত আছে।

Subject to condition referred to a Member may formally raise a point of order and the Speaker shall decide whether the point raised is a point of order and if so he shall give his decision thereon.

Mr. Speaker : I gave my decision.

Shri Hiten Goswami : A Member shall not raise a point of order,

আপুনি কিহৰ ওপৰত ভিত্তি কৰি সিদ্ধান্তৰ কথা কলে আমাক কব লাগিব।

মাননীয় অধ্যক্ষ : মাননীয় সদস্য সকলক জনাব বিচাৰিছো মোৰ মাত্ৰ দুখন কান আপোনালোক আটায়ে কলে মই কাৰ কথা শুনিম।

(সদনত হাঁহিৰ ৰোল, একো শুনা নাপায়)

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ কথাত আমি হানড্ৰেড পাৰচেণ্ট এগ্ৰি আছো। Dr. Ardhendu Dey Threatend us infront of you আজি বাহিৰত পুলিচৰ মাৰ, ভিতৰত মিনিষ্টাৰৰ থ্ৰিটেনিং চাৰ এইবিলাক কি হৈছে। নিমখৰ কেলেংকাৰী, চাউলৰ কেলেংকাৰী।

* Speech not corrected.

( সদনত হুলস্থুল )।

Dr. Ardhendu Kr. Dey ( Minister ) : Sir, this is not the fact. Shri Patowary was expelled from his party when he was a minister.

* Shri Zoii Nath Sarma : Sir, Point of Order. Dr. Dey was expelled from the House but Shri Patowary was expelled from the party. Sir, my point is that how a question put you is answered by Dr. Dey. My point of order was that when the Minister Co-operation is present in the House, how another Minister can answer.

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় কো-অপাৰেটিভ্ মন্ত্ৰী সদনত উপস্থিত থকা সময়ত লাংথাচা ডাঙৰীয়াই উত্তৰ দিব পাৰে নেকি ? আৰু দ্বিতীয়তো কথা হ'ল আপোনাক সোধা প্ৰশ্নটোৰ উত্তৰ মন্ত্ৰী অৰ্ধেন্দু দেৱে দিব পাৰে নেকি ? কৰবাত কিবা প্ৰভিজন আছে নেকি এজন মন্ত্ৰী সদনত উপস্থিত থকা সময়ত তৰাচিহ্নিত প্ৰশ্নৰ উত্তৰ বেলেগ এজনে দিব পাৰে নেকি ? কলটো পুট আপ কৰক :

Honourable Speaker is Supreme. But when the House made him Supreme, the House has the right to disapprove your decision. Minister Parliamentary Affairs will explain the position. As you know, Sir, point of order arises to interpret a rule. My question is pertinent, whether Minister Co-operation present in the House has authorised Mr. Langthasa, Deputy Leader to answer on behalf of him.

মাননীয় অধ্যক্ষ মহোদয়, আপোনাক দুটা প্ৰশ্নৰ উত্তৰ বিচাৰিছো, আপোনাক সোধা প্ৰশ্নৰ উত্তৰ কেনেকৈ অৰ্দ্ধেন্দু দেৱে উত্তৰ দিব আৰু মন্ত্ৰী থকা অৱস্থাত অন্যাই কেনেকৈ উত্তৰ দিব। যদি এই দুটা কলৰ ব্যাখ্যা নিদিয়ে তেনেহলে আমি ওৱাক-আউট কৰিম তাৰ বাহিৰে আমাৰ গত্যন্তৰ নাই।

★ শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী, সংসদী পৰিক্ৰমা ) ; মাননীয় অধ্যক্ষ মহোদয়,

* Speech not corrected.

সাধাৰণতে তৰাচিহ্নিত প্ৰশ্নৰ উত্তৰ মন্ত্ৰী সদনত উপস্থিত থকা সময়ত নিজেই দিব লাগে। কিন্তু সিটো প্ৰশ্ন সেইটো বেলেগ আহিছে।

The matter is question of jurisdiction of District Council and State Government. There is a Minister in charge of that subject and Minister, Hill Areas on that point can clarify. With your permission any Minister can interfere and clarify.

Shri Zoii Nath Sarma : Where is the rule ? You please quote the rule.

Mr. Speaker : Shakdhar Says Speakers ruling cannot be questioned. Our rule also says similarly, Speakers has got the absolute right. Regarding point raised by Shri Zoii Nath Sarma, any Minister can reply in lieu of a Minister. Now, question No. 4, Dr. Bhumidhar Barman Minister, Education.

### বিষয় : জিলা প্ৰাথমিক শিক্ষা উপদেষ্টা বোৰ্ড।

শ্ৰীহিতেশ্বৰ ডেকাই সুধিছে :

*৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম চৰকাৰৰ শিক্ষা বিভাগে গঠন কৰা "জিলা প্ৰাথমিক শিক্ষা উপদেষ্টা বোৰ্ড" সমূহত সকলোবোৰ বিধায়কক জিলা ভিত্তিত অন্তৰ্ভুক্ত কৰা হৈছে নে ?

(খ) যদি হোৱা নাই, বাকী সকল বিধায়কক কিয় অন্তৰ্ভুক্ত কৰা নাই ?

(গ) কোন কোন বিধায়কক কি নীতিৰ আধাৰত অন্তৰ্ভুক্ত কৰা হৈছে ?

ডাঃ ভূমিধৰ বৰ্মন ( শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) (খ) (গ) — ৰাজহুৱা স্বাৰ্থৰ খাতিৰত ভাৰত চৰকাৰৰ নীতি ৰূপায়ণ কৰাৰ বাবে উপযুক্ত বুলি ভবা লোকক বোৰ্ডত অন্তৰ্ভুক্ত কৰা হৈছে।

*শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্নটো উত্থাপন কৰিছিলো বেলেগ ধৰণে কিন্তু মাননীয় মন্ত্ৰী মহোদয়ে মোৰ প্ৰশ্নটোৰ উত্তৰ একেলগে দিছে।

*ডাঃ ভূমিধৰ বৰ্মন (শিক্ষামন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, গোটেই কথাখিনি একেই। সেয়েহে একেলগে উত্তৰটো দিয়া হৈছে।

*শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে মোৰ প্ৰশ্নৰ উত্তৰ দিবলৈ সক্ষম নে অক্ষম ?

*ডাঃ ভূমিধৰ বৰ্মন (শিক্ষামন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰ দিবলৈ সক্ষম। ইয়াত গোটেই কথাখিনি আছে। ৰাজহুৱা স্বাৰ্থৰ খাতিৰত ভাৰত চৰকাৰৰ নীতি ৰূপায়ণ কৰাৰ বাবে উপযুক্ত বুলি ভবা লোকক বোৰ্ড'ত অন্তৰ্ভূক্ত কৰা হৈছে।

Shri Chandan Sarkar : Sir Point of order....

Mr. Speaker : There is no point of order. It is out of order.

*ডা. ভূমিধৰ বৰ্মন (শিক্ষামন্ত্ৰী) : অধ্যক্ষ মহোদয়, তেখেতসকলক অনুপযুক্ত বুলি ভাবি বাদ দিয়া হোৱা নাই। সকলো কেটেগৰিৰ মানুহক অন্তৰ্ভূক্ত কৰিব লগা হোৱা বাবে কিছুমানক বাদ দিয়া হৈছে।

*শ্ৰীহিতেশ্বৰ ডেকা : অধ্যক্ষ মহোদয়, মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে মোৰ প্ৰশ্নৰ উত্তৰ দি থাকোতে শাসক দলৰ এজন বিধায়কে এটা বৰ গুৰুত্বপূৰ্ণ কথা উত্থাপন কৰিছে। তেখেতে কৈছে যে আমি শাসক দলৰ বিধায়কসকলে মন্ত্ৰী মহোদয়ে উত্তৰ দি থকা সময়ত ভদ্ৰভাৱে বহি আছো আৰু বিৰোধী পক্ষৰ সদস্য সকলে গণ্ডগোলৰ সৃষ্টি কৰিছে। তাৰ মানে তেখেতে আমাক অভদ্ৰ বুলি গণ্য কৰিছে। গতিকে তেখেতে এই 'ভদ্ৰ' শব্দটো উঠাই ল'ব লাগে। মোৰ প্ৰশ্ন হ'ল কোন সকলক এই বোৰ্ড'ত অন্তৰ্ভূক্ত কৰা হ'ল আৰু কি ভিত্তিত কৰা হ'ল সেই বিষয়ে মন্ত্ৰী মহোদয় স্পষ্টকৈ ক'লে ভাল হয়।

*ডাঃ ভূমিধৰ বৰ্মন (শিক্ষামন্ত্ৰী) : সকলোকে ল'ব পৰা নাযায়। গতিকে লোৱা হোৱা নাই।

*দৱান জয়নাল আবেদিন : অধ্যক্ষ মহোদয়, শিক্ষামন্ত্ৰী মহোদয়ে এটা কথা জনাবনে যে তেখেতে কৈছে কিছুমান বিধায়কক অন্তৰ্ভূক্ত কৰা হৈছে আৰু কিছুমানক কৰা হোৱা নাই। তাৰ মানে কেৱল শাসক দলৰ বিধায়ককহে অন্তৰ্ভূক্ত কৰা হৈছে নেকি ? বিৰোধী দলৰ সদস্যসকলক ইয়াত অন্তৰ্ভূক্ত কৰা

* Speach not corrected.

হোৱা নাই। বিৰোধী দলৰ সদস্যসকলক যোগ্য বুলি গণ্য কৰা হোৱা নাই নেকি? লগতে এইটো কথাও জনাব নেকি যে যিবোৰ সমষ্টিত কংগ্ৰেছ (ই) প্ৰাৰ্থী নিৰ্বাচিত হোৱা নাই তাৰ পৰাজিত প্ৰাৰ্থী গৰাকীকো এই বোৰ্ডৰ সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে?

*ডাঃ ভূমিধৰ বৰ্মন (শিক্ষামন্ত্ৰী): কোনো বিধায়ককে আমি অযোগ্য বুলি বিবেচনা কৰা নাই। তেওঁলোক আটাইকে মনোনীত কৰাটো সম্ভৱ নহয়। আনহাতে আমি কেৱল কংগ্ৰেছ (ই)ৰ মানুহকে ইয়াত মনোনীত কৰা নাই। ইয়াত কংগ্ৰেছৰ বাহিৰেও জনতা দল, নিৰ্দলীয়, আবছু, বি-পি-এ-চি আদি সকলোৰে মানুহ আছে।

*শ্ৰীগিয়াচুদ্দিন আহমেদ: অধ্যক্ষ মহোদয়, এই উপদেষ্টা বোৰ্ডখন গঠন কৰা ক্ষেত্ৰত দেখা গৈছে যে চৰকাৰে ৰাজনৈতিক দৃষ্টি-ভঙ্গীৰে কাম কৰিছে। এই শিক্ষা বোৰ্ডখন দলীয় ৰাজনীতিৰ উৰ্দ্ধত হোৱাটো বাঞ্ছনীয় আছিল। কিন্তু এই ক্ষেত্ৰত চৰকাৰে এটা অপকীৰ্তি কৰিছে আৰু আগৰ চৰকাৰৰ অপকীৰ্তি-বোৰ আঙুলিয়াই দিছে। আগৰ অপকীৰ্তিবোৰ পুনৰাবৃত্তি এই চৰকাৰেও কৰক, সেইটো আমি আশা কৰা নাছিলো। গতিকে শিক্ষা বিভাগৰ কাম-কাজবোৰ দলীয় ৰাজনীতিৰ উৰ্দ্ধত ৰাখিব নেকি মন্ত্ৰী মহোদয়ে দয়া কৰি ক'ব নে?

*ডাঃ ভূমিধৰ বৰ্মন (শিক্ষামন্ত্ৰী): আমি দলীয় দৃষ্টি-ভঙ্গীৰে এইটো কৰা নাই। যদি কিবা কৰা দেখে তেনেহ'লে আমাৰ দৃষ্টিগোচৰ কৰিলে, আমি ব্যৱস্থা লম।

শ্ৰীজয়চন্দ্ৰ নাগবংশী: অধ্যক্ষ মহোদয়, শিক্ষামন্ত্ৰী মহোদয়ে এটা কথা জনাবনে যে ইয়াৰ আগৰখন চৰকাৰ অৰ্থাৎ অ, গ, প, চৰকাৰৰ দিনত সকলো বিধায়ককে এই বোৰ্ডত অন্তৰ্ভুক্ত কৰা হৈছিল নেকি?

★ডাঃ ভূমিধৰ বৰ্মন (শিক্ষামন্ত্ৰী): মোৰ হাতত থকা তথ্য মতে সকলোকে কৰা হোৱা নাছিল।

★শ্ৰীগিয়াচুদ্দিন আহমেদ: আগৰ চৰকাৰৰ দিনত যিটো কৰিলে সেইটো আপোনালোকেও পিচিডেণ্ট হিচাবে লব নেকি?

★ডাঃ ভূমিধৰ বৰ্মন (শিক্ষামন্ত্ৰী): আমি সেইটো কৰা নাই।

★শ্ৰীজয় নাথ শৰ্মা: অধ্যক্ষ মহোদয়, শিক্ষামন্ত্ৰী মহোদয়ে উত্তৰ দিওঁতে He has not applied his mind properly, A breach of privilege is being brought appoint him: এই ক্ষেত্ৰত ব্ৰিচ অৱ প্ৰিভিলেজ আহিব।

* Speech not corrected.

তেখেতে উত্তৰত এনেদৰে কৈছে যে ৰাজহুৱা স্বাৰ্থৰ খাতিৰত ভাৰত চৰকাৰৰ নীতি ৰূপায়ণ কৰাৰ বাবে উপযুক্ত বুলি ভবা লোকক বোৰ্ড'ত অন্তৰ্ভূক্ত কৰা হৈছে। এই ক্ষেত্ৰত বিধায়ক সকলক অযোগ্য বুলি গণ্য কৰা হ'ল কিয়?

★ডাঃ ভূমিধৰ বৰ্মন (শিক্ষামন্ত্ৰী): বিধায়ক সকল যোগ্য। কিন্তু সকলোকে এক'মডেট কৰাটো সম্ভৱ নহয় কাৰণে অন্তভূ'ক্ত কৰা হোৱা নাই।

★শ্ৰীজয় নাথ শৰ্মা: অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে ৰাজহুৱা স্বাৰ্থৰ খাতিৰত এইটো কৰা হৈছে। কিন্তু ইয়াত ৰাজহুৱা স্বাৰ্থ ৰক্ষা কৰিছে কেনেকৈ? ছিপাঝাৰ সমষ্টিৰ কংগ্ৰেছ (ই)ৰ পৰাজিত প্ৰাৰ্থীজনকো ইয়াত অন্তভূ'ক্ত কৰা হৈছে। মন্ত্ৰী মহোদয়ে গা এৰা দি প্ৰশ্নৰ উত্তৰ দিছে। 'খ' প্ৰশ্নৰ উত্তৰ মতে তেখেতে আমাক অনুপযুক্ত বুলি কৈছে। গতিকে এইটো উইড্ৰ কৰিব লাগে।

(at this stage Shri Zoii Nath Sarma presented the questionarie and the answer script to the Honourable Speaker for clarification)

Mr. Speaker: Ten supplementaries have already been put. I am not going to allow any more supplementaries. I shall now proceed to question No. 5.

## বিষয়: অপৰম্পৰাগত আৰু পুনৰ ব্যৱহাৰ যোগ্য শক্তি।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তয়ে সুধিছে:

*৫। মাননীয় বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) অসমৰ বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিবেশ পৰিষদৰ এক প্ৰতিবেদনত "দেশৰ আন আন অংশৰ তুলনাত অপৰম্পৰাগত আৰু পুনৰ ব্যৱহাৰ যোগ্য শক্তি প্ৰকল্পসমূহৰ প্ৰয়োগ আৰু উন্নতি কৰণত অসমৰ কৃতিত্ব তেনেই নগণ্য" বুলি কৰা মন্তব্য চৰকাৰৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত, উক্ত প্ৰতিবেদনৰ প্ৰতিলিপি আৰু চৰকাৰে লোৱা ব্যৱস্থা-সমূহৰ বিষয়ে জনাবনে?

শ্ৰীহৰেণ ভূমিজ (মন্ত্ৰী)য়ে উত্তৰ দিছে:

(ক) অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিবেশ পৰিষদৰ পৰা চৰকাৰে এনে ধৰণৰ মন্তব্য সমন্বিত কোনো প্ৰতিবেদন পোৱা নাই।

* Speech not corrected.

(খ) যিহেতু মাননীয় সদস্যই উল্লেখ কৰা কোনো প্ৰতিবেদন চৰকাৰে পোৱা নাই, ইয়াৰ প্ৰতিলিপি দাখিল কৰাৰ প্ৰশ্ন নুঠে।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, অসমৰ কেইখনমান আগশাৰীৰ দৈনিক বাতৰি কাকতৰ এই ৰিপোৰ্ট এনে ধৰণে আছে। মই এতিয়া উল্লেখ কৰিব বিচৰা নাই। অসম প্লেনিং কমিচনৰ আলোচনাত এই কথা কোৱা হৈছে যে চেণ্ট্ৰেল গভৰ্ণমেণ্টে সমগ্ৰ নৰ্থ ইষ্টাৰ্ণ ৰিজিয়ন—দেশৰ আন আন অংশৰ তুলনাত অপৰম্পৰাগত আৰু পুনৰ ব্যৱহাৰযোগ্য শক্তি প্ৰকল্পসমূহৰ প্ৰয়োগ আৰু উন্নতিকৰণত অসমৰ কৃতিত্ব তেনেই নগণ্য। অকল অসমৰ ক্ষেত্ৰতেই কোৱা নাই নৰ্থ ইষ্টাৰ্ণ ৰিজিয়নৰ ক্ষেত্ৰতো কোৱা হৈছে। মই ভাবো যে উৰিষ্যা গোবৰ গেছ, উইন এনাৰ্জি আদি ক্ষেত্ৰতে আগবাঢ়ি গৈছে। চৰকাৰে অপৰম্পৰাগত আৰু পুনৰ ব্যৱহাৰযোগ্য শক্তি ব্যৱহাৰ কৰি অধিক শক্তি উৎপাদন কৰিব লাগিব। মাননীয় মন্ত্ৰী মহোদয়ে চায়েন্স এণ্ড টেক্নোল'জিৰ দায়িত্বত থাকি উত্তৰ দিব নেকি যে এই ক্ষেত্ৰত নতুনকৈ কিবা আঁচনি লৈছে? চেণ্ট্ৰেল গভৰ্ণমেণ্টৰ যথেষ্ট টকা আছে এই শিতানত। সেই টকা আনি সদ্ব্যৱহাৰ কৰিব নেকি?

★শ্ৰীহৰেণ ভুমিজ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰে অপৰম্পৰাগত আৰু পুনৰ ব্যৱহাৰযোগ্য প্ৰকল্প সমূহৰ প্ৰয়োগ আৰু উন্নতিকৰণত যিবিলাক ব্যৱস্থা গ্ৰহণ কৰি আছে, সেইবিলাক হৈছে—

(১) জৈবিক গেছ প্ৰকল্প :—এই প্ৰকল্পটো ১৯৮২-৮৩ চনৰপৰা বৰ্তমানলৈ চলি আছে। এই প্ৰকল্পটো অসম পঞ্চায়ত আৰু গ্ৰামোন্নয়ন সঞ্চালকালয়ৰ আৰু ভাৰত চৰকাৰৰ খাদী আৰু গ্ৰামোদ্যোগ পৰিষদৰ জৰিয়তে ৰূপায়ণ কৰা হৈছে। অসম চৰকাৰে প্ৰত্যেক গোটৰ কাৰণে ১ হাজাৰ টকাকৈ এককালীন অনুদান আগবঢ়ায়। প্ৰত্যেক গোটৰ বাকী খৰছ ভাৰত চৰকাৰৰ অনুদান আৰু সাহাৰ্য্য লওঁতা জনৰ আংশিক টকাৰে তৈয়াৰ কৰে। অসম চৰকাৰে বৰ্তমানলৈ ৮৯.৮৫ লাখ টকা অনুদান দিছে। বৰ্তমানলৈ অসমত ১০,৪১৫ টা গোট স্থাপন কৰা হৈছে।

(২) উন্নত চৌকা :—এই চৌকা দুই ধৰণেৰে নিৰ্মিত হয়। এবিধ লৈ ফুৰিব পৰা আৰু আনবিধ স্থায়ী। প্ৰথম বিধৰ বাবে অসম চৰকাৰ, অসম এগ্ৰো ইণ্ডাষ্ট্ৰিজ ডেভলপ্‌মেণ্ট কৰ্পোৰেচন আৰু পিচলৈ অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা পৰিবেশ পৰিষদে মুঠ ১১.৯৯ লাখ টকা ১৯৯০-৯১ চনলৈ দিছে। এগ্ৰো ইণ্ডাষ্ট্ৰিজ ডেভলপ্‌মেণ্ট কৰ্পোৰেচনে

* Speech not corrected.

এতিয়ালৈ অসম চৰকাৰৰ অনুদানৰপৰা ৭,৫০০ চৌকা তৈয়াৰ কৰি বিতৰণ কৰিছে। বাকী ভাৰত চৰকাৰৰ পৰা অসম পঞ্চায়ত গ্ৰামোন্নয়ন সঞ্চালকালয়ে অনুদান লৈ, লৈ ফুৰিব পৰা আৰু স্থায়ী চৌকা বিতৰণ কৰি আহিছে আৰু বনাইছে। ভাৰত চৰকাৰৰ খাদী আৰু গ্ৰামোন্নয়ন পৰিষদেও স্থায়ী চৌকা নিৰ্মান কৰে। এই তিনিটা অনুস্থানে মুঠ তৈয়াৰ/বিতৰণ কৰা চৌকাৰ সংখ্যা ১,৩২,৮৮৭।

৩। সৌৰ শক্তিৰ ব্যৱহাৰ প্ৰকল্প: এই প্ৰকল্পৰ ভিতৰত গৰম পানী তৈয়াৰ কৰা, সৌৰ শক্তিৰে বিদ্যুৎ তৈয়াৰ কৰি চাকি জ্বলোৱা আৰু সৌৰ শক্তিৰে পানী তোলা পাম্প বহুৱাই প্ৰধান। অসমৰ বিভিন্ন জিলাৰ আৱৰ্ত্ত ভৱন, অতিথি শালাত এনে ধৰণৰ ৪১ টা গৰম পানীৰ পদ্ধতি বহুৱা হৈছে। অসম চৰকাৰ, নৰ্থ ইষ্টাৰ্ন কাউঞ্চিল আৰু ভাৰত চৰকাৰৰ সহযোগত এই শিতানত ১৬·০৪ লাখ খৰছ কৰা হৈছে। বিদ্যুৎ চাকি জলোৱা পদ্ধতি তিনিখন গাৱঁত প্ৰৱৰ্ত্তন কৰা হৈছে। তাৰ উপৰিও গুৱাহাটীৰ ভিতৰত উমানন্দত এনে ধৰনৰ বিদ্যুৎ চাকি জলোৱা প্ৰকল্প এটা নিৰ্মান কৰা হৈছে। অসম চৰকাৰে এই শিতানত মুঠ ৮·৯৯ লাখ টকা খৰছ কৰিছে। তাৰ উপৰি ভাৰত চৰকাৰে আৰু নৰ্থ ইষ্টাৰ্ন কাউঞ্চিলে বিভিন্ন জিলাত ৬৯ টা পানী তোলা পাম্প স্থাপন কৰিছে। এই কামবোৰ অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিবেশ পৰিষদে কৰি আছে।

৪। বায়ু শক্তি চালিত প্ৰকল্প: বায়ু শক্তিচালিত প্ৰকল্পৰ ভিতৰত বিভিন্ন স্থানবোৰ জৰীপ কৰি মানচিত্ৰ তৈয়াৰ কৰা কাম কাজ অসম বিজ্ঞান প্ৰযুক্তি-বিদ্যা পৰিবেশ পৰিষদে কৰি আছে। এই প্ৰকল্পত বৰ্ত্তমানলৈ ১০ টা কেন্দ্ৰত জৰীপৰ কাম আৰম্ভ হৈছে। আৰু ৫ টা বায়ু যন্ত্ৰ বহুওৱাৰ কাম হাতত লোৱা হৈছে। বৰ্ত্তমানলৈ ভাৰত চৰকাৰে ৪·২৮ লাখ আৰু অসম চৰকাৰে ১·৫০ লাখ টকা এই শিতানত খৰছ কৰিছে। এই প্ৰকল্পটো অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা পৰিবেশ পৰিষদে কৰি আছে।

৫। ইন্ধনৰ কাৰণে গছ ৰোৱা প্ৰকল্প: (সদনত হুলস্থূল)

মাননীয় অধ্যক্ষ: আপুনি বহুত সময় ললে। বান নিয়ন্ত্ৰন মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো। মোৰ সমষ্টিৰ মঠাউৰিটো যেন বন্ধাই দিয়ে। The questions Hour is over.

(Starred Question Nos. 6 to 20 could not be disposed of as the Question Hour was over. However the replies deemed to have been laid on the Table of the House.)

**Re : Appointment of Teacher.**

Shri Promode Gogoi asked :

*6. Will the Minister of Education be pleased to State :

(a) Whether it is a fact that the teachers for new Higher Secondary School in Assam were appointed without following any procedure ?

(b) Whether any merit list for the above appointment was prepared by the Directorate and if so, copy of the same may be placed on the Table of the House ?

(c) How many candidates applied in the Sibsagar District for these posts and the candidates appointed by the Government ( marks secured in the M. A. Examination by those appointed may be placed on the Table of the House ) ?

Dr. Bhumidhar Barman ( Minister ) replied :

(a) Some appointments have been made on Ad-hoc basis ( for 3 months ).

(b) The State Selection Board will prepare the list in due course.

(c) (i) 480.

(ii) 72 ( List enclosed ) ( See the Annexure—1 )

## বিষয় ঃ মহকুমা প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদ।

শ্ৰীজয় নাথ শৰ্মাই সুধিছে :

★ ৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম মহকুমা প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদ সমূহৰ সভাপতি/ সদস্য সকলৰ নাম, ঠিকনা আৰু শিক্ষাগত অৰ্হতা সম্পৰ্কে এক বিৱৰণী সদনৰ মেজত দাখিল কৰিব ?

(খ) মঙ্গলদৈ মহকুমা প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদখন দুবাৰ গঠন কৰা হৈছে নেকি ?

(গ) যদি হৈছে, ইয়াৰ কাৰণ কি ?

(ঘ) মঙ্গলদৈ আৰু ওদালগুৰি প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদ দুখনৰ অনুষ্ঠিত হোৱা বৈঠকসমূহৰ কাৰ্য্য বিৱৰণী বিতংভাবে সদনৰ মেজত দিব ?

ডাঃ ভূমিধৰ বৰ্মন ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) তথ্য বিচৰা হৈছে, পালে সদনত দাখিল কৰা হব।

(খ) হৈছে।

(গ) ৰাজহুৱা স্বাৰ্থৰ খাতিৰত প্ৰয়োজন সাপেক্ষে কৰা হৈছে।

(ঘ) মঙ্গলদৈ উপদেষ্টা বোৰ্ডৰ কাৰ্য্য বিৱৰণী সদনত ৰখা হব। ওদালগুৰিৰ পৰা তথ্য বিচৰা হৈছে।

## বিষয় ঃ বিদ্যালয় উন্নীতকৰণ।

শ্ৰীফণী ভূষণ চৌধুৰীয়ে সুধিছে ঃ

★ ৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্তমান চৰকাৰে কাৰ্য্যভাৰ লোৱাৰ পৰা কিমানখন উচ্চ ইংৰাজী বিদ্যালয় উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰিছে ? ( বিদ্যালয়সমূহৰ নাম আৰু মহকুমাৰ তালিকা সদনৰ মজিয়াত দাখিল কৰিব )।

(খ) বঙাইগাওঁ মহকুমাত কিমানখন উচ্চ ইংৰাজী বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰা হৈছে ?

(গ) যদি উন্নীতকৰণ কৰা নাই, কিয় কৰা নাই ?

ডাঃ ভূমিধৰ বৰ্মন ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১১৮ খন। তালিকা দাখিল কৰা হৈছে।
( See the Annexure—(II)

(খ) এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন স্থুতি খোলা হৈছে।

(গ) প্ৰশ্ন নুঠে।

**ৰিষয় : ৰানপানী ক্ষতি সাহাৰ্য্য আঁচনি।**

ডাঃ কমলা কলিতায়ে সুধিছে :

★ ৯। মাননীয় বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) কামৰূপ জিলাৰ উপায়ুক্তই ১৯৯১ চনৰ আগষ্ট মাহৰ কে, আৰ, আৰ ৫৫/৯১/১৮৯ চিঠি ( KRR 55/91/189 ) যোগে ছয়গাওঁ চক্ৰৰ বানপানী ক্ষতি সাহাৰ্য্য আঁচনিত অনুমোদন জনোৱা কথা সঁচানে ?

(খ) যদি সঁচা, উক্ত চাৰিটা আঁচনিত মুঠ কিমান টকা ধাৰ্য্য কৰা হৈছিল ?

(গ) উক্ত আঁচনি সমূহৰ কাম সম্পূৰ্ণ হৈছেনে ?

(ঘ) এই কাম কোন কোন ঠিকাদাৰক দিয়া হৈছিল ?

শ্ৰীহৰেণ ভূমিজ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয় সঁচা।

(খ) উক্ত আঁচনি চাৰিটাত মুঠ ১৩,৮২,৯০০ টকাৰ ( তেৰ লাখ বিৰাশী হেজাৰ নশ টকা ) প্ৰাক্কলন তৈয়াৰ কৰা হৈছিল।

(গ) উক্ত চাৰিখন আঁচনিৰ ভিতৰত দুখন আঁচনিৰ কাম সম্পূৰ্ণ হৈছে। আৰ্থিক অনাটনৰ বাবে বাকী দুখনৰ আংশিক ভাবে ৰূপায়ন কৰা হৈছে আৰু চতুৰ্থখনৰ কাম হাতত লব পৰা নগ'ল।

(ঘ) উক্ত আঁচনি তিনিখনৰ বিপৰীতে আবণ্টন কৰা ঠিকাদাৰ সকলৰ নাম ও ঠিকনাৰ তালিকা সদনত প্লেচ্ কৰা হ'ল ।

( See the Annexure—III )

**Re : Creation of separate Directorate.**

Sri Parameswar Brahma asked :

★ 10. Will the Minister of Education be pleased to state.

(a) Whether the Bodo Students Union and Bodo Sahitya Sabha have been demanding for the creation of separate Directorate for Plains Tribal Education for fair and efficient administration of Plains Tribal Education.

(b) If so, what steps has been taken to that effect.

Dr. Bhumidhar Barman (Minister) replied.

(a) Yes.

(b) For Plains Tribal Education, Government have already created 2 (two) posts of Joint Director, one for Secondary Education and the other for Elementary Education.

**বিষয় ঃ প্লাইউড ফেক্টৰীৰ চাবচিডি।**

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

★ ১১। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে, অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান চৰকাৰে অসমৰ কিমানখন প্লাইউড ফেক্টৰীক Transport subsidy দিছে ? (ফেক্টৰীৰ নাম আৰু টকাৰ পৰিমান সহ এখন তালিকা দিব)

(খ) কি কি চৰ্ত পূৰণ কৰিলে উক্ত চাবচিডি দিয়া হয় ?

(গ) বৰ্তমানলৈ চৰ্ত ভঙ্গৰ বাবে কোনো ফেক্টৰীৰ মালিকৰ পৰা টকা আদায় কৰা হৈছে নেকি ?

(ঘ) যদি হৈছে, কোন কোন মালিকৰ পৰা কিমান টকা আদায় কৰা হৈছে ?

শ্ৰীবিজিৎ শইকীয়া (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বৰ্তমানৰ চৰকাৰে এতিয়ালৈকে অসমৰ ১৭ টা প্লাইউড ফেক্টৰীক

পৰিবহন অনুদান ( Transport subsidy ) দিছে। ( ফেক্টৰীৰ নাম আৰু টকাৰ পৰিমান সহ এখন তালিকা সদনৰ মজীয়াত ৰখা হৈছে )

(খ) প্ৰধানত : দুটা চৰ্তৰ ওপৰত ভিত্তি কৰি পৰিবহন অনুদান (Transport subsidy ) দিয়া হয়। চৰ্ত দুটা হ'ল —

(১) উৎপাদনৰ কামত ব্যৱহাৰ্য্য কেচা সামগ্ৰী সমূহ ৰাজ্যখনৰ বাহিৰৰ পৰা অনা হব লাগিব।

(২) প্ৰকৃত উৎপাদিত সামগ্ৰী সমূহ ৰাজ্যৰ বাহিৰলৈ ৰপ্তানী কৰিব লাগিব।

ওপৰোক্ত চৰ্ত দুটাৰ উপৰিও ৰাজ্যিক পৰ্য্যায়ৰ কমিটিয়ে ( SLC ) কিছুমান নিৰ্দ্দিষ্ট নথি-পত্ৰ, প্ৰমান পত্ৰ আদি দাবীদাৰ গোট সমূহৰ পৰা বিচাৰে আৰু ইয়াক পৰীক্ষা কৰি চাই পৰিবহন সাহাৰ্য্য অনুমোদন দিয়ে। ( চৰ্ত বিলাকৰ তালিকা সদনৰ মজিয়াত ৰখা হৈছে )

(গ) নাই।

(ঘ) প্ৰশ্ন নুঠে।

## বিষয় : অসম প্ৰকাশন পৰিষদৰ ঋণ।

**শ্ৰীৰমেন্দ্ৰ** নাৰায়ণ কলিতায়ে সুধিছে :

* ১২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম প্ৰকাশন পৰিষদে এটা প্ৰেছ ক্ৰয় কৰোতে পুৰ্বাঞ্চল বেংকৰপৰা ঋণ পোৱাটো সচানে ?

(খ) উক্ত পৰিষদে একেটা প্ৰেছকে অসম চৰকাৰক দেখুৱাই অধিক টকা নিয়াটো সচানে ?

(গ) যদি সচা, ঘটনাটোৰ চন কেতিয়া আছিল আৰু সচিব গৰাকীৰ নাম কি ?

(ঘ) অসম প্ৰকাশন পৰিষদৰ এগৰাকী সচিবে জাল ৰচিদ দিয়াৰ তথ্য চৰকাৰৰ হাতত আছেনে আৰু যদি আছে সচিব গৰাকীৰ নাম কি ?

(ঙ) অসম প্ৰকাশন পৰিষদৰ সম্পৰ্কত ৰাজনৈতিক বিভাগে দুৰ্নীতি নিবাৰণ বিভাগত গোচৰ তৰা হৈছিল নে ?

(চ) যদি হৈছিল, উক্ত গোচৰ অনুসৰি কাক অভিযুক্ত কৰা হৈছে আৰু বৰ্তমান কি পৰ্য্যায়ত আছে ?

ডাঃ ভূমিধৰ বৰ্মন ( শিক্ষামন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক)
(খ)
(গ) তথ্য বিচৰা হৈছে। তথ্য পালে সদনক জনোৱা হ'ব।
(ঘ)
(ঙ)
(চ)

**Re : Karbi Anglong Hydro Electric Project.**

Shri Monsing Rongpi asked :

★13. Will the Minister of Power and Rural Electrification be pleased to state .

(a) When was Karbi Longpi Hydro Electric Project started ?

(b) What was the original estimated amount and how many times the estimate was revised ?

(c) The amount spent till date ?

(d) When was the Project proposed to be commissioned

(e) What is the cause of delay of commissioning and when will it be commissioned ?

(f) How much power will it produce ?

Shri Debananda Konwar (Minister) replied :

(a) Karbi Longpi Hydro Electrical Project was sanctioned in 1979 and the work started in 1980.

(b) The original estimated amount was of Rs. 34.15 crores. The estimate has been revised 5 times and currently stands at Rs. 146.50 crores.

(c) An amount of about Rs. 110 crores has been spent so far.

(d) As per the original schedule, the first phase was to be completed by March 31, 1985 and the second phase by June 30, 1985.

(e) The main reasons for delay are as follows :

(i) Unfavourable law and order situation and restriction on use of explosive materials for security reasons.

(ii) Frequent disruptions in transport & communication.

(iii) Natural calamities like flood.

(iv) Delays by contractors.

(v) Increase in the volume of work because of geological factors.

(f) The installed capacity of the project will be 100 Megawatt About 390 Million Units are expected to be generated every year when the full capacity is installed.

### বিষয় ঃ পলাশবাৰী গাৱত বৈদ্যুতিকৰণ

শ্ৰীযতীন মালীয়ে সুধিছে ঃ

*১৪। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পলাশবাৰী সমষ্টিত বৰ্তমানলৈ কিমানখন গাৱত বৈদ্যুতিকৰণ কৰা হ'ল ?

(খ) কিমানখন গাৱত বৈদ্যুতিকৰণ কৰিবলৈ বাকী আছে ?

(গ) সমষ্টিটোৰ কিমানখন গাৱত বৈদ্যুতিকৰণৰ কাম আৰম্ভ কৰা হৈছে, কিন্তু আধৰুৱা হৈ আছে ?

(ঘ) কিয় আধৰুৱা হৈ আছে আৰু কেতিয়া সম্পূৰ্ণ কৰিব পাৰিব ?

শ্ৰীদেবানন্দ কোঁৱৰ ( মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) পলাশবাৰী আৰু ছয়গাওঁ থানাৰ অন্তৰ্গত মুঠ ৩৪৯ খন গাওঁত বৈদ্যুতিকৰণ কৰা হৈছে।

(খ) উক্ত দুয়োখন থানাৰ অন্তৰ্গত মুঠ ৫৭ খন গাৱঁত বৈদ্যুতিকৰণ কৰিবলৈ বাকী আছে।

(গ) উক্ত দুয়োখন থানাৰ অন্তৰ্গত মুঠ ৩২ খন গাৱঁত বৈদ্যুতিকৰণৰ কাম আৰম্ভ কৰা হৈছে, কিন্তু আধৰুৱা হৈ আছে।

(ঘ) উক্ত আধৰুৱা হৈ থকা গাওঁবোৰলৈ সময়মতে সামগ্ৰীসমূহ সৰবৰাহ কৰিব নোৱাৰা বাবে কামখিনি সম্পূৰ্ণ কৰিব পৰা হোৱা নাছিল। এই কাম পৰ্য্যায়ক্ৰমে সম্পূৰ্ণ কৰা হ'ব।

## বিষয় : লেংটি চিঙাৰ বান্ধ।

শ্ৰীচন্দন কুমাৰ সৰকাৰয়ে সুধিছে :

★১৫। মাননীয় বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বঙ্গাইগাওঁ জিলাৰ লেংটিচিঙা ৰিং বান্ধৰ বাবে সৰ্বমুঠ কিমান টকা খৰছ হৈছে আৰু বৰ্তমান উক্ত বান্ধৰ বাবে কিমান টকা মঞ্জুৰী দিছে ?

শ্ৰীহৰেন ভূমিজ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বঙ্গাইগাওঁ জিলাৰ লেংটিছিঙা ৰিং বান্ধৰ বাবে ১.৭০ লাখ টকা খৰছ কৰা হৈছে। বৰ্তমান উক্ত বান্ধৰ বাবে ১১.৯১ লাখ টকা মঞ্জুৰী দিছে।

## বিষয় : স্কুল পৰিচালনা সমিতি।

শ্ৰীমুনীন মহন্তয়ে সুধিছে :

★১৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) স্কুলসমূহৰ পৰিচালনা সমিতি গঠন কৰা সন্দৰ্ভত চৰকাৰে নিৰ্দেশনা দিছিল নেকি ?

(খ) যদি দিছিল, উক্ত সমিতিসমূহ গঠন সম্পৰ্কে নিৰ্দেশনা কি আছিল ?

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, দিছিল।

(খ) সমিতি গঠন কৰা সম্পৰ্কে বিভাগীয় নীতিমতে ব্যৱস্থা লবলৈ চৰকাৰে নিৰ্দেশ দিছিল।

বিষয় : অষ্টম পৰিকল্পনাত অন্তর্ভূক্ত প্রজেক্ট।

শ্রীনগেন শৰ্মাই সুধিছে :

* ১৭ মাননীয় বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) পাগলাদিয়া ৰিভাৰভেলি প্রজেক্টটো অষ্টম পৰিকল্পনাত অন্তর্ভুক্ত কৰা হৈছে নে ?

(খ) উক্ত প্ৰজেক্টৰ মুঠ খৰচ কিমান হব জনাবনে ?

শ্রীহৰেন ভূমিজ (মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) "পাগলাদিয়া ডাম প্ৰজেক্ট"টো কেন্দ্ৰীয় চৰকাৰৰ অষ্টম পৰিকল্পনাত অন্তর্ভূক্ত হোৱাৰ প্ৰস্তাৱ আছে।

(খ) উক্ত আঁচনিখন ২৮৭৮৬ কোটি টকা প্ৰস্তুত কৰা হৈছিল।

বিষয় : ঠিকদারের টাকার বিল।

শ্রীধ্রুব কুমার সেনেয়ে সুধিছে :

* ১৮। মাননীয় বাননিয়ন্ত্রন বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করি জানাবেন কি :

(ক) ধুবুড়ী কর্য্যবাহি অভিযন্তা বান নিয়ন্ত্রণ ( Flood Control ) বিভাগের কাছে ঠিকাদাররা সর্বমুঠ কত টাকা পাবে ?

(খ) উক্ত টাকা অতি তারাতারি দেওয়ার ব্যবস্থা করিবেন কি ?

শ্রীহৰেন ভূমিজ ( মন্ত্রী ) য়ে উত্তৰ দিছে :

(ক) ধুবুৰী বাননিয়ন্ত্রন সংমণ্ডলৰ অধীনত কৰা কামৰ বাবে ঠিকাদাৰসকলে বিভিন্ন শিতানত সৰ্বমুঠ প্ৰায় ১৯৭৮৪৫ লাখ টকা পাবলগীয়া আছে।

(খ) ঠিকাদাৰৰ ধন আদায় দিয়াটো পুঁজি প্ৰাপ্তিৰ ওপৰত নির্ভৰশীল। এই সংমণ্ডলত. সময়ে সময়ে পোৱা L. O. C. অনুযায়ী ঠিকাদাৰ সকলক ধন আদায় দিয়া হৈছে।

বিষয় : গড়া খহনীয়াৰ কবলত মথাউৰী।

শ্ৰীভৰত চন্দ্ৰ নৰহয়ে সুধিছে :

★১৯। মাননীয় বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চিচিকল ঘৰ টেকেলীফুটা মথাউৰী ২১ কিলোমিটাৰ আৰু ২৩ কিলোমিটাৰ অংশ গড়া খহনীয়াৰ কবলত পৰি দুৰ্বল আৰু বিপদজনক অৱস্থাত থকা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, মথাউৰীটোৰ উক্ত অংশটো গড়া খহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

শ্ৰীহৰেন ভূমিজ (মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) হয়, জানো।

(খ) মথাউৰীৰ উক্ত অংশটো গড়া খহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ যাৱতীয় ব্যৱস্থা লোৱাৰ আশা আছে। ইয়াৰ বাবে এখন প্ৰাক্কলন প্ৰস্তুত কৰা হৈছে।

**Re: Managing Committee of G. P.**

Shri Giasuddin Ahmed asked:

★20. Will the Minister Co-operative be pleased to State:

(a) Whether election of Managing Committee of the G.P. Level Co-operation Societies of the State has been duly held as per provisions of the Act, Rules and Bye-laws?

(b) If not; why?

Shri Nagen Neog (Minister) replied:

(a) Election held in 348 out of 705 numbers of G. P. Level Co-operative Societies.

(b) Election in remaining Societies not held due to reasons including flood, Parliamentary and State Assembly Elections, Court cases etc.

## UNSTARRED QUESTIONS AND ANSWERS

**বিষয়: প্ৰাদেশীকৃত বিদ্যালয়সমূহত শিক্ষক নিযুক্তি।**

শ্ৰীপানীৰাম ৰাভা য়ে সুধিছে:

১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) যোৱা ১৯/১১/৯১ ইং তাৰিখৰ প্ৰাদেশীকৰণ কৰা মাধ্যমিক বিদ্যালয়

সমূহৰ পঞ্চম আৰু ষষ্ঠ পদত শিক্ষকতা কৰি থকা ব্যক্তিসকলৰ নিযুক্তিৰ বিষয়ে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছেনে?

(খ) যদি কৰিছে, কেতিয়াকৈ তেওঁলোকক নিযুক্তি দিব?

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(খ) নিযুক্তিৰ প্ৰক্ৰিয়া চলি আছে।

### বিষয়: শিক্ষা উপদেষ্টা বোৰ্ড।

শ্ৰীনিজামুদ্দিন খান য়ে সুধিছে:

২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে: মহকুমা পৰ্য্যায়ত শিক্ষা উপদেষ্টা বোৰ্ডসমূহ কি ভিত্তিত গঠন কৰা হৈছে আৰু ইয়াৰ ভিত্তিত সকলো বোৰ্ডসমূহ গঠন কৰা হৈছে নে?

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) য়ে উত্তৰ দিছে:

নিয়োগ নীতি কাৰ্য্যকৰী কৰিব পাৰিব বুলি ভবা লোকসকল নিযুক্তি দিয়া হৈছে।

### Sub : Serving under Regulation 3 (f).

Shri Dewan Joynal Abedin asked :

3. Will the Minister, Education be pleased to state :

(a) How many teachers of Government B. T. / P.G.T. Colleges of Assam are serving under Regulation 3 (f) and what are the lengths of their service periods ?

(b) Why their Services have not been regularised so far ?

(c) Whether there is any hope of regularisation of their Services during their tenures of Service ?

Dr. Bhumidhar Barman replied :

(a) 36 (thirty six). The length of service period of these teachers varies from 6 years to 8 years;

(b) The regularisation of service of the teachers is under process.

(c) Does not arise in view of reply to (b) above.

## বিষয় ঃ বানপানীত মঠাউৰী নষ্ট।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী য়ে সুধিছে :

৪। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) লক্ষীমপুৰ বান নিয়ন্ত্ৰণ সংমণ্ডলৰ অধীনস্থ ব্ৰহ্মপুত্ৰ মঠাউৰীৰ জামুগুৰি খাবৈ মুখৰ বান্ধৰ ৩৯ কিলোমিটাৰ আৰু ৪৫ কিলোমিটাৰ যথাক্ৰমে ৰাওনামুখ আৰু পাকেলমিৰি গাওঁ অঞ্চলত যোৱা বান পানীত মঠাউৰী ছিগাৰ ফলত অঞ্চল দুটা বিচ্ছিন্ন হৈ থকাৰ প্ৰতি লক্ষ ৰাখি চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(খ) মঠাউৰী ছিগাৰ ফলত কিমান সংখ্যক কৃষক ৰাইজ ক্ষতিগ্ৰস্ত হল ?

শ্ৰীহৰেন ভূমিজ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সমস্যাটোৰ প্ৰতি লক্ষ্য ৰাখি দুয়োটা ছিগা বন্ধ কৰাৰ ব্যৱস্থা লোৱা হৈছে।

(খ) ৪৫ কিঃ মিঃত হোৱা ছিগাৰ ফলত গহপুৰ আৰু কলংপুৰ মৌজাৰ প্ৰায় ১০ খন গাৱঁৰ প্ৰায় ৫০০০ হেজাৰ কৃষক ৰাইজ ক্ষতিগ্ৰস্ত হয়। কিন্তু ৩৯ কিঃ মিঃত হোৱা ছিগাৰে বানপানী পাৰহৈ যাব নোৱাৰাৰ ফলত কোনো কৃষক ৰাইজ ক্ষতিগ্ৰস্ত হোৱা নাই।

## বিষয় ঃ শিক্ষকৰ বেতন

শ্ৰীলিয়াকত আলীখান য়ে সুধিছে :

৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰপেটা জিলাৰ আঁচনিভুক্ত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক সকলৰ বেতন ৫/৬ মাহলৈকে নোপোৱাৰ কথাটো সঁচানে ?

(খ) যদি সঁচা, উক্ত শিক্ষকসকলৰ বেতন মাহিলি দিয়াৰ ব্যৱস্থা কৰিবনে।

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সঁচা।

(খ) অতি শীঘ্ৰে বেতন দিয়াৰ বাবে বিভাগে ব্যৱস্থা গ্ৰহণ কৰিছে।

**Re : New Extension Scheme for Power & Rural Electrification.**

Shri Karendra Basumatary asked :

6. Will the Minister of Power & Rural Electrification be pleased to state :

(a) Whether on going schemes and new extension schemes for Power & Rural Electrification have been implemented in the Tribal Areas of the State and if so how many Tribal Villages have been electrified for 1991-92 financial year ?

(b) Whether Government is aware of the load-sheding in Tangla Town Areas in between 6-C0 P.M. to 8-00 P. M. ?

(c) If so, why ?

Shri Debananda Konwar ( Minister ) replied :

(a) Yes. Electrification of Schedule Tribes, ( Plains ) villages have been included in the on-going Rural Electrification Scheme. During 1991-92 financial year 6 Nos of Schedule Tribes plains villages have been electrified upto February/92.

(b) Yes.

(c) During peak demand hour owing to shortage in generation in the State and also shortage of supply from outside agencies load sheding has sometimes been done from 6·00 P. M. to 8 00 P.M, in Tangla Town as also in some other areas elsewhere.

বিষয় ঃ বেজেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতি।

শ্ৰীগিৰেশ্বৰ ডেকা য়ে সুধিছে :

৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বেজেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিখন চৰকাৰে গঠণ কৰিছে নেকি ?

(খ) যদি কৰিছে, এই সমিতিত কোন কোন ব্যক্তিক অন্তৰ্ভুক্ত কৰা হৈছে।

(গ) সমিতিখন গঠণ কৰাৰ ক্ষেত্ৰত স্থানীয় বিধায়কৰ লগত আলোচনা কৰা হৈছিল নেকি ?

(ঘ) 'পৰিচালনা সমিতি'ৰ বিষয়ববীয়া সকলক বিশেষভাবে সভাপতি গৰাকীক কি কি যোগ্যতাৰ ভিত্তিত মনোনয়ন কৰা হৈছে ?

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক)
(খ)
(গ)
(ঘ)

তথ্য বিচৰা হৈছে। পালে সদনত দাখিল কৰা হব।

**Re : Rural Electrification Covered under T.S.P.**

Shri Kamal Brahma asked :

8. Will the Minister of Rural Electrification be pleased to state :

(a) What are the villages under T. S. P. have been covered by the scheme of Rural Electrification ? (Name of Villages may be placed on the Table of the House ).

(b) How many villages under T.S.P. would be brought under coverage of this scheme during 1991-92 ?

Shri Debananda Konwar ( Minister ) repled :

(a) The list of the villages covered under T.S.P. is

being updated and will be placed on the Table of the House shortly.

(b) 38 Nos. of villages under T.S.P. is proposed to be covered during 1991-92 under Rural Electrification.

বিষয় ঃ পাগলাদিয়া নদীৰ গড়াখহনীয়া।

শ্ৰীপানীৰাম ৰাভায়ে সুধিছে ঃ

৯। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নলবাৰী জিলাৰ বৰমা সমষ্টিৰ কদমতোলা আৰু জাৰতালুকা গাৱঁত পাগলাদিয়া নদীৰ ব্যাপক খহনীয়াৰ বিষয়ে চৰকাৰ অৱগত নে ঃ

(খ) যদি অৱগত হয়, খহনীয়া ৰোধৰ ব্যৱস্থা কেতিয়াকৈ ল'ব ?

(গ) মৰা পাগলদিয়া নদীৰ গবৰাদল গাৱঁত নিৰ্মাণ কৰা মথাউৰীৰ বাবে কিমান টকা মঞ্জুৰী পাইছিল ?

(ঘ) বৰ্ত্তমানলৈ কিমান টকাৰ কাম হৈছে ?

(ঙ) গবৰাদল গাৱঁৰপৰা দক্ষিণ ভোজকুছিলৈ মথাউৰী সম্প্ৰসাৰণৰ ব্যৱস্থা কেতিয়ালৈ ল'ব।

শ্ৰীহৰেণ ভূমিজ (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) কদমতোলাত পাগলাদিয়া নদীৰ গড়াখহনীয়াৰ পৰিস্থিতিলৈ লক্ষ্য ৰাখি কোনো আঁচনি হাতত লোৱা হোৱা নাই। কিন্তু জাৰতালুকা গাৱঁত গড়াখহনীয়াৰ পৰিপ্ৰেক্ষিতত এখন প্ৰাক্কলন যুগত কৰা হৈছে।

(গ) ৪৪·২৫ লাখ টকা।

(ঘ) চলিত বছৰৰ জানুৱাৰী মাহলৈকে এই আঁচনিৰ মাটিৰ কাম শতকৰা ৭৫ অংশ সম্পূৰ্ণ হৈছে। তাৰ বিনিময়ত ১৫·১৫ লাখ টকা আদায় দিয়া হৈছে।

(ঙ) গবৰাদল গাৱঁৰপৰা দক্ষিণ ভোজকুছিলৈ মথাউৰী সম্প্ৰসাৰণৰ কোনো ব্যৱস্থা হাতত ল'ব পৰা হোৱা নাই।

বিষয় ঃ খালী পদত নিযুক্তি।

শ্ৰীনিজামুদ্দিন খান য়ে সুধিছে ঃ

১০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাৰ দক্ষিণ পটলাবাৰী আৰু মধ্য ভোকামাৰী প্ৰাথমিক

বিদ্যালয়ৰ খালি পদত অলপতে দিয়া নিযুক্তি কি ভিত্তিত দিয়া হৈছে ?

(খ) এই সম্পৰ্কে স্থানীয় বিধায়কৰপৰা আপত্তি পাইছেনে ?

(গ) যদি পাইছে, সংশ্লিষ্ট বিষয়ত কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(ঘ) উক্ত নিযুক্তি সম্পৰ্কত তদন্ত মৰ্মে বিহিত ব্যৱস্থা ল'বনে ?

ডাঃ ভূমিধৰ বৰ্মন ( শিক্ষামন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) বৰপেটা জিলাৰ দক্ষিণ পটলাবাৰী নামৰ প্ৰাথমিক বিদ্যালয় নাই। মধ্য ভোকামাৰী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক এজনৰ ছুটীৰ খালি পদত নিযুক্তি পোৱাৰ বাবে আবেদন জনোৱা একমাত্ৰ প্ৰাৰ্থী শ্ৰী আয়নুল হক মল্লিক ২ মাহ ১৫ দিনৰ বাবে অস্থায়ীভাবে নিযুক্তি দিয়া হৈছিল।

(খ) এই সম্পৰ্কে স্থানীয় বিধায়কৰপৰা কোনো আপত্তি পোৱা নাই।

(গ) প্ৰশ্ন নুঠে।

(ঘ) আপত্তি পালে এই সম্পৰ্কে তদন্ত কৰি ব্যৱস্থা লোৱা হ'ব।

**Re : Pollution by Bongaigaon Thermal Project**

Shri Kamal Brahma asked :

11. Will the Minister of Science Technology & Environment be pleased to state :

What measures have been taken by the state Government to stop the pollution caused by Bongaigaon Thermal Projects, Salakati and Dhaligaon Oil Refinary ?

Shri Haren Bhumij (Minister) replied :

Assam Government is taking steps to control pollution in Bongaigaon Thermal Power Station, Salakati and Bongaigaon Oil Refinary at Dhaligaon to bring all the parametres within permissible limits.

**Bongaigaon Thermal Projects Station :**

1. Electro Static Precipator installed to arrest Coal dust.
2. Coal dust in slurry form pumped out in Saksaka beel by pipe line.

3. Acidic water from De-Minaralisation plant is neutralised before discharge.
4. Bongaigaon Thermal Project Station is asked to instal Stack Monitoring System for air quality monitoring which is under process.

BRPL.

1. All liquid effluents are treated in Effluent Treatment Plant before discharge.
2. Treated effluent gets analysed in Pollution Control Board's Laboratory regularly to know the quality.
3. Ambient Air Quality monitoring is done to know the air quality.

## বিষয় : বিদ্যালয় উন্নতিকৰণৰ নীতি

শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে :

১২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰপেটা জিলাৰ "নবমিলন হাইস্কুলৰ" যোৱা ৫ বছৰৰ হাইস্কুল শেষান্ত পৰীক্ষাৰ ফলাফল আৰু বৰ্তমান বিদ্যালয়খনৰ শ্ৰেণীভিত্তিক ছাত্ৰৰ সংখ্যা কিমান ?

(খ) বৰক্ষেত্ৰী সমষ্টিৰ কেইখন উচ্চ মাধ্যমিক বিদালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হ'ল আৰু এই বিদ্যালয় কেইখনৰ যোৱা পাঁচ বছৰৰ হাইস্কুল শেষান্ত পৰীক্ষাত পাছ কৰা ছাত্ৰ-ছাত্ৰীৰ শতকৰা হাৰ আৰু বিদ্যালয় কেইখনৰ শ্ৰেণীভিত্তিক ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান ?

ডাঃ ভূমিধৰ বৰ্মন ( শিক্ষামন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) সংশ্লিষ্ট বিষয়াৰ পৰা তথ্য বিচৰা হৈছে। তথ্যপাতি পালেই সদনৰ মেজত দাখিল কৰা হ'ব।

(খ) বৰক্ষেত্ৰী সমষ্টিৰ ৩ খন কৰা হৈছে। বাকীবোৰৰ বাবে তথ্য বিচৰা হৈছে।

## বিষয় : বিদ্যালয় প্ৰাদেশীকৰণ

শ্ৰীহিতেশ্বৰ ডেকায়ে সুধিছে :

১৩। মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্ত্তমান চৰকাৰে মুঠতে কিমানখন বেচৰকাৰী প্ৰাথমিক বিদ্যালয় প্ৰাদেশীকৰণ কৰিবলৈ সিদ্ধান্ত লৈছে ?

(খ) এই বিদ্যালয়সমূহ প্ৰাদেশীকৰণৰ বাবে নিৰ্বাচনৰ দায়িত্ব কাক দিয়া হৈছে ?

(গ) উক্ত প্ৰাদেশীকৰণ বিদ্যালয়সমূহত কেইটাকৈ শিক্ষকৰ পদ চৰকাৰী কৰা হ'ব ?

ডাঃ ভূমিধৰ বৰ্মন ( শিক্ষামন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) বৰ্ত্তমান চৰকাৰে প্ৰয়োজন ভিত্তিত পুঁজি সাপেক্ষে বেচৰকাৰী প্ৰাথমিক বিদ্যালয় পৰ্য্যায়ক্ৰমে প্ৰাদেশীকৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

(খ) বিভাগীয় প্ৰশাসনীয় বিষয়া কৰ্মচাৰীৰ লগতে ৰাইজৰ প্ৰতিনিধিসকলকে চয়ন প্ৰক্ৰিয়াত জড়িত কৰা হৈছে।

(গ) নীতিমতে সকলোবোৰ প্ৰাথমিক বিদ্যালয়তে কমেও দুগৰাকী শিক্ষক থাকিব লাগে, যদিও পুঁজি সাপেক্ষে সদ্যহতে এগৰাকীকৈ শিক্ষকহে লোৱাৰ ব্যৱস্থা কৰা হৈছে।

## বিষয় ঃ প্ৰাথমিক শিক্ষকৰ বৰ্খাস্ত।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে :

১৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নগাওঁ মহকুমাৰ অন্তৰ্গত কেন্দুগুৰি নিম্ন প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক শ্ৰীগোপাল চন্দ্ৰ শইকীয়াৰ চাকৰি কালতে যোৱা ২৫-৮-৮৭ ইং তাৰিখে মৃত্যু হোৱাত তেখেতৰ উপযুক্ত পুত্ৰ শ্ৰীসঞ্জীব কুমাৰ শইকীয়াই শিক্ষকৰ চাকৰিত যোগদান নকৰাৰ বিষয়ে চৰকাৰ জ্ঞাতনে ?

(খ) যদি জ্ঞাত, তেন্তে ২৭ নবেম্বৰ ১৯৯১ ইং তাৰিখেই একেজন বিভাগীয় বিষয়াৰ নিৰ্দেশত শ্ৰীসঞ্জীব কুমাৰ শইকীয়াক চাকৰিৰ পৰা বৰ্খাস্ত কৰাটো সত্যনে ?

(গ) যদি সত্য হয় একেজন বিষয়াই নিযুক্তি দি কি ভিত্তিত নিযুক্তি নাকচ কৰিলে জনাবনে ?

ডাঃ ভূমিধৰ বৰ্মন ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) হয়।

(গ) এই সংক্ৰান্তত নগাওঁৰ উপ-পৰিদৰ্শকৰ চিঠিৰ নং ই, এ, এন-২/৮৯/২/১০২৫১ তাং ১৬/১২/৯১ চিঠিৰ প্ৰতিলিপি সংলগ্ন কৰি দিয়া হল।

( See the Annexuer—IV )

বিষয় ঃ আৰবান ইণ্ডাষ্ট্ৰিয়েল কো-অপাৰেটিভ বেঙ্ক।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তয়ে সুধিছে :

১৫। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ডিব্ৰুগড় জিলাত "আৰবান ইণ্ডাষ্টিয়েল কো-অপাৰেটিভ বেঙ্ক" নামৰ এটা বেঙ্ক থকাৰ বিষয়ে চৰকাৰ জ্ঞাত নে ?

(খ) সমবায় ভিত্তিত প্ৰতিষ্ঠিত এই বেঙ্কটোৰ আৰ্থিক লেন দেনৰ ক্ষেত্ৰবোৰ গুৰুতৰ অনিয়মৰ বিষয়ে প্ৰকাশ হোৱাটো চৰকাৰৰ দৃষ্টি গোচৰ হৈছে নেকি ?

(গ) চৰকাৰৰ কোন কোন বিভাগৰ টকা জিলাৰ উপায়ুক্তক অন্য বিষয়াৰ সহযোগত এই বেঙ্কত জমা থোৱা হৈছে ?

শ্ৰীনগেন নেওগ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়, জ্ঞাত।

(খ) হয়, দৃষ্টি গোচৰ হৈছে।

(গ) এই বেঙ্কত টকা জমা থোৱা চৰকাৰৰ বিভাগ সমূহ হ'ল—

1. Project Director, D. R. D. A. , Dibrugarh.
2. project Director, I. T. D. P., Dibrugarh.
3. Additional Deputy Commissioner, Dibrugarh.
4. Secretary, Dibrugarh Mahkuma Parishad.
5. District Veterinary Officer, Dibrugarh.
6. D. F. O. Social Forestry, Dibrugarh.
7. Inspector of Schools, Dibrugarh
8. Deputy Inspector of Schools, Dibrugarh.
9. Principal, Dibrugarh Polytechnic, Lahowal.
10. District Fishery Development Officer, Dibrugarh.
11. Sub-Division Fishery Development Officer, Dibrugarh.

12. Assistant Director of Sericulture, Dibrugarh:
13. District A. H. & Veterinary Officer, Dibrugarh:
14. Sub-Divisional Welfare Officer, Dibrugarh.
15. Assistant Director, Handloom & Textiles, Dibrugarh.
16. General Manager, District Industries Centre, Dibrugarh.
17. Executive Engineer, M. I. D. C. Dibrugarh.
18. District Adult Education Officer, Dibrugarh.
19. Deputy Commissioner, Dibrugarh.
20. Superintendent of Police, Dibrugarh:
21. District Sports Officer, Dibrugarh.
22. Deputy Director, Town & Country Planning, Dibrugarh.
23. Block Development Officer, Margherita.
24. Block Development Officer, Tengakhat.
25: Block Development Officer, Sadiya
26. Divisional Officer, Eastern Assam Soil Conservation Division, Dibrugarh.

বিষয় : গাওঁ পঞ্চায়ত সমবায় সমিতি গঠন।

ডাঃ কমলা কলিতা য়ে সুধিছে :

১৬ মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ছয়গাওঁ সমষ্টিৰ চম্পক নগৰ, গবৈমাৰী, পুৱচমৰীয়া গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহ তদৰ্থ ভিত্তিত গঠন কৰা হৈছে নে ?

(খ) ছয়গাওঁ সমষ্টিৰ বিধায়কৰ ২৫/১২/৯১ তাৰিখৰ চিঠি নং এম এল এ/চি এইচ/কো-অপা/২৪ ৰ ওপৰত চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰীনগেন নেওগ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) উক্ত সমিতি কেইখনৰ তদৰ্থ সমিতি ভংগ কৰি বিভাগীয় বিষয়া নিযুক্তি দি নিৰ্বাচন পাতিবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

**Re : Industries in Tribal Areas.**

Shri parameswar Brahma asked :

17. Will the Minister of Industries be pleased to state :

(a) How many industries are there in TSP areas of the State ?

(b) What special measures has been taken for setting up of industries in tribal areas ?

Shri Bijit Saikia ( Minister ) replied :

(a) There are 1290 Registered industrial unit in SSI sector and 13 units under large and medium sector in TSP areas of the state.

(b) Industries Department has eight different schemes to encourage entrepreneurs to establish industries in SSI sector in the Tribal areas. These are as follows :

(1) Training programme, (2) Loan to SSI units (3) Loan to Handicraft units, (4) Seed/Margin money loan EMTC., (5) Supply of improved tools, (6) Promotional schemes under Handicrafts, (7) Subsidy as per Industrial Policy, and (8) 50% Capital Investment Subsidy subject to a maximum of Rs. 1.00 lakhs to the units established by Tribal entrepreneurs.

**Re : Divisions of Flood Control.**

Shri Parameswar Brahma asked :

18. Will the Minister, Flood Control be pleased to state :

(a) How many divisions of Flood Control Department are there in the State ?

(b) What is the allocations of fund to these divisions during 1991-92. ?

(c) What amount has been alloted to Goalpara Divisions and Kokrajhar Divisions for the year 1989-90 & 1990-91 ?

Sri Haren Bhumij ( Minister ) replied :

(a) There are 32 (thirty two) working divisions in Flood Control Department in the State at present.

(b) Divisionwise allocation of fund is indicated at annexure I and II.

( See the Annexure—V & VI )

(c) Allocation of fund under various heads i.e.4711 C.L.A. 4711 State plan, 2711 Non-plan and 2245 relief to Goalpara and Kokrajhar Divisions are as follows :

| | 1989-90 | 1991-92 (upto Dec. /91). |
|---|---|---|
| Goalpara E & D Divisions. | Rs. 152·417 Lakh (including L.A.) | Rs. 187·39 Lakh (including L.A.) |
| Kokrajar E & D Divisions. | Rs. 178·495 Lakh (including L.A.) | Rs. 108·385 Lakh |

**Re : Electrification in Kokrajhar District.**

Shri Parameswar Brahma asked :

19. Will the Minister of Power & Rural Electrification be pleased to state :

(a) What measures has been taken to complete-incomplete Rural Electrification Schemes in the state ?

(b) What is the target of Rural Electrification in the Kokrajhar District. ?

(c) What measures have been taken to revive the demaged schemes if there be any in the Kokrajhar District ?

Shri Debananda Konwar (Minister) replied :

(a) Action has been initiated for closure of schemes of certain already electrified villages and for preparation of new schemes for intensification of electricity supply to cater to the local demand.

(b) A target for electrification of 18 villages has been taken up for the year 1991-92 in the Kokrajhar District.

(c) There is no damaged scheme as such. However, steps have been taken for repairing the damages in distribution lines and Sub-Stations, wherever necessary.

**Re : Post of L.P. School teacher.**

Shri Monsing Rongpi, asked :

20. Will the Minister of Education be pleased to state :

(a) How many posts of L.P. Teachers have been sanctioned to the Karbi Anglong and N.C. Hills Districts Council since 1988 ? ( Year-wise figure may be furnished )

(b) How many posts of L. P. Teacher have been sanctioned in other districts during the same period ?

(c) The amount of arrear for payment of L.P. Teachers salary to be given to the Karbi Anglong and N.C. Hills District Council and the steps taken by the Government in this regard ?

(d) Who is the appointing authority of L. P. Teacher in the Sixth Schedule Areas ?

Dr. Bhumidhar Barman ( Minister ) replied :

(a)
(b)
(c)
(d)

Information is being collected and will be placed in the House as soon as available.

**Re : Venture College.**

Shri Monsing Rongpi asked :

21. Will the Minister, Education be pleased to state :

(a) The number of Venture Colleges in Karbi Anglong and N.C. Hills District ?

(b) The amount sanctioned as grant-in-aid to each of the above Venture Colleges by the Government and District Council authority since 1987 ? (Year-wise figures may be furnished).

(c) Is there any plan under the Government to provincialise all the Venture Colleges of the said Hill Districts ?

Dr. Bhumidhar Barman ( Minister ) replied :

(a) There are four Venture Colleges in the Hill Districts.

(b) Ad-hoc grants and Non Recurring grants sanctioned by the State Government of Assam are as follows :

| Name of Colleges | 87-88 | 88-89 | 89-90 | 90-91 |
|---|---|---|---|---|
| 1. Thongnokbe College, Karbi Anglong District. | | | | |
| Ad-hoc grant : | 60,000/- | 72,000/- | 1,20,000/- | 1,20,000/- |
| Non Recurring grant. : | — | 98,000/- | — | 1,50,000/- |

| Name of Colleges | 87-88 | 88-89 | 89-90 | 90 91 |
|---|---|---|---|---|
| 2. Rangsinga College, Karbi Anglong District. | | | | |
| Ad-hoc grant : | 60,000/- | 72 000/- | 1,20,000/- | 1,20,000/- |
| Non Recurring : grant. | — | 60,000/- | 20,000/- | 1,50,000/- |
| 3. Diphu Law College, Karbi Anglong District. | | | | |
| Ad-hoc grant : | 60,000/- | 60,000/- | 72,000/- | 72,000/- |
| Non Recurring : grant. | 70,000/- | — | — | 50,000/- |
| 4. J B. H. M. College, N.C. Hills District. | | | | |
| Ad-hoc grant : | — | — | — | — |
| Non Recurring : grant. | — | — | — | 65,000/- |

Information from the District Council authorities are awaited.

(c) At present there is no proposal to provincialise the above mentioned colleges of Hills Districts during 1991-92.

**Re : Land and Property Damaged by Dhansiri River.**

Shri Monsing Rongpi asked :

22. Will the Minister of Flood Control be pleased to state :

(a) The area of land and amount of property damaged by river Dhansiri in Karbi Anglong District ?

(b) How many people were effected by Dhansiri river inside Karbi anglong District since 1980 ?

(c) Is there any proposal submitted by any agency to control the Dhansiri river and if so when the work is going to be started ? (Please state the name of the agency)

শ্ৰীহৰেণ ভূমিজ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) মাটি-বাৰী আৰু সা-সম্পত্তিৰ ক্ষয়-ক্ষতিৰ তথ্য ৰাজহ বিভাগে ৰাখে ৰাজহ বিভাগৰ হাতত এই তথ্য নাই বুলি জনাইছে।

(খ) ৰাজহ বিভাগৰ পৰা পোৱা নগল।

(গ) অসম চৰকাৰে ধনশিৰী নৈৰ গড়াখহনীয়া প্ৰতিৰোধৰ বাবে আঁচনি যুগুতাইছে। প্ৰয়োজনীয় পুঁজিৰ যোগান হ'লে কাম কৰিব পৰা হ'ব।

**Re : Agitation by Students of Diphu Government College.**

Shri Monsing Rongpi asked :

23. Will the Minister, Education be pleased to state :

(a) Is the Government aware of the agitation being carried out by the students of Diphu Government College ?

(b) If so, what are the demands and what steps the Government had taken to fulfil the demands ?

(c) How much fund has been allocated to each of the Government Colleges of Assam since 1985 under the following heads :

(1) Excursion (2) Sports (3) Union fund ? ( State yearwise allocation )

(d) What is the position of teaching and non-teaching Staff in the Government Colleges of the state ? (Departmentwise figures alongwith vacancy position may please be given and copy be placed on the Table of the House)

Dr. Bhumidhar Barman (Minister) replied :

(a) Yes.

(b) The details of demands and steps taken by Government for fulfilling these demands are shown at Annexure—VII.

(c) Information are furnished at Annexure—VIII.

(d) A copy showing the position of staff is placed at Annexure—IX.

### বিষয় : উপৰহালী হাইস্কুলৰ শিক্ষক।

শ্ৰীযতীন মালীয়ে সুধিছে :

২৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) হাইস্কুলৰ পৰিচালনা সমিতি গঠনৰ চৰকাৰৰ বৰ্ত্তমান নিয়ম কি ?

(খ) শ্ৰীঅখিল দাস নামৰ সহকাৰী শিক্ষক এগৰাকী উপৰহালী হাইস্কুলত বৰ্তমানো শিক্ষকতা কৰি আছেনে ?

(গ) যদি আছে, তেওঁক পলাশবাৰী বয়জ হাইস্কুলৰ পৰিচালনা সমিতিৰ সভাপতি হিচাবে দায়িত্ব দিয়াতো সচানে ?

ডাঃ ভূমিধৰ বৰ্মন (শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) তথ্য বিচৰা হৈছে। পাছে বিধিসন্মত ব্যৱস্থা লোৱা হ'ব।

(খ) ঐ

(গ) প্ৰশ্ন নুঠে।

### বিষয় : এম, ই, স্কুল প্ৰাদেশীকৰণ।

শ্ৰীযতীন মালীয়ে সুধিছে :

২৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্তমানলৈ চৰকাৰে কিমানখন এম, ই, স্কুল প্ৰাদেশীকৰণ কৰিলে ? (সমষ্টি ভিত্তিত প্ৰাদেশীকৰণ কৰা স্কুলৰ তালিকা দিব)

(খ) পলাশবাৰী সমষ্টিৰ কিমানখন এম, ই, স্কুল প্ৰাদেশীকৰণ কৰিলে ?

(গ) উক্ত স্কুলসমূহ প্ৰাদেশীকৰণ কৰাৰ ক্ষেত্ৰত কি কি ভিত্তি লোৱা হৈছে ?

ডা: ভূমিধৰ বৰ্মন (শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে:

(ক) বৰ্তমানে প্ৰাদেশীকৰণ কৰা মধ্য ইংৰাজী মজলীয়া বিদ্যালয়ৰ সংখ্যা ১,২৫৫ খন। সমষ্টি ভিত্তিত এই মজলীয়া স্কুলৰ তালিকা কৰা হোৱা নাই।

(খ) সমষ্টি ভিত্তিত বিদ্যালয় প্ৰাদেশীকৰণ কৰা হোৱা নাই।

(গ) সাধাৰণতে স্বীকৃতিৰ জ্যেষ্ঠতাৰ ভিত্তিত কৰা হৈছে।

## বিষয়: শিক্ষক নিলম্বিত।

শ্ৰীযতীন মালীয়ে সুধিছে:

২৬. মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) মিৰ্জা ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক গৰাকী যোৱা ১৯৯০ চনৰ শেষৰ ফালে নিলম্বিত হৈছিল নেকি?

(খ) যদি হৈছিল, কি কাৰণত?

(গ) বৰ্তমান তেওঁ প্ৰধান শিক্ষক হিচাবে কাৰ্যনিৰ্বাহক কৰি আছেনে আৰু যদি আছে, কেনেকৈ?

(ঘ) নিলম্বিতকৰণ প্ৰত্যাহাৰ কৰা হৈছেনে?

ডা: ভূমিধৰ বৰ্মন (শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে:

(ক) হয়, নিলম্বিত কৰা হৈছিল।

(খ) কিছুমান অভিযোগৰ ভিত্তিত তেতিয়াৰ শিক্ষামন্ত্ৰী মহোদয়ৰ নিৰ্দেশত।

(গ) হয় আছে, পুনৰ স্বপদাভিষিক্ত কৰা হৈছে।

(ঘ) হয়।

## বিষয়: ট্ৰেন্সফৰ্মাৰৰ অভাৱ।

শ্ৰীযতীন মালীয়ে সুধিছে:

২৭. মাননীয় শক্তি আৰু বিদ্যুৎ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) পলাশবাৰী সমষ্টিত কিমানখন গাৱত ট্ৰেন্সফৰমাৰৰ অভাৱত বিজুলী বাতি থাকিও জনসাধাৰণ আন্ধাৰত থাকিব লগীয়া হৈছে?

(খ) বেয়া হোৱা ট্ৰেন্সফৰমাৰবোৰ সোনকালে সলনি কৰাৰ ব্যৱস্থা কৰি নতুন দিয়াৰ দিহা কৰিবনে?

(গ) যদি কৰে, কেতিয়া কৰিব?

শ্ৰীদেৱানন্দ কোঁৱৰ (মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) পলাশবাৰী গাওঁৰ অন্তৰ্গত ৬ (ছয়) খন গাৰত।

(খ) ব্যৱস্থা লোৱা হৈছে।

(গ) অতি সোনকালে কৰা হ'ব।

## বিষয় : অশোক কাগজ কল।

শ্ৰীচন্দন কুমাৰ সৰকাৰে সুধিছে :

২৮। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) দক্ষিণ অভয়াপুৰী বিধান সভা সমষ্টিত বন্ধ হৈ থকা অশোক কাগজ কলটো কেতিয়া পুনৰ খোলা হ'ব ?

(খ) অশোক কাগজ কলত বৰ্তমান কিমান কৰ্মচাৰী চৰকাৰৰ দৰমহা লৈ আছে আৰু তাৰ বাবে মাহে কিমান টকাৰ আৱশ্যক হয় ?

(গ) ১৯৮৫ চনৰ পৰা আজিলৈকে অশোক কাগজ কলত কিমান পৰিমানৰ আৰু কিমান টকাৰ মেচিন, লোহা ইত্যাদি চুৰ হৈছে আৰু কিমানটা গোচৰ থানাত বিভাগীয় কৰ্তৃপক্ষই দিছে ?

(ঘ) কাগজ কলটো ব্যক্তিগত কোম্পানীক দিয়া কিবা প্ৰস্তাৱ আছে নেকি ?

শ্ৰীবিজিৎ শইকীয়া (মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) অশোক কাগজ কলৰ যোগীঘোপা গোটটো অতিশীঘ্ৰে পুনৰজ্জীৱিত কৰাৰ কাৰণে ৰাজ্যিক চৰকাৰে সকলো চেষ্টা চলাই আছে, কেতিয়া পুনৰ খোলা হ'ব এতিয়াই ক'ব পৰা নাযায়।

(খ) অশোক কাগজ কলত বৰ্তমান ৪৩০ জন কৰ্মচাৰীয়ে দৰমহা লৈ আছে আৰু তাৰ বাবে মাহে প্ৰায় ৮ লাখ টকা আৱশ্যক হয়।

(গ) অশোক কাগজ কলৰ পৰা পোৱা প্ৰতিবেদন মতে ১৯৮৫ চনৰপৰা আজিলৈকে কলটোত মুঠ ৮৬,৯৭৫.০০ টকাৰ মেচিন, লোহা ইত্যাদিৰ সামগ্ৰী চুৰি হৈছে। প্ৰত্যেকটো চুৰিৰ বাবে বেলেগে বেলেগে যোগীঘোপা আৰক্ষী চকীত গোচৰ দিয়া হৈছে।

(ঘ) হয়। অশোক কাগজ কলৰ কাম পুনৰ আৰম্ভ কৰাৰ কাৰণে ব্যক্তিগত খণ্ডৰ কোম্পানীৰ সহায়কে ধৰি সকলো সম্ভৱপৰ উপায় চৰকাৰৰ বিবেচনাধীন হৈ আছে।

## বিষয়ঃ গড়াখহনীয়াৰ অৰ্থ মঞ্জুৰী।

শ্ৰীচন্দন কুমাৰ সৰকাৰে সুধিছে :

২৯। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) উত্তৰ শালমাৰা মহকুমা এলেকাৰ নাম্বাৰপাৰা, গোলচপাৰা, চাবলো, শেলিমাৰী, লেংটিচিঙা, তুমেৰগুৰি, মোৰৰচৰ গাওঁসমূহত পোকালগা নদীৰ গড়াখহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ মথাউৰী, বান্ধ দিয়াৰ বাবে চৰকাৰে অৰ্থ মঞ্জুৰী দিছে নেকি ?

শ্ৰীহৰেণ ভূমিজ (মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) উত্তৰ শালমাৰা মহকুমাৰ উক্ত গাওঁবোৰত মথাউৰী আৰু গড়াখহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ এতিয়ালৈকে অৰ্থ মঞ্জুৰী দিয়া হোৱা নাই।

## বিষয় ঃ অধ্যক্ষ নিলম্বিত।

ডাঃ কমলা কলিতাই সুধিছে :

৩০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ছয়গাওঁ মহাবিদ্যালয়ৰ বৰ্তমান অধ্যক্ষজন নিলম্বিত হৈ থকাটো চৰকাৰে জানেনে ?

(খ) উক্ত অধ্যক্ষ গৰাকীক পৰিচালনা সমিতিয়ে অব্যাহতিৰ প্ৰস্তাৱ পঠোৱাত উচ্চ শিক্ষাধিকৰ্ত্তাই অনুমোদন জনোৱা কথাটো সত্য নে ?

ডাঃ ভূমিধৰ বৰ্মন (শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) হয়, জানে।

(খ) হয়, সত্য।

## বিষয় ঃ মহাবিদ্যালয় নিৰ্মাণ।

শ্ৰীনগেন শৰ্মাই সুধিছে :

৩১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নলবাৰীত স্থাপন কৰিবলগীয়া যন্ত্ৰ প্ৰযুক্তি স্নাতক মহাবিদ্যালয়খন ১৯৯১-৯২ চনৰ পৰা নিৰ্মাণৰ কাম আৰম্ভ কৰিবনে ?

(খ) ১৯৯০-৯১ চনতে উক্ত মহাবিদ্যালয়খন নিৰ্মাণৰ বাবে ১৩০ লাখ টকা বাৰ্ষিক পৰিকল্পনাত অন্তৰ্ভুক্ত কৰাৰ কথা জানেনে ?

ডাঃ ভূমিধৰ বৰ্মন (শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ১৯৯১-৯২ চনৰ পৰা নিৰ্মাণৰ কাম আৰম্ভ কৰাৰ প্ৰস্তাৱ চৰকাৰৰ ওচৰত নাই।

(খ) এই সম্পৰ্কত বাৰ্ষিক পৰিকল্পনা শিতানৰ কোনো বিত্তীয় বছৰতে ধন ধাৰ্য্য কৰা হোৱা নাই।

## বিষয় :-ছয়গাওঁ মহাবিদ্যালয়ত নিযুক্তি আদায়।

ডাঃ কমলা কলিতাই সুধিছে :

৩২। মাননীয় শিক্ষাবিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ছয়গাওঁ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ প্ৰবক্তা এগৰাকী আৰু গ্ৰন্থাগাৰিকা গৰাকীয়ে তেওঁলোকৰ শিক্ষাগত অৰ্হতাৰ ভুল নম্বৰ তালিকা দাখিল কৰি কৌশলেৰে নিযুক্তি আদায় কৰাটো জানেনে ?

(খ) যদি জানে, তেওঁলোকৰ বিৰুদ্ধে যথাবিহিত শাস্তিমূলক ব্যৱস্থা লোৱা হৈছেনে ?

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, জানো।

(খ) হয়, ব্যৱস্থা লোৱা হৈছে।

## বিষয় : গ্ৰাম্য বৈদ্যুতিকৰণ ।

শ্ৰীজয় নাথ শৰ্মায়ে সুধিছে :

৩৩। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ছিপাঝাৰ সমষ্টিৰ অন্তৰ্গত কোন কোন গাৱঁত ইতিমধ্যে গ্ৰাম্য বৈদ্যুতিকৰণ সম্পূৰ্ণ হৈছে। কোন কোন গাৱঁত বৈদ্যুতিকৰণ অসম্পূৰ্ণ হৈ আছে আৰু কোন কোন গাৱঁত বৈদ্যুতিকৰণ একেবাৰে হোৱা নাই ?

(খ) দৰং জিলাত ১৯৯০-৯১, আৰু ১৯৯১-৯২ চনত বৈদ্যুতিকৰণৰ (গ্ৰাম্য) বাবদ কিমান টকা ব্যয় কৰা হ'ল আৰু উক্ত টকা ক'ত কেনেকৈ ব্যৱহৃত হৈছে ?

(গ) মঙ্গলদৈ মহকুমাৰ অন্তৰ্গত কুকুৱা, যোজোৱা আৰু বনমোজা গাওঁ পঞ্চায়তৰ অন্তৰ্গত গাওঁবোৰতে ১৯৯১-৯২ চনত কিমান বৈদ্যুতিক

শক্তি যোগান ধৰা হৈছে আৰু কুৰুৱাত সৰ্বমুঠ কিমান দিন ১৯৯১-৯২ চনৰ ভিতৰত লাইট জ্বলিছে ?

শ্ৰীদেবানন্দ কোঁৱৰ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) মঙ্গলদৈ আৰু কলাইগাওঁ থানাৰ অন্তৰ্গত গ্ৰাম্য বৈদ্যুতিকৰণ নিগমৰ নিয়ম অনুসৰি মুঠ ১৮৯ খন গাৱত বৈদ্যুতিকৰণ কৰা হৈছে । বৰ্ত্তমানলৈকে বৈদ্যুতিকৰণ নোহোৱা গাওঁ সমূহৰ তালিকা 'খ'ত দেখুওৱা হৈছে ।

( See the Annexure—X )

(খ) দৰং জিলাত ১৯৯০-৯১ আৰু ১৯৯১-৯২ চনত গ্ৰাম্য বৈদ্যুতিকৰণৰ বাবদ যথাক্ৰমে ৫২.৮১ লাখ আৰু ৭.০১ লাখ টকা মূল্যৰ বিভিন্ন শিতানত খৰছ তথা ব্যৱহাৰ কৰা হৈছে ।

(গ) কোন গাৱলৈ কিমান বিজুলী শক্তি যোগান ধৰা হয় তাক নিৰ্দ্ধাৰণ কৰিবলৈ কোনো গাওঁভিত্তিক মাপযন্ত্ৰ ব্যৱহাৰ কৰা পদ্ধতি বিদ্যুৎ পৰিষদত এতিয়ালৈকে প্ৰৱৰ্ত্তন কৰা হোৱা নাই । সেয়েহে কুৰুৱা, যোজোৰা আৰু বনমজা গাওঁ পঞ্চায়তৰ অন্তৰ্গত গাওঁ সমূহত কিমান বিজুলী শক্তি যোগান ধৰা হৈছে তাক উল্লেখ কৰাটো সম্ভৱপৰ নহয় ।

কুৰুৱা অঞ্চলত যোগান ধৰা বৈদ্যুতিক তাঁৰসমূহ চুৰি হোৱাৰ কাৰণে উক্ত অঞ্চলত বিদ্যুৎ শক্তি যোগান ধৰা সম্ভৱপৰ হোৱা নাই । তথাপিও ৰাজহুৱা স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি বিজুলী যোগান ধৰাৰ বিষয়টো বিবেচনা কৰা হৈছে ।

## বিষয় : মঙ্গলদৈ শিক্ষা উপদেষ্টা পৰিষদ ।

শ্ৰীজয় নাথ শৰ্মাই সুধিছে :

৩৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) মঙ্গলদৈ মহকুমা শিক্ষা উপদেষ্টা পৰিষদ এবাৰ গঠন কৰি উক্ত পৰিষদ পুনৰ গঠন কৰাটো সঁচানে ?

(খ) যদি সঁচা, তেন্তে ইয়াৰ কাৰণ কি ?

(গ) উক্ত পৰিষদত এগৰাকী মন্ত্ৰীৰ গিৰিয়েক, এজন এম, পিৰ ভায়েক আৰু যোৱা নিৰ্বাচনত পৰাজিত হোৱা দুজন লোকক সদস্য হিচাবে নিযুক্তি দিয়া সঁচানে ?

(ঘ) যদি সঁচা, কিহৰ ভিত্তিত তেওঁলোকক নিযুক্তি দিয়া হৈছে ?

(ঙ) উক্ত পৰিষদৰ এতিয়ালৈকে কেইবাৰ বৈঠক অনুষ্ঠিত হৈছে আৰু উক্ত বৈঠক সমূহৰ কাৰ্য্য বিৱৰণী সদনৰ মেজত উত্থাপন কৰিবনে ?

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সঁচা ।

(খ) ৰাজহুৱা স্বাৰ্থৰ খাতিৰত প্ৰয়োজন সাপেক্ষে কৰা হৈছে ।

(গ) সঁচা ।

(ঘ) যোগ্যতাৰ ভিত্তিত ।

(ঙ) পৰিষদৰ বৈঠক ৬ বাৰ অনুষ্ঠিত হৈছে আৰু উক্ত বৈঠকৰ কাৰ্য্য বিৱৰণী সমূহ ইয়াৰ লগত দিয়া হ'ল ।

(See the Annexure—XI)

**Re : Protection of South Salmara.**

Dewan Joynal Abedin asked :

35. Will the Minister, Flood Control be pleased to state :

(a) What measures have been taken by the Government to protect South Salmara, Fakirganj Bazar and other adjoining areas from the devastating erosion of the Brahmaputra river this year ?

(b) What steps have been taken by the Government to rehabilitate about ten thousand (10,000) families of South Salmara area who were renderd homeless and landless by the erosion of the Brahmaputra last year ?

শ্ৰীহৰেণ ভূমিজ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) দক্ষিণ শালমৰা ফকিৰগঞ্জ বজাৰ আৰু ইয়াৰ ওচৰৰ অন্য ঠাইবোৰৰ ধ্বংসাত্মক খহনীয়াৰ পৰা ৰক্ষণা-বেক্ষণৰ কাৰণে এই বছৰ কোনো কাৰ্য্যকৰী ব্যৱস্থা হাতত লোৱা হোৱা নাই ।

(খ) বস্তি অঞ্চলত খহনীয়াই উটুৱাই নিয়া ২৩ টি পৰিয়ালক আইৰণ জংলা চৰত সংস্থাপন দিয়া হৈছে আৰু ধুবুৰী উপায়ুক্তক ইতিমধ্যে ৭৫ লাখ টকা পুনৰ সংস্থাপনৰ বাবে দিয়া হৈছে ।

### বিষয় : বিজ্ঞান শিক্ষাৰ বাবে আবেদন।

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

৩৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) এম, ই, স্কুল, মাদ্ৰাছাৰ কাৰণে অংকসহ বিজ্ঞানৰ স্নাতক প্ৰাৰ্থীৰ পৰা বিজ্ঞান শিক্ষকৰ বাবে আবেদন বিচাৰি বিজ্ঞাপন দিয়া কথাটো সঁচানে ?

(খ) যদি সঁচা, বিভিন্ন জিলাত এই ঘোষিত নীতি মানি প্ৰাৰ্থী তালিকা প্ৰস্তুত কৰা হৈছে নে ?

(গ) এই নিযুক্তিৰ ক্ষেত্ৰত চাকৰি নথকা পৰিয়ালৰ পৰা আৰু বেছি বয়সিয়াল প্ৰাৰ্থীক অগ্ৰাধিকাৰৰ চৰকাৰী ঘোষণা আছে নে ?

(ঘ) সৰুক্ষেত্ৰী বিধান সভা সমষ্টিৰ উক্ত পদৰ প্ৰাৰ্থীৰ তালিকা চৰকাৰী ঘোষণা ভিত্তিত কৰা হৈছিল নে ?

(ঙ) যদি হোৱা নাই, তদন্ত কৰি বিহিত ব্যৱস্থা কৰিব নে ?

ডাঃ ভুমিধৰ বৰ্মন (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সঁচা।

(খ) নিৰ্দেশ দিয়া হৈছে।

(গ) সকলো নিযুক্তিৰ ক্ষেত্ৰতেই আছে।

(ঘ) এই ক্ষেত্ৰত সমষ্টি ভিত্তিত প্ৰাৰ্থী বাচনিৰ নিৰ্দ্দেশ নাই।

(ঙ) প্ৰশ্ন নুঠে।

### বিষয় : এম, ই, মাদ্ৰাছা প্ৰাদেশীকৰণ।

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

৩৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্তমান চৰকাৰৰ দিনত এতিয়ালৈকে কিমান মাদ্ৰাছা প্ৰাদেশীকৰণ কৰা হৈছে ?

(খ) প্ৰাদেশীকৰণৰ ভিত্তি কি লোৱা হৈছে ?

(গ) বিভাগীয় কৰ্তৃপক্ষৰ অনুমতি আৰু স্বীকৃতিক ভিত্তি হিচাবে গণ্য কৰা হয় নে ?

(ঘ) যদি হয়, প্ৰাদেশীকৰণৰ ক্ষেত্ৰত ৰাজ্যখনত এই বিধি নিয়ম মানি লোৱা হৈছে নে?

(ঙ) শেষ কোন চনলৈ স্বীকৃতি প্ৰাপ্ত স্কুল/মাদ্ৰাছা প্ৰাদেশীকৰণ কৰা হৈছে?

(চ) ১৯৮৪ চনৰ পৰা ১৯৯১ চনলৈ কোন চনৰ কিমান স্কুল/মাদ্ৰাছা আছে আৰু কোন চনৰ কিমান প্ৰাদেশীকৰণ কৰা হ'ল?

( বিধান সভা সমষ্টি ভিত্তিত জনাব )

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ২২৩ খন।

(খ) স্বীকৃতিৰ জ্যেষ্ঠতা।

(গ) হয়।

(ঘ) হৈছে।

(ঙ) প্ৰাদেশীকৰণৰ চন এনে ধৰনৰ—

১। স্কুল/মাদ্ৰাছা সমূহ

সাধাৰণ এলেকা

| | |
|---|---|
| টি, এচ, পি<br>এচ, চি, পি | ১৯৮৯ চনলৈ |

| | |
|---|---|
| ২। চাহ-বাগিছা<br>সীমান্তবৰ্তী এলেকা | ১৯৯১ চনলৈ |

প্ৰাপ্ত তথ্য অনুসাৰে

(চ) ১৯৮৪ চনৰ পৰা ১৯৯১ চনলৈ বিভাগীয় স্বীকৃতি প্ৰাপ্ত স্কুল/মাদ্ৰাছাৰ মুঠ সংখ্যা ও প্ৰাদেশীকৰণৰ সংখ্যা এনে ধৰণৰ—

| | প্ৰাদেশীকৰণৰ সংখ্যা |
|---|---|
| স্কুল—১১৫৩ খন | ১০৩২ |
| মাদ্ৰাছা— ২৭৮ খন | ২২৩ |
| মুঠ—১৪৩১ | ১২৫৫ |

Yearwise Break-up of Recognised Schools and Madrassa and already provincialised is enclosed —Annexure —(A)

( See the Annexure—XII )

উল্লেখ থাকে যে, বিধান সভাৰ সমষ্টিক ভিত্তি হিচাবে লৈ স্কুলক স্বীকৃতি বা প্ৰাদেশীকৰণ কৰা নহয়।

**Re : Appointment of L. P. and M. E. Teachers.**

Shri Karendra Basumatary asked :

38. Will the Minister of Education be pleased to state :

(a) How many candidates for the post of L. P. and M. E. Schools teachers have so far been appointed as per policy of the present State Government ?

(b) The number of posts in ST; SC, OBC and General category respectively ?

(c) Whether teachers have been appointed in the newly created Higher Secondary Schools of the State ?

Dr. Bhumidhar Barman (Minister) replied :

(a)
(b)
(c) Materials are being collected from the District Officers. This question will be replied in the next Assembly Session.

**Re : Large/Small Scale Industries.**

Shri Karendra Basumatary asked :

39. Will the Minister of Industries be pleased to state :

(a) Whether the Government has a policy to establish Small and large Industrial projects in the State during the Financial year, 1991-92 ?

(b) If so, where these projects will be opened and whether any such Industries have been selected to be established in Tribal Areas ?

Shri Bijit Saikia (Minister) replied :

(a) The Government Industrial policy is to act as a catalyst for establishment of small and large industrial project in the State through implementation of various promotional and developmental schemes

such as creation of industrial infrastructure & provision of a number of incentives.

(b) For Tribal Areas, apart from the developmental and promotional schemes referred to above, the Government is taking initiative to promote limestone-based industries in North Cachar Hills.

### বিষয় ঃ ঘাটি মঞ্জুৰী।

শ্ৰীহিতেশ্বৰ ডেকাই সুধিছে :

৪০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম চৰকাৰে নতুনকৈ বেচৰকাৰী মহাবিদ্যালয়ক 'ঘাটি মঞ্জুৰী প্ৰদান' কৰিব নেকি ?

(খ) যদি কৰে, কিমানখন মহাবিদ্যালয়ক ঘাটি মঞ্জুৰী প্ৰদান কৰা হ'ব আৰু কেতিয়া এনে মঞ্জুৰী প্ৰাপ্ত মহাবিদ্যালয়ৰ তালিকা প্ৰকাশ কৰা হ'ব ?

(গ) কামৰূপ জিলাৰ "পুঠিমাৰী মহাবিদ্যালয়" খনক ঘাটি মঞ্জুৰী প্ৰদান কৰা হ'বনে ?

(ঘ) চলিত শৈক্ষিক বৰ্ষত কিমানখন "কনিষ্ঠ মহাবিদ্যালয়" উচ্চ আঁচনিত লোৱা হ'ব আৰু এই তালিকা কি নীতিৰ আধাৰত কৰা হ'ব ?

ডাঃ ভূমিধৰ বৰ্মন (শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক)
(খ)
(গ)
(ঘ) } চৰকাৰৰ বিবেচনাধীন হৈ আছে।

### Re: Provincialising of Schools.

Dewan Joynal Abedin asked :

41. Will the Minister of Education be pleased to state :

(a) Whether it is a fact that the Government is provincialising some High, Middle and Lower Primary Schools ?

(b) What is the criteria for selection of schools for such provincialisation ?

(c) Whether Statewise seniority of the date of establishment of the schools has been regarded as a basis for the selection ?

(d) Whether it is a fact that some district are having a huge backlog of Venture L. P. Schools compared to some other districts ?

Dr. Bhumidhar Barman (Minister) replied :

(a) Yes.

(b) The eriteria for provincialisation are as follows :

For High/High Madrassa : Seniority in recognition by SEBA.

For Middle Schools : Seniority in recognition.

For Venture L. P. Schools : Seniority and Necessity.

(c) No.

(d) No such up-to-date report is available with the Government so far.

## POINT OF ORDER

* শ্ৰীপ্ৰমোদ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি আমাৰ মুখ্যমন্ত্ৰীয়ে এটা উত্তৰ দিছিল। মুখ্যমন্ত্ৰীৰ উত্তৰত তেখেতে যিবিলাক তথ্য সদনক দিছিল, পুলিচৰ লাঠি চালনা সম্পৰ্কে মই তাৰ ওপৰত দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। ৰুলছ ২৯৫ত কোৱা হৈছে— "Answer to a question or during debates, a Minister discloses the advice or opinion given to him by any officer of the Government or by any other person or authority, he shall ordinarily lay the relevant

* Speech not corrected.

document or parts of document containing that opinion or advice, or a summary thereof on the Table."

অধ্যক্ষ মহোদয়, কালি মুখ্যমন্ত্ৰীয়ে যিটো ৰিপোৰ্ট পাঠ কৰিছিল সেইটোত তেখেতক গৃহ বিভাগৰ বা তেখেতৰ যিসকল বিশ্বস্ত বিষয়াই দিছিল সেইটো দেখা গৈছে তথ্যভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত নহয়। মাননীয় অধ্যক্ষ ডাঙৰীয়া, এটা কথা জানো যে সদনত ভুল তথ্য দিয়াটো অন্যায় আৰু কোনোবাই যদি ভুল তথ্য দি সদনক বিপথে পৰিচালনা কৰিবলৈ চেষ্টা কৰে সেই বিষয়া বা মন্ত্ৰীৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লব পাৰে। এনেকুৱা ঘটনা সদনত ঘটিছে। আজি মুখ্যমন্ত্ৰী সদনত নাই। অধ্যক্ষ মহোদয়ে, ১৯৬৭ চনত ২ জন মন্ত্ৰীয়ে পদত্যাগ কৰিবলগা হৈছিল সদনক ভুল তথ্য দিয়াৰ কাৰণে, অধ্যক্ষৰ নিৰ্দ্দেশমতে দুয়োজনে পদত্যাগ কৰিব লগা হয়। মই তেখেতসকলৰ নাম কব নোৱাৰো। যোৱা কালিৰ কথাটো কাগজ পত্ৰই ওলাইছে 'চেন্টিনেল' কাগজতো দিছে। তাত কোৱা হৈছে যে "The Chief Minister Shri Hiteswar Saikia in his reply said that the police resorted to lathi charge when demonstrators lead by Shri Promode Gogoi, Shri Allauddin Sarkar and Shri Dhireswar Kalita and other who break the first police condon and proceeded to break the second violating Sec. 144" অধ্যক্ষ ডাঙৰীয়া ২টা পইন্ট আছে। এই সদনক চৰকাৰে কেনেকৈ বিপথে পৰিচালনা কৰিবলৈ বিচাৰিছে। চৰকাৰৰ সুবিধা আছে। তেখেতসকলক তেল দিয়া কিছুমান মানুহ আছে। মিঠাতেলৰ কম দাম নহয়। মিঠা তেলৰ দাম বহুত বেছি হৈছে। কালি তেখেতে ৩ জনৰ নাম কৈছে। অধ্যক্ষ মহোদয়, আপুনি শুনি আচৰিত হব মুখ্যমন্ত্ৰীয়ে ভুল তথ্য দি সদনক বিপথে পৰিচালিত কৰাৰ চেষ্টা কৰিছে। ধীৰেশ্বৰ কলিতা নাছিল কিন্তু "ষ্টেটমেন্টত" ধীৰেশ্বৰ কলিতা বুলি "ৰেকৰ্ড" হৈছে। ধীৰেশ্বৰ কলিতা শোভাযাত্ৰাত অহা নাছিল। সেই কাৰণে কোন পুলিচ বিষয়াই এই ৰিপোৰ্ট দিছিল। মই কাগজৰমতে কৈছো। তেতিয়া পুলিচ কৰ্দ'ন ক'ত আছিল। তাত আছিল নে নাই? সেই কাৰণে কালি যিটো ৰায় দিছে তাৰ কাৰণে মই ধন্যবাদ জনাইছো। আমাৰ গণতান্ত্ৰিক যিটো পৰম্পৰা সমৃদ্ধ কৰাৰৰ কাৰণে যিটো ৰায় বা নিৰ্দ্দেশ দিছে ভৱিষ্যতে কোনো পুলিচে বিধায়ক বা ভুতপূৰ্ব বিধায়ক সকলক গ্ৰেপ্তাৰ কৰিলেও

হাত কেৰেয়া দিব নোৱাৰিব বা মাৰধৰ কৰিব নোৱাৰিব। এই পৰম্পৰা ভাৰতবৰ্ষৰ লগতে কোনো কোনো ৰাজ্যত আছে। আপুনি ৰুলিংত কৈছে তদন্ত হব লাগে। চৰকাৰৰ তদন্তৰ ৰিপোৰ্টটো হাইকোৰ্টৰ জাজ হওঁক বা কমিচনাৰে হওঁক এই সদন চলি থাকোতে তদন্তৰ ৰিপোৰ্ট দিব লাগে। যিকেইজন পুলিচ অফিচাৰে মাতাল অৱস্থাত বিধায়কসকলক মাৰপিত কৰিব পাৰে সেই পুলিচ বিষয়াসকলক তৎক্ষণাত শাস্তি বিহীব লাগে। এই ক্ষেত্ৰত লোকসভাৰ নিৰ্দ্দেশত ভি, পি, সিং চৰকাৰেও প্ৰাক্তন প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীক নিৰপত্তা দিছিল। সেই কাৰণে মই অনুৰোধ কৰিছো সেই বিষয়াসকলক সাময়িকভাবে কামৰপৰা যাতে বৰ্খাস্ত কৰে। যি ৰায় দিয়া হৈছে সেইটো সম্মানজনক ভাবে ৰূপায়ন হব বুলি আশা কৰিব নোৱাৰো। কালি মুখ্যমন্ত্ৰীয়ে যি ষ্টেটমেণ্ট দিছিল সেইটো সদনৰ প্ৰত্যেক সদস্যৰ মেজতে দাখিল কৰা হওঁক।

Shri Golok Rajbanshi (Minister) : **Sir, a Point** of Order has been raised. It is not a Point of Order— "A Point of Order shall relate to the interpretation or enforcement of these Rules or such Articles of the Constitution as regulate the business of the House and shall raise a question which is within the cognizance of the Speaker." He has raised a matter and he has refered to a newspaper report. It is not an actual report. The name of one person has been published who is not the real person.

Secondly, on the matter, whether the officers are to be suspended was raised yesterday. So, that is final.

*শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কব বিচাৰিছো, কথাটো হ'ল, আমাৰ বিৰোধী পক্ষই কথাটো উথাপন কৰোতে আপুনি তলৰ পৰা এখন কিতাপ আনি পঢ়ি চালে। অধ্যক্ষ মহোদয়, আপুনি কথাটোত সম্পুৰ্ণ সম্মতি জনাইছে। তাত ব্ৰিচ্‌চ অৱ প্ৰিভিলেজৰ কথা ভালদৰে লিখা আছে। এই সন্দৰ্ভত পেৰা ৪ আৰু পেৰা ২ত ভালদৰে লিখা আছে। আমি সেই কথাটো বিচাৰিছো।

*Speech not corrected.

Now, I want to refer about 178 (2) & (4) of the Constitution.

* Shri Giasuddin Ahmed : Honourable Minister, Parliamentary Affairs has said that this is not the Point of Order. Now, I submit that this is very much a Point of Order. This is a question of breach of privilege committed by the Honourable Chief Minister, as alleged. So, this should be examined by you. Sir, It is a'so to be examined whether t e Chief Minister has mislead the House by giving incorrect statement. So, this is a clear case of breach of privilege and the Point of Order in this regard is relevant.

* শ্ৰীজয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মই বৰ্তমান বহি থাকোতে এখন অফিচিয়েল কাগজ পালো। কাগজখন শিক্ষা বিভাগৰ মন্ত্ৰীৰ পৰা অহা। এই কাগজখন হ'ল এখন নিযুক্তি পত্ৰ। এই কাগজখনৰ জৰিয়তে জানিব পাৰিছো যে শিক্ষা মন্ত্ৰীয়ে দুজন পিতৃ-মাতৃ হাৰা প্ৰাৰ্থীক চাকৰিত নিযুক্তি দিছিল। কিন্তু সেই নিযুক্তি ৰাজহ মন্ত্ৰীয়ে নাকচ্ কৰিবলৈ শিক্ষা বিভাগৰ সচিবক নিৰ্দ্দেশ দিছে। ইয়াৰ কাৰণ কি জানিব পাৰোনে ?

With reference to the above on the subject quoted above, I have the honour to state that Shri Sanjib Saikia and Shri Mridul Sarma were appointed as teachers on 19.11.92, and subsequently, their appointments were withdrawn as directed by the Revenue Minister on 27.11.91.

(সদনত এক হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়)

অধ্যক্ষ মহোদয়, মোৰ হাতত লিখিত ডকুমেন্টচ আছে। মোৰ কথাটো শুনকচোন।

Mr Spraker : Now, I proceed to Zero Hour Notices received from the Honourable Members Shri Nagen Sarma, Shri Zoii Nath Sarma, Shri Hiteswar Deka, Shri Ramendra Narayan Kalita and Shri Chandra Mohan Patowary.

Now, Shri Nagen Sarma to raise.

---

* Speech not corrected.

# DISCUSSION DURING ZERO HOUR

* শ্ৰীনগেন শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মই এটি গুৰুত্বপূৰ্ণ বিষয় আপোনাৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। কথাটো হ'ল— এখন বাতৰি কাকতত এটা বাতৰি প্ৰকাশ পাইছে যে আজি 'আজিৰ বাতৰি' কাকতত এজন কংগ্ৰেছ (ই) বিধায়কে অন্য এজন কংগ্ৰেছ (ই) বিধায়কৰ বিৰুদ্ধে লিখিছে যে বৰপেটাৰ আৱৰ্ত্ত ভৱনত এজন কংগ্ৰেছ (ই) বিধায়কে নিচাযুক্ত দ্ৰব্য সেৱন কৰি মতলীয়া হৈ বাহিৰা অন্যান্য ব্যক্তি সকলক বেয়া ব্যৱহাৰ কৰিছে আৰু ইয়াৰ জৰিয়তে বিধায়ক সকলৰ মৰ্য্যদাটো আঘাট হানিছে। মাননীয় অধ্যক্ষ মহোদয়, এজন বিধায়কে যেতিয়া আৱৰ্ত্ত ভৱনৰ আচবাব পত্ৰ ভাঙি তলতীয়া কৰ্মচাৰীক বেয়া ব্যৱহাৰ কৰে তেতিয়া সমগ্ৰ বিধায়কৰ কাৰণে কিমান গৰ্হীত কাম হ'ব পাৰে বিধায়কজনে ভাবি চাইচেনে ? তাৰোপৰি বৰপেটা হল ড্ৰাই এৰিয়া, তাত মদৰ প্ৰচলন হোৱাতো সমীচিন নহয়। গতিকে মহোদয়ক অনুৰোধ জনাও যাতে ভৱিষ্যতে এনে মৰ্য্যদা হানিকৰ কাৰ্য্য কোনো বিধায়কে নকৰে।

* শ্ৰীহিৰণ্য বৰা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শৰ্মা ডাঙৰীয়াই যিটো বাতৰি আমাৰ আগত দাঙি ধৰিছে, সেই সংক্ৰান্তত কব বিচাৰোঁ যে আজিলৈকে কোনো বিধায়কে নিজৰ পক্ষৰ বিধায়কৰ বিৰুদ্ধে মৰ্য্যদা হানিকৰ কথা কোৱা বা বাতৰি কাকতত প্ৰকাশ কৰা কথা পোৱা নাই।

* শ্ৰীনগেন শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মোক কথাখিনি শেষ কৰিবলৈ দিব নে ?

মাননীয় অধ্যক্ষ : আপুনিয়েই কওঁক।

* শ্ৰীনগেন শৰ্মা : মাননীয় অধ্যক্ষ মহোদয় মই কোনো বিধায়কে অন্য এজন বিধায়কৰ বিৰুদ্ধে কোৱা নোকোৱাৰ ওপৰত গুৰুত্ব দিয়া নাই। গুৰুত্ব দিছোঁ, এনে বাতৰিৰ দ্বাৰা কেৱল এজন বিধায়কৰ মৰ্য্যদা হানিৰ কথাই প্ৰকাশ পোৱা নাই, আমাৰ সমগ্ৰ বিধান সভাৰ সদস্য সকলৰ মৰ্য্যদা হানিৰ কথা প্ৰকাশ পাইছে। গতিকে অধ্যক্ষ মহোদয়, আৱৰ্ত্ত ভৱনত ঘটা অশালীন ব্যৱহাৰৰ বিষয়েহে দৃষ্টি গোচৰ কৰিছোঁ আৰু ভৱিষ্যতে এনে কাৰ্য্য যাতে কেতিয়াও ঘটিবলৈ নেপায়, তাৰ প্ৰতি ব্যৱস্থা গ্ৰহণ কৰে যেন। ধন্যবাদ।

---

* Speach not corrected.

*শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মই দুটা মান কথা কব বিচাৰিছো। চাৰ, মই এইবোৰ কথা নকওঁৱেই।

মাননীয় অধ্যক্ষ : আপুনি কব নোৱাৰে। আপোনাৰ নাম ইয়াত নাই নহয়।

*শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : চেকেণ্ডত আছে চাৰ।

Mr. Speaker : Mr. Zoii Nath Sarma may raise the matter.

*শ্ৰীজয় নাথ শৰ্মা : অধ্যক্ষ মহোদয়, ৰেইজটো হৈ আছে। অধ্যক্ষ মহোদয়, কথাটো বেয়া কৰিছে। আপোনালোকে যিমানে বেয়া কৰে সিমানে বিৰোধী পক্ষসকলৰ কাৰণে ভাল। সদস্য বহিলেহে মন্ত্ৰীয়ে উঠি কব লাগে। মই উঠিলে মোৰ বিৰুদ্ধে ৰুলিং দি দিগদাৰি কৰে। অধ্যক্ষ মহোদয়ে নোকোৱালৈকে মোক আপোনালোকে যিমানে কলেও মই কৈয়ে থাকিম। কোনোবা বিধায়কে মদ খাই বস্তু-বাহানি ভাঙিছে। কোনোবাই মদে খাওক বা মৌৰে খাওক সেইটো কথা নহয় —বৰপেটা জিলাৰ ড্ৰাই এৰিয়াত মদ খাই ৰাজহুৱা সম্পত্তি নষ্ট কৰাটো বেয়া হৈছে। এই বিষয়ে আলোচনা কৰা উচিত যাতে ভৱিষ্যতে কোনো বিধায়কে এনে বেয়া কাম নকৰে। এটা কথা মন কৰিব চিনেমা হলত বিধায়ক দেখিলে দেখিব বেয়া কেৰেকটাৰৰ। মন্ত্ৰী দেখিলে দেখিব বেয়া কেৰেকটাৰৰ। সেইকাৰণে মই সকলো বিধায়কক কৈছো আপোনালোকে প্ৰিভিলেজ বুলি কৈছে। বিধায়কসকল বা মন্ত্ৰীসকলে বেয়া ব্যৱহাৰ কৰিছে নে নাই, এই কথা তদন্ত কৰাৰ কিবা উপায় আছেনে? যদি মই বেয়া কাম কৰিছো মোৰ ওপৰত একচন হব লাগে। যোৱা কালি মই শুনিবলৈ পাইছো যে জয় নাথ শৰ্মাই যদি বেছি কথা কয় পিচফালৰ পৰা গাড়ীত খুণ্ডা মাৰি, মাৰি পেলাম। এজন বিধায়কে আৱৰ্ত্ত ভৱনত মদ খাই আইন ভঙ্গ কৰি ৰাজহুৱা সম্পত্তি ধ্বংস কিয় কৰিলে? বেচিনৰ কথা নাজানো, থাল ভাঙিছে। তাত থকা চকীদাৰ জনক বেয়া ব্যৱহাৰ কৰিছে। চকীদাৰজনক বিধায়কজনে চৰ মৰাটো ডাঙৰ কথা নহয়। চকীদাৰ জনে যদি বিধায়কজনক চৰ মাৰে তেন্তে বিধায়কৰ সন্মানটো ক'ত থাকিব। অগ্ৰদূত পেপাৰত ওলাইছে ধিঙৰ এ, এচ, ডি চি,ৰ গাড়ী ভঙাৰ কথাও মই শুনিছো। অধ্যক্ষ মহোদয়ে মেম্বাৰসকলক কনডাক্ট কৰা কাৰণে মই ভাল পাইছে।

(সদনত হুস্থুল হয়)

---

* Speech not corrected.

অধ্যক্ষ মহোদয় ৫০ লাখ টকাৰে নিৰ্মাণ কৰা নতুন হোষ্টেলত কোনো কোনোৱে পকা বেৰ কাটি ফুটা কৰি লৈছে। ৰাতি বেৰ কটা মানে সিন্ধি দিয়া বুলি কোৱা হয়। হাউচ কমিটী গঠন কৰি তদন্ত কৰাৰ ব্যৱস্থা কৰিব লাগে। আৰু এটা কথা কওঁ, এজন বিধায়কে ডেগাৰ হাতত লৈ ৰাতি ঘূৰি ফুৰাৰ কথাও শুনা গৈছে। মোৰ নাকটো এইবিলাক কামৰ কাৰণে নহয় অন্য কামৰ কাৰণেও আছে। কোনোবাই বেয়া কাম কৰিলে সমালোচনা কৰিব। সেই কাৰণে বিধায়ক সকলৰ আচৰণ ভাল হব লাগে। যিবিলাক কাম কৰিলে ৰাইজৰ গ্ৰহণযোগ্য হয়, তেনে কাম কৰিব লাগে। আমি ৰাইজৰ প্ৰতিনিধি হিচাবে বিধান সভাৰ মজিয়াত প্ৰতিনিধিত্ব কৰিবলৈ আহিছো, ৰাইজৰ কল্যাণৰ কাৰণে মাত মাতিব লাগিব। এজন বিধায়কৰ কাৰণে কেইবাজনো বিধায়কে কথা শুনিব লগা হয়। কংগ্ৰেছক এই কাৰণে কৈছো কিছুমান কংগ্ৰেছক কিছুমান কেচ লোৱা দেখিছো। মই দিয়া অভিযোগবিলাকৰ বিচাৰ কৰক নকৰক মোৰ কবলগীয়াখিনি মই কৈছো।

Mr. Speaker : Now, Shri Hiteswar Deka.

★ শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, তুগৰাকী মাননীয় সদস্যই বিধান সভা সদনত ব্যাখ্যা কৰিছে। অধ্যক্ষ মহোদয়, জিৰো আৱাৰৰ কাৰণে সাধাৰণতে ৩ টা বিষয় লোৱা হয়। নোটিচমতে ৭, ৮, ৯ মিনিটলৈ বিচাৰে। ৪ বা ৫ জন বিধায়কে জিৰো আৱাৰ সময়খিনি প্ৰয়োগ কৰে। আমাৰ প্ৰতিজন বিধায়ক ৰাইজৰ স্বাৰ্থৰ লগত জড়িত হৈ আছে। ৰাইজৰ প্ৰতিনিধি হিচাবে প্ৰতিজন বিধায়কৰ মান সন্মান নিহিত হৈ আছে।

মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই ঘটনাটো ৰাজহুৱা স্বাৰ্থ জড়িত কিয়নো ইয়াত কোনো বিশেষ দলৰ বিধায়কৰ কথা নহয়, ইয়াৰ দ্বাৰা সকলো সদস্যৰে সন্মান হানি হোৱাৰ নিচিনা কথা হৈছে। গতিকে এনে ধৰণৰ ঘটনা যাতে আগলৈ হব নোৱাৰে আৰু এনে কাম যাতে আগলৈ কৰিব নোৱাৰে এই ক্ষেত্ৰত এটা অনুসন্ধানৰ ব্যৱস্থা কৰিব লাগে।

Shri Zoii Narth Sarma : Sir, Point of Order.

Mr. Speaker : Point of Order has been allowed ten times. Now, Shri Ramendra Narayan Kalita.

★ Speech not corrected.

* শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, আজি জিৰো আৱাৰচত যিটো বিষয়ে উত্থাপিত হৈছে, সেইটো এটা ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়। এতিয়া কথা হৈছে শাসক দলৰ যিটো চৰকাৰ আছে, এই চৰকাৰৰ দায়িত্ব হ'ল সামগ্ৰিক ভাবে ৰাজ্যখনক কি ধৰণে আগবঢ়াই নিব পাৰি আৰু বিধায়ক সকলৰ যিখিনি মান-মৰ্য্যদা সেই খিনি অক্ষুন্ন ৰখা উচিত। আজি যিটো বিষয়ে ইয়াত উত্থাপন হৈছে সেইটো সচাঁকৈয়ে গুৰুত্বপূৰ্ণ বিষয়। আজি কিছুদিন আগতে বৰপেটা চাৰকুইট হাউচত যিটো ঘটনা সংঘটিত হ'ল সেইটো কোন দলৰ বিধায়কৰ হৈছে সেইটো ডাঙৰ কথা নহয়, কিন্তু এইদৰে ৰাজহুৱা স্থানত মদ্য পাণ কৰি ৰাজহুৱা সম্পত্তি নাশ কৰি আৰু ৪ৰ্থ শ্ৰেণীৰ চাকৰিয়ালৰ ওপৰত কৰা অশালীন ব্যৱহাৰ ইত্যাদি কথা বিলাক গুৰুত্ব সহকাৰে চিন্তা কৰা উচিত। জনসাধাৰণৰ প্ৰতিনিধিয়ে এনে ধৰণৰ অশালীন ব্যৱহাৰ কৰা কথাটো অত্যন্ত লজ্জাজনক। গতিকে ভৱিষ্যতে বিধায়ক সকলৰ মান-মৰ্য্যদা যাতে অক্ষুন্ন থাকে তাৰ প্ৰতি বিশেষ নজৰ দি এনে ধৰণৰ কাম কৰিব নোৱাৰাকৈ অনুসন্ধানৰ ব্যৱস্থা কৰিব লাগে। আমি আশা ৰাখিছো মাননীয় অধ্যক্ষ মহোদয় আপুনি নিজেই এই বিষয়টোৰ এটা তদন্ত কৰি এটা ৰিপোৰ্ট বিধান সভাৰ মজিয়াত দাখিল কৰিলে ভৱিষ্যতে ভাল হব। গতিকে এই বিষয়ত আপুনি নিজেই ব্যৱস্থা লব লাগে।

Mr. Speaker : Now, I call for Shri Chandra Mohan Patowary to raise his question.

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, আজি জিৰো আৱাৰচত যিটো বিষয়ে উত্থাপন কৰা হৈছে সেইটো ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়। ইয়াত কোনে মদ খাইছে আৰু গালাগালি পাৰিছে সেইটো মুখ্য বিষয় নহয় কিয়নো মদ খাব পাৰে কিন্তু ৰাজহুৱা স্থানত মদখাই উদ্ভণ্ডালি কৰাৰ কথাহে ওলাইছে। এই উদ্ভণ্ডালিৰ কথা কবলৈ যাওতে মই আন এটা উদাহৰণ ডাঙি ধৰিব বিচাৰিছো সেইটো হ'ল নলবাৰী জিলাৰ এলিমেণ্টাৰী স্কুলৰ বোৰ্ডত সভা পতি জন মিটিংলৈ পলমকৈ অহাৰ কাৰণে আন এজনে সভাপতি হৈ সভাৰ কাৰ্য্য আৰম্ভ কৰিলে কিন্তু পিছত যেতিয়া সভাপতিজনে মিটিংত আহি পালে তেতিয়া সেই সভাপতি জনে পিষ্টল দেখুৱাই থেদি আহি গালাগালি কৰিলে। আৰু বিষয়া জনক উঠাবহা কৰালে। এতিয়া কথা হ'ল মদ খাই ইনটক্সিকেটেত হৈ গালি গালাজ পৰা জনক ক্ষমা কৰিব পাৰি কিন্তু মদ নোখোৱাকৈ মদ খোৱাৰ ভাও ধৰি হাতত পিষ্টল

* Speech not corrected.

লৈ গাত লগাই দিয়াজনক ক্ষমা কৰিব নোৱাৰি, এনেধৰণৰ উদ্ভাওালি ক্ষমা কৰিব নোৱাৰি। সেই সভাপতি জনৰ নাম হ'ল কিশোৰ হাজৰিকা, তেওঁ অফিচাৰ জনৰ বুকুত পিষ্টল লগাই দিছে। মই কোনো দিনে এলিমেণ্টৰী বোৰ্ডৰ মেম্বাৰ হব বিচৰা নাই আৰু সেই কাৰণেই আগতেও মই কোনো দিনে মেম্বাৰৰ কাৰণে জোৰ দিয়া নাই, ন'মিনী হে দিছিলো। কিন্তু এই ধৰণে বুকুত পিষ্টল লগাই উদ্ভণ্ডালি কৰাৰ নিচিনা কথাবিলাক ক্ষমা কৰিব নোৱাৰি। আমাৰ বিধায়ক সকলে সদনৰ ভিতৰে বাহিৰে ৰাজহুৱা স্থানত নিজৰ শালিনতা খিনি ৰক্ষা কৰি চলিব লাগে। গড়কপ্তানী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক মই ধন্যবাদ জনাইছো কিয়নো তেখেতে ৩ দিনৰ ভিতৰতে এনে ধৰণৰ উদ্ভণ্ডালি কৰা লোকক ট্ৰেন্সফাৰ কৰি দিছে।

"It is not that I am making this allegation because I am not a member of the Elementary Board and I do not want to be included as a member of the Elementary Board.

গতিকেই মই মাননীয় অধ্যক্ষ মহোদয়ক অনুৰোধ জনাইছো এই বিলাক সম্পৰ্কত কিবা এটা কৰক।

* শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাছা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, যিটো বিষয় লৈ সদনত মাননীয় সদস্য সকলে ৰেইজ কৰিছে সেই বিষয়টো লৈ আমি আচৰ্য্য হৈছো কিন্তু ঘটনাটো কিমান দূৰ সত্য বা অসত্য সেইটো জানি লোৱাৰ পিচতহে কিবা এটা ব্যৱস্থা লব পৰা হব। গতিকে গোটেই বিষয়টোৰ ওপৰত এটা অনুসন্ধান চলাই প্ৰয়োজনীয় ব্যৱস্থা কৰা হব।

মাননীয় অধ্যক্ষ : এই ক্ষেত্ৰত মই এটা কথা কব বিচাৰিছো যিটো ঘটনা লৈ কাগজত ওলাইছে আৰু মাননীয় সদস্য কেবাগৰাকীয়ে এই বিষয়ে উত্থাপন কৰিছে তেনে ধৰণৰ ঘটনা হব নালাগে। সেইকাৰণে সদনৰ ভিতৰে আৰু বাহিৰে আমাৰ মাননীয় বিধায়ক সকলে কেনে ভাবে আচৰণ বিধি কৰিব লাগে সেই সংক্ৰান্তত 'ক'ড অব কণ্ডাক্ট' নিৰ্দ্ধাৰণ কৰিববৈলে এখন কমিটী গঠন কৰি দিয়া হৈছে। এই কমিটীৰ কনভেনৰ মাননীয় সদস্য প্ৰমোদ গগৈ ডাঙৰীয়া আৰু তাত সকলো দলৰে সদস্য আছে, এই কমিটীয়ে সদনৰ ভিতৰত আৰু বাহিৰত বিধায়ক সকলে কেনে ধৰণৰ আচৰণ কৰিব লাগিব সেই সম্পৰ্কত নীতি নিৰ্ধাৰণ কৰিব।

* Speech not corrected.

কমিটীয়ে ইতিমধ্যে দিল্লী আৰু ২/১খন ৰাজ্য ঘুৰি আহিছে, তেখেত সকলে অহা জুলাই মাহৰ ভিতৰতে এই কমিটীৰ ৰিপোৰ্ট দাখিল কৰিব। যেনেকৈ আজি আমাৰ সদনৰ ভিতৰত মাননীয় সদস্য সকলে কিছুমান নিয়ম নীতি মানি চলে তেনে আলোচনা হৈ থাকোতে আগেৰে অহাযোৱা কৰিব নালাগে আৰু অধ্যক্ষলৈ এড্ৰেচ কৰিব লাগে আৰু সদনৰ ভিতৰত চিগাৰেট বিড়ি ইত্যাদি খোৱাটো নিষেধ ঠিক তেনে ধৰণে সদনৰ বাহিৰতো শালীনতা ৰক্ষা কৰি কেনে ধৰণে চলাফুৰা কৰিব লাগে সেই সম্পৰ্কত কিছু নীতি নিৰ্ধাৰণ কৰি দিব আৰু তেতিয়া হয়তো আমাৰ বিধায়ক সকলৰ বিশেষ অসুবিধা নহব।

* শ্ৰীজয় নাথ শৰ্মা : চাৰ্কিট হাউচত মদ খাব পাৰে নেকি ? আপোনাক নজনোৱাকৈ বেৰ কাটিব আৰু গেষ্ট ৰাখিব পাৰে নেকি ? ৰুলিং পাৰ্টিৰ চেফ গাৰ্ডৰ কথাটো কলে নহব।

Mr. Speaker : Please take your seat. We are framing a Code of conduct for Legislators. Members from all groups and political parties have been included.

* শ্ৰীঅতুল বৰা : ক'ড্ অৱ কনডাক্ট ইনচাইদ হাউচ কৰিব নালাগে। বিৰোধী পক্ষৰ অসুবিধা হব। গোটেই বিলাক কংগ্ৰেছ (আই) বিধায়কৰ ওপৰত পৰিছে। গতিকে কোন জন দোষী বাচি দিয়ক। তেওঁৰেই অপমানিত হওঁক।

মাননীয় অধ্যক্ষ : এটা দলৰ কথা নহয়। সকলোৰে কাৰণে ক'ড্ অৱ কণ্ডাক্ট হব। কমিটিয়ে যি ৰিপোৰ্ট দাখিল কৰিব তাক হাউচত পাচ কৰিম। ক'ড্ অৱ কণ্ডাক্টৰ আৱশ্যকতা অনুভৱ কৰিছো। ৰাইজৰ প্ৰতিনিধিসকলৰ বাবে আচৰণ বিধি থকাটো উচিত বুলি ভাবো। কৰাটো ভাল।

In pursuance of the decision of the Rules Committee, Assam Legislative Assembly in its meeting held on 10th January, 1992, Honourable Speaker, Assam Legislative Assembly has been pleased to constitute a Sub-Committee with the following Members of the Assam Legislative Assembly to frame a Code of Conduct for Legislators.

1. Shri Promode Gogoi. MLA — Convenor
2. Shri Golok Rajbanshi, Minister Parliamentary Affairs. — Member

* Speech not corrected.

3. Shri Joy Chandra Nagbonshi, MLA — Member
4. Shri Badan Barua, MLA — Member
5. Dewan Joynal Abedin, MLA — Member
6. Shri Parameswar Brahma, MLA — Member
7. Shri Mission Ranjan Das, MLA — Member
8. Shri Muzibur Rahman, MLA — Member
9. Shri Zoii Nath Sarma, MLA — Member
10. Shri Chandra Mohan Patowary, MLA — Member
11. Shri Sashakamal Handique, MLA — Member
12. Shri Holiram Terong, MLA — Member

The Committee will submit its report to the Honourable Speaker, Assam Legislative Assembly within the month of February, 1992.

তেখেত সকলে দৰ্খাস্ত কৰিছে জুলাই মাহলৈ সময় বঢ়াই দিব লাগে। লোক সভাৰ স্পীকাৰ, এক্স স্পীকাৰ আৰু চেক্ৰেটেৰী জেনেৰেলক লগ কৰিছে। তেখেত সকলে অসমক এই ক্ষেত্ৰত আগ ভাগ লোৱাত উৎসাহিত কৰিছে। বিভিন্ন প্ৰদেশ ভ্ৰমণ কৰিব লাগিব সেই কাৰণে সময় দিব লাগে।

* শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) : মোৰ নামটো দেখিলো। কিন্তু বাহিৰলৈ যোৱাটো মই গম পোৱা নাই।

শ্ৰীজয় নাথ শৰ্মা : কমিটী যোৱা নাই। কনভেনৰ গৈছে।

শ্ৰীঅঞ্জন দত্ত : কমিটীত বিৰোধী দলৰ সদস্যই বেছি আছে।

মাননীয় অধ্যক্ষ : বিৰোধী দলৰ প্ৰতি মোৰ সহানুভূতি আছে।

শ্ৰীআলাউদ্দিন সৰকাৰ : জুলাই মাহত প্ৰতিবেদন দিয়া কথা আছে। শীতকালীন অধিবেশন পাতে নে নাপাতে চাব।

* শ্ৰীঅঞ্জন দত্ত : মোৰ বেলেগ ভয় হৈছে। শ্ৰীপাটোৱাৰীক পিষ্টল দেখুৱাত ভয় হৈছে। বিধায়কক ৪ ফেব্ৰুৱাৰীত পুলিচে মাৰপিট কৰিছে। ইয়াৰ বাবে অনুসন্ধান কমিটী কৰা হব বুলি কোৱা হৈছে। মোৰ আন এটা ভয় হৈছে বিৰোধী দলৰ সদস্যই আপোনাৰ টেবুলত ভুকুৱাই হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি কৰিছে। আপোনাৰ ৰক্ষণা-বেক্ষণাৰ কাৰণে চিন্তা হৈছে।

---

* Speech not corrected.

Mr. Speaker : Now, another Zero Hour Notice from Shri Mun'n Mahanta regarding —"মৰিগাওঁ জিলা সংমণ্ডল বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ কাৰ্য্যালয়ৰ বাবে ৮ আৰু ৯ মাৰ্চ্চত হব লগা নিম্ন বৰ্গৰ আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ বাচনি পৰীক্ষা হঠাতে কিয় বন্ধ হব লগা হ'ল" । Now, I request Shri Mahanta to speak.

* শ্ৰীমুনীন মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৮/৯ মাৰ্চত মৰিগাওঁ স্কুল সমূহৰ পৰিদৰ্শকৰ অফিচত ৩য়, ৪ৰ্থ শ্ৰেণীৰ চাকৰিৰ কাৰণে এটা ইন্টাৰভিও পতা হৈছিল। নিয়োগ বিনিময় কেন্দ্ৰৰ জৰিয়তে নাম অনাই এটা কমিটী কৰি প্ৰাথমিক শিক্ষাধিকাৰৰ অনুমতি লৈ এটা কমিটী কৰি সাক্ষাৎকাৰ বন্ধ কৰা হল। ৮ তাৰিখৰ দিনা শ শ ডেকা লৰাই ৩য়, ৪ৰ্থ শ্ৰেণী আৰু ষ্টেনোগ্ৰাফাৰ পদবীত সাক্ষাৎকাৰ দিবলৈ সমবেত হৈছিল। মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো কি কাৰণত অপ্ৰয়োজনীয় হস্তক্ষেপ কৰি এই সাক্ষাৎকাৰ বন্ধ কৰা হ'ল। মই জানিব পাৰিছো যে হাইস্কুলসমূহৰ নিযুক্তিৰ বাবে ৰাজনৈতিক হস্তক্ষেপ কৰাৰ উদ্দেশ্যে যি কমিটী গঠন কৰি দিছিল, সেই কমিটীয়ে এই সাক্ষাৎকাৰত অপ্ৰয়োজনীয় হস্তক্ষেপ কৰিছিল।

আগতে যিটো শিক্ষাবোৰ্ড আছিল হাইস্কুলৰ নিযুক্তিৰ কাৰণে আৰু তেওঁলোকে যিটো ইন্টাৰভিও লৈছিল তাৰ দ্বাৰা সেই পোষ্টবিলাক ক্ভাৰ নহয়। এতিয়া জিলা বিলাকত হাইস্কুল শিক্ষকৰ বাবে চিলেকচন কমিটী গঠন কৰা হৈছিল আৰু সেই চিলেকশ্যান কমিটীক একমাত্ৰ অথৰিটি দিয়া হৈছে স্কুল শিক্ষক চিলেকশ্যানৰ বাবে। গ্ৰেদ ফ'ৰ বা ক্লাৰিকেল পোষ্টৰ বাবে অথৰিটি দিয়া হোৱা নাই। শিক্ষাবৰ্ড কৰাৰ আগতে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে কৈছিল যে, ৰাজহুৱা স্বাৰ্থত এই কমিটীৰ মেম্বাৰসকলক নিৰ্বাচিত কৰা হৈছে কিন্তু দুৰ্ভাগ্যৰ কথা যে, মেম্বাৰ সকলে নিজেই তেওঁলোকক কি অধিকাৰ দিয়া হৈছে নাজানে। তাৰোপৰি ৮/৯ তাৰিখে হ'বলগা এই ইন্টাৰভিওটো মন্ত্ৰী মহোদয়ৰ হস্তক্ষেপত কিয় বন্ধ হ'বলগীয়া হ'ল জানিব বিচাৰিছো। গতিকে এই বিষয়টো লৈ এখন সাংঘাটিক যুদ্ধ হোৱাৰ আশংকা আছে। ইয়াৰ পিছত যিবিলাক মেনেজিং কমিটী কৰা হৈছে সেই কমিটী বিলাক কৰাৰ বাবে কিবা নীতি আছে নেকি ? ৪ খন স্কুলৰ মেনেজিং কমিটী গঠন সম্পৰ্কত শিক্ষামন্ত্ৰীৰ পৰা নোট গৈছে। প্ৰয়োজন হ'লে আই, এচৰ

* Speech not corrected.

অফিচত খবৰ কৰিলে খবৰ পাব। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে ৰাজ্যখনৰ শিক্ষা-ব্যৱস্থা কেনেকৈ উন্নত কৰিব পাৰি সেই বিষয়ে আমাক পৰামৰ্শ দিব লাগে। আই, এচ অফিচৰ ক্লাৰিকেলৰ ৪ টা পোষ্টৰ ইন্টাৰভিওত অপ্ৰয়োজনীয় হস্তক্ষেপ কৰি কিয় বন্ধ কৰিলে ? তাৰ সম্পৰ্কত বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই সম্পৰ্কত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এটা প্ৰত্যুত্তৰ বিচাৰিছো।

ডাঃ ভূমিধৰ বৰ্মন ( শিক্ষামন্ত্ৰী ): অধ্যক্ষ মহোদয়, এই কথাটো সদনত আজিহে জানিছো। আগতে ন'টিচ দিয়া হোৱা নাই। মই নিজে এই কথা নাজানো। খবৰ লৈ মই কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰিম, আৰু ইন্টাৰভিওটো হোৱাৰ বাবে চাম।

## ADJOURNMENT MOTION

Mr. Speaker, : I have received one Adjournment Motion from Honourable Member Shri Zoii Nath Sarma regarding-

"দিশপুৰত ধৰ্ণা দিয়া সদৌ অসম নেপালী ছাত্ৰসন্থাৰ স্বেচ্ছাসেৱক সকলৰ ওপৰত অপ্ৰৰোচিত ভাবে লাঠি চালনা কৰে আৰু শতাধিক লোকক লাঠিৰে কোবাই গুৰুতৰ ভাবে আঘাট কৰিছে।" Now, I request the Honourable Member Shri Sarma to speak on the Adjournment Motion.

★শ্ৰীজয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমে যদিও মোচনটো মোভ্ কৰিব লাগে মই মোচনটো মোভ্ কৰা বুলি ধৰি লৈছো। এতিয়া মই বিষয়টো উংথাপন কৰিব বিচাৰিছো যে, যোৱা কালি দিশপুৰত নেপালী ছাত্ৰ সন্থাই শান্তিপূৰ্ণ ভাৱে ধৰ্ণা দি থকা অৱস্থাত পুলিচে লাঠি চালনা কৰে। কেইগৰাকী-মান মহিলা গুৰুতৰ ভাৱে আহত হয়। এই ঘটনাৰ লগত কালি এই সদনত মুখ্যমন্ত্ৰী মহোদয়ে দিয়া উত্তৰ এটা জৰিত আছে বুলি আমাৰ সন্দেহ হৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ৩ জন বিধায়কক মূল্য বৃদ্ধিৰ প্ৰতিবাদত শান্তিপূৰ্ণ ভাৱে ধৰ্ণা দি থকা অৱস্থাত কিয় পুলিচৰ দ্বাৰা লাঠি চালনা কৰি আহত কৰা হ'ল এই বিষয়ে তেখেতে যোৱা কালি উত্তৰ দিছিল। মাননীয় সদস্য শ্ৰীপ্ৰমোদ গগৈ ডাঙৰীয়াইও দৃষ্টি আকৰ্ষণ কৰি তেখেতৰ এটা পইণ্ট

★ Speech not corrected.

উত্থাপন কৰিছে। আমি ভাবো যে মুখ্যমন্ত্ৰীয়ে কালি ভুল ভাৱে কথাটো কৈছে যে, ১৪৪ ধাৰা ভংগ কৰিলে পুলিচ লাঠি চালনা কৰিব পাৰে, মাৰপিট কৰিব পাৰে। এই কথাটো শুনাৰ পিছত আমি নিজেও আলোচনা কৰিছো যে, আমাৰ সদনৰ বাহিৰত যি মাইক ফিট কৰা আছে তাৰ দ্বাৰা এই কথা সকলোৱে শুনিছে। এই কথা শুনাৰ পিচত পুলিচ উৎসাহিত হৈ পৰোক্ষভাৱে প্ৰেৰণা পালে যে, মুখ্যমন্ত্ৰী মহোদয়ে সদনত আমাক চেফগাৰ্ড দিছে। গতিকে ১৪৪ ধাৰা ভংগ কৰিলে অকল এৰেষ্ট কৰাই নহয় অত্যুৎসাহী হৈ পুলিচ বিষয়া গৈ মাৰপিট কৰিছে। গতিকে এই মোচনটো এদজৰ্নমেণ্ট মোচনৰ কাৰণে এদমিচিবুল হয় নে নহয় জনাব লাগে। কাৰণ এই ঘটনাৰ লগত ২১ ফেব্ৰুৱাৰী তাৰিখৰ দৰং জিলাৰ আমাৰ শ্ৰীকন্দপান ডাঙৰীয়াৰ নিকটবৰ্ত্তী ঠাইত এজন কংগ্ৰেছ নেতাই কোনোবা ইউনিটৰ ভাইচ প্ৰেচিডেণ্টক উচতাই দি ৬ জন মানুহক গুলিয়াই মাৰিলে। মই চাবলৈ যোৱা নাই। কিন্তু আমাৰ মুখ্যমন্ত্ৰী মহোদয়, কন্দপান ডাঙৰীয়া আৰু নকুল দাসো সেই ঠাইলৈ গৈছে। গতিকে বড়োসকলৰ আমাৰ প্ৰতি অনিহা ভাব আহিছে। আমাৰ দোষৰ কাৰণেই আহিছে। এইটোৰ আত্ম সমালোচনা কৰাৰ প্ৰয়োজন আছে। জনজাতি অঞ্চলত অজনজাতি মানুহ মাটি বেদখল কৰাই বি-এছ এফক উচতাই দি আব্ছুৰ আন্দোলন ধ্বংস কৰাৰ কাৰণে তাত বি-এছ-এফ মেলিছে। আছুক ধ্বংস কৰিবলৈ কংগ্ৰেছ আব্ছুৰ সৃষ্টি কৰিছিল। এইটো কংগ্ৰেছৰ নিজা সংগঠন। এই ঘটনাৰ পিছত মুখ্যমন্ত্ৰীয়ে আৰ্মী দিয়াৰ কথা ক'লে কিন্তু আৰ্মী দিয়া হ'ল চিপাঝাৰৰ নায়ক পাৰাত। চিপাঝাৰৰ এ-জি-পিৰ চেক্ৰেটাৰীৰ ভায়েক ডম্বৰু ডেকাক ঘৰতে আৰ্মীয়ে মাৰধৰ কৰিলে। চিপাঝাৰত কিয় আৰ্মী দিয়া হ'ল? ৬ জন মানুহ মৰাৰ পিছত নেপালী ছাত্ৰ সন্থাৰ শান্তিপূৰ্ণ প্ৰতিবাদ কৰাৰ অধিকাৰ আছে নে নাই? আজিৰ নতুন দৈনিক বাতৰি কাকতত প্ৰকাশ পাইছে যে,—"সদৌ অসম নেপালী ছাত্ৰ সন্থাৰ এদল শোভাযাত্ৰাকাৰীক ছত্ৰভংগ কৰিবলৈ দিশপুৰ লাষ্টগেটৰ ওচৰত পুলিচে দুবাৰকৈ লাঠি চালনা কৰাত কেইবাগৰাকী মহিলাকে ধৰি পোন্ধৰজন লোক আহত হয়।"

জনজাতি অঞ্চলত নেপালী লোকৰ নিৰাপত্তা প্ৰদান, ৰৌতাত নেপালী লোকৰ হত্যাকান্দৰ প্ৰতিবাদ, নেপালী ভাষাক ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰা, আৰু জনজাতি সংৰক্ষিত এলেকাত বাসকৰা নেপালীসকলক জনজাতি সকলৰ সম মৰ্য্যদাৰ

---

*Speech not corrected.

দাবীত সদৌ অসম নেপালী ছাত্র সন্থাই জনতা ভৱনৰ ওচৰত ধৰ্ণা কাৰ্য্যসূচীৰ আয়োজন কৰিছিল। অসমৰ বিভিন্ন ঠাইৰ পৰা অহা প্ৰায় ১ হাজাৰমান লোকৰ এই শোভা যাত্ৰাকাৰী দলটো দিশপুৰ লাষ্টগেটৰ ওচৰত সংৰক্ষিত এলেকাত প্ৰৱেশ কৰাৰ চেষ্টা কৰোতে পুলিচে বাধা দিয়ে। পুলিচৰ বাধাক আওকান কৰি শোভাযাত্ৰাকাৰী দলটো আগবাঢ়ি অহাত পুলিচে দুবাৰ লাঠিচালনা কৰাত নলবাৰী নিকাছীৰ পাৰ্ব্বতী দেৱী নামৰ ১৫ বছৰীয়া যুবতীগৰাকী গুৰুতৰ ভাবে আহত হয়। নিকাছিৰে গীতা দেৱী, গীতা ছেত্ৰী, শোণিতপুৰৰ কৃষ্ণ নেওৰ, দুৰ্গা শৰ্মা, কৃষ্ণ কাকী, চন্দ্ৰ বাহাদুৰ ধীক, ৰতন বাহাদুৰ প্ৰধান, মনোজ কুমাৰ আদি ১৫ জন লোক আহত হয়। মনোজ কুমাৰ আৰু পাৰ্ব্বতী দেৱীৰ আঘাট গুৰুতৰ। মনোজৰ মুৰ ফাটিছে আৰু পাৰ্ব্বতীক পুলিচে জোতাৰে গছকাত ককালত গুৰুতৰভাৱে আঘাট পায়। লাঠী চালনাত আঘাটপ্ৰাপ্ত নেপালী ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক ইন্দ্ৰ চেৱায়ে এই সংবাদদাতাক কয় যে, পুলিচে অপ্ৰৰোচিতভাৱে লাঠিচালনা কৰে। দলটো ছত্ৰভংগ হোৱাৰ পিচতো পুলিচে খেদি গৈ ওচৰৰ চিকিৎসালয়ত আশ্ৰয় লোৱা মহিলাসকলক প্ৰহাৰ কৰে। লাঠি চালনাৰ সময়ত দণ্ডাধীশ উপস্থিত নাছিল বুলিও তেওঁ অভিযোগ কৰে। ঘটনাস্থলীৰ ওচৰতে জৰুস্থান ধৰ্মঘটৰ বাবে সমবেত হোৱা প্ৰত্যক্ষদৰ্শী চাহ জনজাতিৰ ছাত্ৰ সন্থাৰ নেতৃবৰ্গই ঘটনাৰ বিৱৰণী দি কয় যে, পুলিচৰ লাঠি চালনা বৰ্বৰোচিত আৰু অপ্ৰৰোচিত আছিল। আনহাতে উপস্থিত থকা পুলিচ বিষয়াৰ মতে তেওঁলোকৰ বাধা আওঁকান কৰি শোভাযাত্ৰাকাৰী সকল সংৰক্ষিত এলেকালৈ আগবাঢ়ি অহা বাবেই লাঠিচালনা কৰিবলগা হয় আৰু ই মৃদু লাঠিচালনাহে আছিল।

মাননীয় অধ্যক্ষ মহোদয়, এতিয়া কথা হৈছে যে গণতান্ত্ৰিক ভাবে, সাংবিধানিক ভাবে ক্ষোভ প্ৰকাশ কৰাত আমাৰ কিবা সাংবিধানিক বাধা আছে নেকি? যদি আছে তেন্তে সাংবিধানিক ভাৱে, আইনমতে ব্যৱস্থা ল'ব লাগে। ১৪৪ ধাৰা ভংগ কৰিলে গ্ৰেপ্তাৰ কৰিব পাৰে। অধ্যক্ষ মহোদয়, সমদলৰ মহিলা আহি পুলিচৰ লগত মাৰপিট কৰিব নোৱাৰে। পুলিচৰ গালৈ শিলগুটি মাৰিলে পুলিচৰ একচন লোৱাত সুবিধা হয় সমদলকাৰীৰ ওপৰত। গতিকে কোৱা হ'ল যে পুলিচৰ গালৈ শিল মৰা হৈছে—লাঠি চাৰ্জৰ সুবিধাৰ কাৰণে। কালি যদি মুখ্যমন্ত্ৰীয়ে সদনত ভুলকৈ এনেকৈ নোকোৱা হ'লে এনে ঘটনা নঘটিলহেঁতেন। এতিয়া এই বিষয়টোৰ ওপৰত সভাস্থগিত প্ৰস্তাৱ আনিব পৰা হয়নে নহয় সেইটো

আলোচনা কৰিব লাগে। নীতিগত ভাৱে আমি জানো আৰু বিধান সভাতো উদাহৰণ আছে। যদি বিষয়টোৰ বা প্ৰস্তাৱটোৰ ওপৰত ৪টা বিষয় থাকে আৰু সদনে যদি তাক উপযুক্ত বুলি ভাবে তেন্তে সভা স্থগিত কৰি আলোচনা কৰিব পাৰে। এতিয়া কথা হৈছে যে এই বিষয়টোৰ ওপৰত মিনিষ্টেৰিয়েল ৰেচপনচিবিলিটি আছে নে নাই? যদি এটা বিষয় থাকে সেই বিষয়টো সভা স্থগিত কৰাৰ কাৰণে যোগ্য বিষয় বুলি গণ্য কৰা হয়। লোক সভাৰ ডিবেটত কৈছে—responsibility on the part of Government can'ot be avoided. এতিয়া যোৱা কালি মুখ্যমন্ত্ৰীয়ে এনে মন্তব্য কৰাৰ কাৰণে পুলিচৰ লোকসকল অতি উৎসাহিত হৈ পৰিছে, তেওঁলোকে ভাবিছে যে মুখ্যমন্ত্ৰীয়ে তেওঁলোকক চেফগাৰ্ড দিছে। তেওঁলোকে বেয়া কাম কৰিব পাৰে আৰু ১৪৪ ধাৰা ভংগ কৰিলে মাৰপিট কৰিব পাৰি আৰু লাঠিচাৰ্জ কৰিব পাৰি। মুখ্যমন্ত্ৰীয়ে সদনত কোৱা কথা নেমানিলে আমাৰ বেয়া হ'ব বুলি তেওঁলোকে ভাবিব পাৰে। মুখ্যমন্ত্ৰীয়ে হাউচত পুলিচৰ বিষয়ে আলোচনা কৰিব আৰু তেওঁলোকে বাহিৰত সেইমতে নিয়ন্ত্ৰণ কৰিব। গতিকে কালি তেওঁলোকে এই কথা শুনাৰ পিছতেই বিক্ষোভকাৰী সকলৰ ওপৰত লাঠিচাৰ্জ আৰম্ভ কৰি দিলে। মুখ্যমন্ত্ৰীয়ে এইটো বক্তব্য কালি নোকোৱা হ'লে হয়তো পুলিচে লাঠিচাৰ্জ নকৰিলেহেঁতেন। গতিকে মুখ্যমন্ত্ৰীয়ে যি বক্তব্য কালি ক'লে তাৰ পৰাই এইটো প্ৰমাণিত হৈছে যে ঘটনাটোৰ ওপৰত চৰকাৰৰ ৰেচপনচিবিলিটি আছে।

মাননীয় অধ্যক্ষ মহোদয়, ২য় কথা হৈছে পাৰ্লিয়ামেণ্টত ১০-৬-৭৫ তাৰিখৰ লোক সভাৰ ডিবেটত মাননীয় অধ্যক্ষই ভাৰ্ডিক্ দিছে—Speaker has given verdict. I have collected from your Library. The matter must be definite. গতিকে মিনিষ্টেৰিয়েল ৰেচপনচিবিলিটি থকাৰ পিচত মাননীয় অধ্যক্ষ মহোদয়, লোক সভাৰ অধ্যক্ষই যি ৰুলিং দিছে তাৰ ওপৰত ভিত্তি কৰি আপুনি এই বিষয়টোৰ ওপৰত ৰুলিং দিব বুলি আশা কৰিছো। কাৰণ পুলিচে লাঠিচাৰ্জ কৰিছে মুখ্যমন্ত্ৰীৰ বক্তব্যৰ ওপৰত ভিত্তি কৰি। ইয়াত আইন-শৃংখলাৰ কথা আহিব নোৱাৰে, এডমিনিষ্ট্ৰেচনৰ কথা হ'ব নোৱাৰে।

অধ্যক্ষ মহোদয়, মৰা-ধনশিৰিত ৬ জন লোকক মাৰিলে। মাননীয় মুখ্যমন্ত্ৰী গৈছে তালৈ, মাননীয় মন্ত্ৰী শ্ৰীনকুল দাস আৰু শ্ৰীকন্দপানো গৈছে তালৈ। মুখ্যমন্ত্ৰীয়ে কৈ আহিছে মৃতসকলৰ পৰিয়ালক সাহাৰ্য্য দিয়া হ'ব বুলি। অধ্যক্ষ

মহোদয়, মুখ্য মন্ত্ৰীয়ে কালি সদনত কি কৈছিলে সেইটো আপুনি টেপ শুনিলেই গম পাব ১৪৫ ধাৰা ভঙ্গ কৰিলে পুলিচে লাঠি চাৰ্জ কৰিব পাৰে। পুলিচৰ লাঠি চাৰ্জত কিমান লোক আহত হৈছে সেই বিষয়ে আপুনি মেডিকেল কলেজলৈ ফোন কৰিলেই গম পাব, শ্ৰীকৃষ্ণনে মেডিকেল কলেজৰ অধীক্ষকলৈ এটা ফোন কৰিলেই সকলো জানিব। চাহ জনজাতি ছাত্ৰ সন্থাৰ সম্পাদকো তাত উপস্থিত আছিল, মানে ঘটনা স্থলত। মন্ত্ৰী চেত্ৰী ডাঙৰীয়াক সুধিলেও গম পাব। নেপালী ছাত্ৰ সন্থাৰ প্ৰতিনিধি সকলে কালি তেখেতক লগ কৰিব বিচাৰিছিল কিন্তু তেখেতে লগ নিদিলে। তেখেতক মন্ত্ৰী সভাত লোৱা হৈছে নেপালী মানুহৰ প্ৰতিনিধি হিচাবে। সদৌ অসম নেপালী ছাত্ৰ সন্থাৰ চেন্টিমেন্টক কোনেও গুৰুত্ব দিয়া নাই। কংগ্ৰেছৰ কোনো চেন্টিমেন্ট নাই। টেঙা গাখীৰ টেঙাই, তাক টেঙা বুলি কোৱাৰ প্ৰয়োজন নেথাকে। সঁচা কথা সঁচাই। মাননীয় অধ্যক্ষ মহোদয় মই ইয়াৰ ওপৰত আপোনাৰ পৰা এটা ৰুলিং বিচাৰিছো।

অধ্যক্ষ মহোদয়, সভাস্থগিত প্ৰস্তাৱৰ বিষয়ে ৰুল ৫৬ ত আছে। সেই মতে মেটাৰটো গুৰুত্বপূৰ্ণ হব লাগে আৰু এই ক্ষেত্ৰত এই মেটাৰটো অতি গুৰুত্বপূৰ্ণ। আৰু অব্ আৰ্জেণ্ট নেচাৰ হব লাগে। এই বিষয়টো অতি আৰ্জেণ্ট। তাৰ উপৰিও ইয়াৰ ৰাজহুৱা গুৰুত্ব থাকিব লাগে। এই ক্ষেত্ৰত এই বিষয়টো ৰাজহুৱা ইম্পৰটেন্স আছে। যি খন ৰাজ্যত নিৰাপত্তাৰ কাৰণে আৰ্মী অনা হ'ল বুলি কলে সেই আৰ্মীক কিন্তু সকলোখিনি দিয়া হ'ল। ৰাজ্য খনৰ আইন শৃংখলাৰ ভাৰ আৰ্মীৰ ওপৰত দিয়া হ'ল পুলিচক সুধিলে একো নাজানো বুলি কয় আৰু ডি-চিক সুধিলেও একো নাজানো বুলি কয়। ৰাজ্যখনৰ সংবিধান অনুসৰি যি বিলাক কাম কাজ হব লাগে সেই মতে নহৈ সংবিধান খন আন অৰ্থত ব্যৱহাৰ কৰি আছে। সেই কাৰণে ইয়াৰ ৰাজহুৱা গুৰুত্ব আছে।

অধ্যক্ষ মহোদয়, কালি বিধান সভাত মুখ্যমন্ত্ৰীয়ে উত্তৰ দান কালত ১৪৪ ধাৰা ভঙ্গ কৰিলে লাঠি চাৰ্জ কৰাৰ কথা কৈছিল কিন্তু ১৪৪ ধাৰা ভঙা কৰিলে আগতে ওৱাৰ্ণিং দিব লাগে। মাইক আদিৰে ঘোষণা কৰিব লাগে আঁতৰি যোৱাৰ কাৰণে, তাৰ পিচতো নগলে টিয়াৰ গেচ দিব পাৰে। গ্ৰেপ্তাৰ কৰিব পাৰে কিন্তু তাকে নকৰি অপ্ৰৰোচিত ভাৱে লাঠি চালনা কৰাত কিমান দূৰ সমিচীন হৈছে সেইটো আপুনি চাব লাগে অধ্যক্ষ মহোদয়। মুখ্যমন্ত্ৰীয়ে আৰু কৈছে যে কেচ ৰেজিষ্টাৰ কৰিছে। যদি কেচ ৰেজিষ্টাৰ কৰিছে তেনেহলে কাকো

গ্ৰেপ্তাৰ কৰা নাই কিয় ? মাননীয় সদস্য অ'ল উদ্দিন সৰকাৰ, প্ৰমোদ গগৈ ডাঙৰীয়া ইয়াতে আছে। তেখেতসকলক এৰেষ্ট কৰা নাই । এতিয়া পিচৰ তাৰিখত এৰেষ্ট কৰা দেখুৱাব পাৰে কিন্তু সেইটো কৰিবলৈ হ'লেও এৰেষ্ট কৰাৰ সময়ত আপোনাক জনাব লাগিব। আপোনাৰ অনুমতি ব্যতিৰেকে বিধান সভাৰ সদস্যক এৰেষ্ট কৰিব নোৱাৰে। তাৰ মানে বুজা গল ধৰ্মঘটকাৰী ধৰ্ণাকাৰী সকলক এৰেষ্ট কৰা নাই । মিলিটাৰি লগাই শাসন কৰা এই চৰকাৰে জনকল্যাণমুখী উন্নয়নৰ কোনো কাম কৰা নাই। এটা উদাহৰণ হিচাবে কৈছো সিদিনা এখন সভাত আনোৱাৰা বাইদেওয়ে সভাপতিত্ব কৰিছিল আৰু তাত আমাৰ মন্ত্ৰী নকুল দাস ডাঙৰীয়াই কুকুৰা হাইস্কুলৰ কাৰণে পঞ্চাশ হাজাৰ টকা দিয়া বুলি ঘোষণা কৰিছিল যদিও তাৰ পিচত জানিব পাৰিছো টকা খিনি কাঢ়ি আনি আন ঠাইলৈ লৈ গৈছে। গতিকে ইয়াৰ ৰাজহুৱা গুৰুত্ব আছে । মাননীয় নকুল দাসক সেইকাৰণে মানুহে নৰম দাস, কোমল দাস আৰু কোনো কোনোৱে মিহি দাস বুলিও কয় ।

Shri Mukut Sharma ( Minister ) : Sir, the word 'air-hostess' should be expunged from the Proceedings of the House.

Mr. Speaker : The word 'air-hostess' is expunged from the Proceedings.

* শ্ৰীজয় নাথ শৰ্মা : মই উইড্ৰ কৰিছো । কোৱাখিনি কলোৱেই তাৰ পিচত এতিয়া উঠাই লৈছো । কোৱা খিনি মই উঠাই লৈছো কিন্তু আগতে কৈহে উঠাই লৈছো। মই আনে কি বুলি কয় সেই খিনিহে কৈছো। এতিয়া উঠাই লৈছো । এতিয়া কথা হৈছে গোটেই বিলাক কথাৰ ৰাজহুৱা গুৰুত্ব আছে। লাঠি চালনা কৰাৰ ক্ষেত্ৰত প্ৰশাসনিক দিশত বিশেষ ভাবে গুৰুত্ব আছে কিয়নো পুলিচে ভাবে তেওঁলোকে যিয়েই নকৰক কিয় চৰকাৰে এপ্ৰোভ কৰিব। গতিকে মেজিষ্ট্ৰেট থাকক বা নাথাকক আইন ভঙ্গ কৰক বা নকৰক লাঠি চালনা কৰি ছত্ৰভঙ্গ দিয়াব। এই গোটেই বিষয়টোত চাৰিটা কথা সন্নিবিষ্ট হৈ আছে। গতিকে সভা স্থগিত প্ৰস্তাৱৰ কাৰণে এইটো উপযুক্ত হৈছে । ইয়াৰ সকলো খিনি যোগ্যতা আৰু গুণ আছে।

Sir, I quote the ruling the Honourable Lok Sabha. "That the House do now stands adjourned to discuss a definite, urgent and public importance matter of yesterday's occurence.

* Speech not corrected.

অধ্যক্ষ মহোদয়, ইয়াত দুই তিনিটা কথা নাই। কথাটো ডেফিনিট হ'ব লাগে, এইটো এটা ডেফিনিট মেটাৰ। আৰু আৰ্জেণ্ট হ'ব লাগে। কথাটো যোৱা কালিৰ আৰু আজি আলোচনাৰ কাৰণে নোটিচ্ দিছো। Sir, Rule 56 is very clear, there is a clear provision.

অধ্যক্ষ মহোদয়, যোৱা কালি ঘটা ঘটনা আৰু আজি নোটিচ্ দিছো। নোটিচ্খন পাৰ্লিয়ামেণ্টৰী মিনিষ্টাৰলৈ পঠিয়াইছো, আইন মন্ত্ৰী আছে কিন্তু কোনেও নোটিচ্ ৰখা নাই কাৰণে চিফ মিনিষ্টাৰৰ ওচৰত নোটিচ্ দিছিলো যদিও তাতো ব্যক্তিগত সচিবে নোটিচ্খন ৰিজেক্ট কৰিছে। মোৰ নোটিচ্খন ৰিজেক্ট কৰিবলৈ ব্যক্তিগত সচিব বা সচিবালয়ৰ ষ্টাফৰ কি কৰ্তৃত্ব আছে। আমাৰ নোটিচ্ ৰিজেক্ট কৰিবলৈ তেওঁলোক কোন? কালি মুখ্যমন্ত্ৰী দিল্লীলৈ যাব লাগে বুলি আপোনালৈ শ্লিপ এখন দিয়াৰ কাৰণে সদনৰ কাম-কাজ সোনকালে শেষ কৰিব যদি লাগে তেন্তে কোনটো বেছি গুৰুত্বৰ কাম হ'ব বাৰু? সদন চলি থকাটো বেছি গুৰুত্বপূৰ্ণ কথা নে মুখ্যমন্ত্ৰী দিল্লীলৈ যোৱাটো বেছি গুৰুত্বপূৰ্ণ সেইটো আপুনি সিদ্ধান্ত ল'ব, অধ্যক্ষ মহোদয়।

(সদনত কোলাহল। কেবাজনো মাননীয় সদস্যই একেলগে কয়। কাৰো মাত স্পষ্ট নহয়)।

নোটিচ্খন কোনেও নোলোৱাত পেপাৰত দেখা মতে হাউচৰ ডেপুটি লিডাৰ এজন থকা বুলি জানিছো যদিও হাউচত ডেপুটি লিডাৰ নাই। সেই মতে লাংথাছা চাহাবৰ ওচৰলৈ নোটিচ্খন পঠিয়াই দিছো। কিন্তু মুখ্যমন্ত্ৰী তাত নোটিচ্খন ৰিজেক্ট কৰি আমাৰ প্ৰিভিলেজ ভংগ কৰিছে। আমি ৰাজহুৱা স্বাৰ্থৰ কাৰণেহে কাম কৰি আছো অথচ আমাৰ নোটিচ্ লোৱা নাই। গতিকে ৰুল ৫৬ মতে সভাস্থগিত প্ৰস্তাৱ দিব লাগে।

(ভইচ: কি মিল আছে এডজৰ্ণমেণ্ট মোচনৰ লগত?)

অধ্যক্ষ মহোদয়, এতিয়া চৰকাৰে আইনগত কথাবিলাক বাদ দিছে। মই শিক্ষামন্ত্ৰী মহোদয়লৈ লিখিছিলো কিন্তু টেবুলত থোৱা বুলি কৈছে যদিও নাপালো। ইয়াত থোৱা নাই। নীতিগত ভাৱে ৰাজহুৱা গুৰুত্ব থকা স্বত্বও দিয়া নাই।

মাননীয় অধ্যক্ষ: আপুনি এড্মিচিবিলিটিৰ ওপৰত কওঁক।

শ্ৰীজয় নাথ শৰ্মা: ব্যক্তিগত ভাৱে থকা পাব্লিক ইম্প'ৰটেন্স থকা এইখন নোটিচ্ মতে কাম হোৱা নাই।

---

* Speech not corrected.

Mr. Speaker : When I have allowed to speak on the admissibility of the adjournment, please stick to that only.

Shri Mukut Sharma (Minister) : Sir, what are the things he is speaking of. He is speaking on other things.

শ্ৰীজয় নাথ শৰ্মা : লাঠি চালনা কৰিবলৈ দিব পাৰে কিন্তু আমাৰ ৰাজহুৱা গুৰুত্বপূৰ্ণ নোটিচ্ এখন ৰাখিব নোৱাৰে।

( ভইচ : ইৰেলিভেণ্ট )

Sir, Rule 58 of the Rules of Procedure and Conduct of Business of the Assam Legislative Assembly says that 'Notice of an adjournment motion shall be given before the commencement of the sitting on the day on which the matter is proposed to be made to each of the following :

(i) The Speaker.

(ii) The Minister concerned and

(iii) The Secretary.

এতিয়া দেখা গৈছে ৰাজহুৱা গুৰুত্বৰ কাৰণ এই চৰকাৰৰ একো নাই। কিন্তু এই বিষয়টোৰ লগত ৰাজহুৱা স্বাৰ্থ জড়িত আছে। গুৰুত্বপূৰ্ণ বিষয় জড়িত হৈ আছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হাতত দিয়া ষ্টেটমেণ্টৰ পিছতে নেপালী মহিলা সকলক অপ্ৰৰোচিত ভাৱে লাঠি চালনা কৰি গুৰুতৰ ভাৱে আহত কৰিছে। গ্ৰেপ্তাৰ কৰা নাই, ছত্ৰভংগ দিয়াৰ কাৰণে টিয়াৰ গেচ দিয়া নাই অথচ অমানুষিক অত্যাচৰ কৰিছে। জোতাৰে গুৰিয়াই আহত কৰিছে। হস্পিতাললৈ গৈও ৰক্ষা পৰা নাই। ওচৰত থকা মানুহো সাৰি যোৱা নাই। গতিকে এই বিষয়টো অতি গুৰুত্বপূৰ্ণ। সেই কাৰণে ৰাজহুৱা গুৰুত্বপূৰ্ণ এই বিষয়টো আজিৰ সদনৰ সকলো কাৰ্য্যসূচী স্থগিত ৰাখি হ'লেও আলোচনা কৰিবলৈ আপুনি ৰুলিং দিব।

* শ্ৰীগোলোক ৰাজবংশী ( সংসদী পৰিক্ৰমা মন্ত্ৰী ) : মাননীয় অধ্যক্ষৰ মহোদয়, মাননীয় সদস্য শ্ৰীজয় নাথ শৰ্মা যিটো সভা স্থগিত প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱৰ পৰা মই ধৰিব নোৱাৰিলো তেখেতৰ প্ৰস্তাৱৰ বিষয়বস্তুটো কি ? কাৰণ তেখেতে প্ৰস্তাৱটো মোভ্ কৰা নাই এটা বক্তৃতাহে দিলে গতিকে মই ধৰিব নোৱাৰিলো বিষয়টো কি ?

* Speech not corrected.

★ শ্ৰীজয় নাথ শৰ্মা : অধ্যক্ষ মহোদয়, আপুনি মোৰ মোচনটো পঢ়ি দিয়া কাৰণে মই আৰু বেলেগে মাতি নিদিলো মই এতিয়াও মাতি দিছো হয়তো এবচেঞ্চ মাইন্দেদ হৈ আছে—

★ শ্ৰীগোলোক ৰাজবংশী ( সংসদী পৰিক্ৰমা মন্ত্ৰী ) : অধ্যক্ষ মহোদয় কলমতে তেখেতে মোচনটো ফৰ্মেলী দাঙি ধৰিব নোৱাৰিলে। তেখেতৰ বক্তৃতাৰ পৰাহে আমি গম পালো বা অনুমান কৰিব পাৰিছো তেখেতে কি কব বিচাৰিছে। তেখেতৰ বক্তৃতাৰ পৰা অনুমান কৰিব পাৰি যে যোৱাকালি মুখ্যমন্ত্ৰী মহোদয়ে লাঠি চাৰ্জ সম্পৰ্কে যি বিবৃতি দিলে সেই বক্তৃতাৰ প্ৰৰোচনাতহে নেপালী ছাত্ৰ সন্থাই ধৰ্না দিছে আৰু পুলিচে উৎসাহিত হৈ কালি আকৌ লাঠিচাৰ্জ কৰিছে। গতিকে বিষয় বস্তু দুটা হ'ল— এফালে মুখ্যমন্ত্ৰীৰ বিবৃতি আনফালে নেপালী ছাত্ৰ সন্থাৰ সমদল।

Let me reply. Not more than one such motion shall be made at the same sitting. (ii) Not more than one matter can be discussed on the same motion and the motion must be restricted to a specific matter of recent occurence. What is the matter ? (i) Either the statement of the Chief Minister or (ii) the lathi charge. Which is the matter sought to be referred for adjournment motion is not clear. Two matters brought together here. It is same thing.

গতিকে সভাস্থগিত প্ৰস্তাৱটো দুটা মেটাৰৰ ওপৰত হ'ল। এটা হ'ল মুখ্য মন্ত্ৰীৰ বিবৃতি আৰু আনটো হ'ল নেপালী ছাত্ৰ সন্থাৰ সমদল আৰু তেওঁলোকৰ ওপৰত লাঠি চাৰ্জ। তেখেতে এনেধৰণে কব বিচাৰিছে যে যোৱা কালি মুখ্য মন্ত্ৰীৰ বিবৃতিৰ পাছতহে পুলিচে বল পাই নেপালী ছাত্ৰ সন্থাৰ ওপৰত লাঠি চাৰ্জ কৰিছে। ( সদনত হুলস্থুল, ভইচ—সেইটো কোৱা নাই ) শৰ্মাহতৰ বক্তৃতাৰ পৰা তাকেই বুজিলো—

★ শ্ৰীজয় নাথ শৰ্মা : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে হতে বুলি কৈছে, হতে শব্দটো তেখেতে কব নোৱাৰে, তেখেতে উঠাই লব লাগে।

( ভইচ—হয়, উঠাই লব লাগে )

---

★ Speech not corrected.

★ শ্ৰীগোলাক ৰাজবংশী : মই উঠাই লৈছো ।

একালে তেখেতে সদনৰ ভিতৰৰ কথা কৈছে মুখ্যমন্ত্ৰীৰ বিবৃতি, আন এটা সদনৰ বাহিৰৰ কথা কৈছে নেপালী ছাত্ৰ সন্থাৰ ওপৰত লাঠি চাৰ্জ আৰু সেই লাঠি চাৰ্জ পুলিচ মুখ্যমন্ত্ৰীৰ বক্তৃতাত উৎসাহিত হৈ কৰিছে। ফলমতে তেখেতে দুটা বিষয় আনিব নোৱাৰে ।

It is not clear in the motion itself. So it is not a matter of adjournment. The second thing is the lathi charge.

এটা সদনৰ ভিতৰৰ আনটো সদনৰ বাহিৰৰ মই এতিয়া কোনটো কথাত আৰ্গুমেণ্ট কৰিম ভাবিব পৰা নাই। মুখ্যমন্ত্ৰীয়ে কালি বিবৃতি দিছে সেই বিবৃতিত তেখেতে কি কৈছিল সকলোৱে জানে ।

★ দেৱান জয়নাল আবেদিন : অধ্যক্ষ মহোদয়, মোৰ এটা পইণ্ট অৱ অৰ্ডাৰ আছে।

মাননীয় অধ্যক্ষ : মন্ত্ৰী মহোদয়ৰ উত্তৰৰ পাছত আপোনাৰ পইণ্ট অৱ অৰ্ডাৰ ৰেইজ কৰিব । এজনে বক্তৃতা দি থাকিলে তাৰ মাজত পইণ্ট অৱ অৰ্ডাৰ নহয় ।

★ শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : মুখ্যমন্ত্ৰী মহোদয়ৰ বিবৃতিৰ ওপৰত ইতিমধ্যে আলোচনা হৈ গৈছে। লাঠিচাৰ্জ জাষ্টিফাইড হয়নে নহয় সেই বিষয়ে বিধান সভাত আলোচনা কৰিবলৈ যথেষ্ট স্কোপ পাব ।

Whether Lathi charge in that way is justified or not? Such type of matter can be discussed throughout the whole Session and when there is scope to discuss such matters whether it is justified or not. What are the restrictions? The motion must not revive a discussion on a matter which has been discussed in the same session. The other matter 'lathi charge' that was discussed yesterday and today also. Then it is under the process of discussions and throughout the whole Session of the Assembly this can be discussed. So it cannot be a fit case for adjournment motion. Then sir, 'the motion must not anticipate a matter which has been

---

★ Speech not corrected.

previously appionted for consideration or with reference to which a notice of motion has been previously given. The motion must not deal with matter on which a resolution could not be moved ; the motion shall not deal with any matter which is under adjudication by a Court of Law having jurisdiction in any part of India ; then the motion shall not raise a question of privilege.

এইটো ইয়াত দিয়া নাই, গতিকে এই পইণ্টটো ইয়াত নাহে। মাননীয় শৰ্মা ড'ঙৰীয়াই তেখেতৰ বক্তৃতাত প্ৰিভিলেজৰ কথাও উল্লেখ কৰিছে, মৰা ধনশিৰীৰ কথাও উল্লেখ কৰিছে। এই কথা ইয়াত আহিব নোৱাৰে।

Members of this August House can discharge their duties efficiently and freely, there should not be any outside obstructions. With a view to meeting certain situation, sec. 144 was impossed, law must be allowed to take its own course. তেখেতে মিনিষ্ট্ৰিয়েল ৰেচপনচিবিলিটিৰ কথাও উল্লেখ কৰিছে, মুখ্যমন্ত্ৰীৰ বিবৃতিৰ কথাও কৈছে, অসমীয়াত এটা কথা আছে 'ঢেকীত মহে খালে উৰালে ফৰকৰায়"। গতিকে তেখেতে কৈছে যে মুখ্যমন্ত্ৰীয়ে বক্তৃতা দিলে তাৰ কি একচন হ'ল আৰু যোৱা কালি তাৰ কাৰণে লাঠি চাৰ্জ হ'ল গতিকে এই সভা স্থগিত প্ৰস্তাৱ হ'ব নোৱাৰে।

মুখ্যমন্ত্ৰীৰ ৰেফাৰেঞ্চ টানিছে যেতিয়া মুখ্যমন্ত্ৰীয়ে বিবৃতিত কৈছিল যে এই অঞ্চলত ১৪৪ ধাৰা চলি আছে। আমাৰ গোটেই বিধান সভা চৌহদটোৱেই ৰেষ্ট্ৰিকটেড এৰিয়া ঘোষণা কৰিছে। তাৰ কাৰণে মাননীয় সদস্য সকলৰ নিশ্চয় কিছু অসুবিধা হৈছে। কিন্তু উপায় নাই। সদস্য সকলৰ ৰক্ষণা-বেক্ষণৰ কাৰণে আমি কিছুমান কাম কৰিবলগীয়া হৈছে - House to protect 144 sec. is laid down in law. So it is a legal matter. গতিকে তেওঁলোকে ১৪৪ ধাৰা ব্ৰেক কৰিছে। এইটো জাষ্টিফাইদ হয় নে নহয় সেইটো দিফাৰেণ্ট থিং। গতিকে বিষয়টোত কিবা পাব্লিক ইম্পৰটেঞ্চ আছে বুলি আমি বিশ্বাস নকৰো। এইবিলাক বিষয় আলোচনা কৰিবৰ কাৰণে যথেষ্ট স্কোপ এই বিধান সভাত পোৱা যাব। এইবিলাক বিষয় কালিও আলোচনা হৈছে আজিও হৈছে।

* Speech not corrected.

তেখেতে সভা স্থগিত প্ৰস্তাৱটো উত্থাপন কৰিবলৈ গৈ ধনশিৰীৰ পৰা কুকুৰালৈ বহুত বিলাক কথা কৈছে। গতিকে এইটো সভা স্থগিত প্ৰস্তাৱৰ বিষয় বস্তু নহয়—He is not clear himself. He is week in his own judgement.

★Dewan Joynal Abedin : Sir, I want to raise a point of order because for the speech of the Minister, Parliamentary Affairs, it appears that he is not clear whether the subject matter of the adjournment motion is one matter. Whether it is one matter or more than one matter. He has rightly stated if the matter is more than one it is not a fit matter for adjournment motion. That is why it should be clearly stated what is the motion exactly. Here Rule 60 says, "The Speaker, if he gives consent under Rule 56 and holds that the matter proposed to be discussed is in order, shall after the questions and before the list of business is entered upon, call the member concerned who shall rise in his place and ask for leave to move the adjournment of the House, provided that the Speaker has refused his consent under Rule 56 or is of opinion that the matter proposed to be discussed is not in order. If he thinks it necessary, read the notice of motion and state the reasons for refusing consent or holding the motion as being not in order. Now whether you accept it or you reject. The House has got the right to know. We want to know what exactly the matter is ?

Then again Sub-Section 2 of Rule 60, "If objection to leave being granted is taken, the Speaker shall request those Members who are in favour of leave being granted to rise in their places, and if not less than (one-tenth of the total number of member in the House ) rise accordingly

*Speech not corrected.

the Speaker shall intimate that leave is granted. if less than (one-tenth of the total number of Members in the House) rise, the Speaker shall inform the member that he has not the leave of the House".

Now, you might take the opinion of the House by votes. While raising the matter, the Members have got right to know what exactly the contents of the motion is ?

Mr. Speaker : The honourable member has given the notice for adjournment motion but I did not allow the first para. Only second para was allowed by me. I read out the second portion only. I am again reading out it. "দিশপুৰত ধৰ্ণা দিয়া নেপালী ছাত্র সন্থাৰ এদল শোভাযাত্রাকাৰীক ছত্রভংগ দিবলৈ পুলিচৰ লাঠি চালনাত কেইবা গৰাকী মহিলাকে ধৰি ১৫ জন লোক আহত হয়।" Only this portion I allowed and I have already gone through it. In the statement made by the Honourable Chief Minister about the lathi charge on 4th March, there was no mention about the second portion. I have allowed that portion only as other things were not necessary. I have heard patiently and carefully Honourable member Shri Zoii Nath Sarma. I thank him as he was speaking and speaking continuously and elaborate and at the same time I heard the replies given the Minister in-charge of Parliamentary Affairs, as well as the clarification asked by Shri Joynal Abedin. After hearing all these, I have reserved by ruling. Now we proceed to item No. 2.

Dewan Joynal Abedin : Sir, you are to take opinion of the House.

Mr. Speaker : No, no. Now, item No. 2.

---

Speech not corrected.

## CALL ATTENTION NOTICE

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা : অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নম্বৰ নিয়মৰ অধীনত ১৯৯২ চনৰ ১৫ ফেব্ৰুৱাৰী তাৰিখৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত 'চৰকাৰী জাননী নামতে, পাহাৰৰ মাটি কাটি আছে।' শীৰ্ষক বাতৰিটোৰ প্ৰতি মুখ্যমন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব।

মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী মহানগৰীত পাহাৰৰ মাটি কাটি থকা সমস্যাটো এটা জটিল সমস্যাই দেখা দিছে। ইতিমধ্যে জিলা প্ৰশাসনে গুৱাহাটীৰ ভিতৰত যিকেইখন পাহাৰ আছে সেই পাহাৰ কেইখনৰ পৰা মাটি কটা নিষিদ্ধ কৰি জাননী দিছে। কিন্তু জাননী দিলে কি হ'ব চাৰ, জাননী নামতহে কাগজত আছে। কিন্তু কাৰ্য্যকৰী ব্যৱস্থা জিলা প্ৰশাসনে লোৱা নাই। এতিয়া কথা হৈছে যে এই জটিল সমস্যাটো এক্সপ্লেন কৰি দিয়াৰ যুক্তি আছে কাৰণে মই ক'ব বিচাৰিছো।

Shri Mukut Sarma: Sir, under Rule 54 he can only raise the matter and no speech he can make.

* শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, আজি গুৱাহাটী মহানগৰীত যিখিনি মাটি আছে সেই পাহাৰৰ মাটি কটাৰ ফলত বহুতো মানুহৰ মৃত্যু হৈছে আৰু পাহাৰৰ মাটি কতাৰ ফলত ভূমিস্খলন হৈছে। তাৰ ফলতো বহুত মানুহৰ মৃত্যু হৈছে। আজি কেইবছৰ মান আগতে আমাৰ অঞ্চলত ভূমিস্খলন হৈ মানুহৰ মৃত্যু হৈছে। আমি দেখিবলৈ পাইছো পাহাৰৰ মাটি কাটি নি আছে জিলা প্ৰশাসনে কোনো ব্যৱস্থা লোৱা নাই। আমি শুনিবলৈ পাইছো যে যি সকলে পাহাৰৰ মাটি কাটি নি আছে সেই সকলৰ লগত পুলিচৰ কিবা চুক্তি আছে যাৰ ফলত নেকি তেওঁলোকক সহজতে মাটি নিবলৈ দিয়া হৈছে। অধ্যক্ষ মহোদয়, এই পাহাৰৰ মাটি কটাৰ ফলত গুৱাহাটীৰ যি পাৰিপাৰ্শিকতা সেইটো বিনষ্ট হৈছে। আৰু এই পাহাৰৰ মাটি কটাৰ ফলত আমাৰ গুৱাহাটীত যি বৰষুণ হৈছে সেই বৰষুণৰ পানী গৈ ড্ৰেইন বিলাকত পাহাৰৰ মাটিৰে পুতি পেলাইছে যাৰ ফলত বানপানী সৃষ্টি হৈছে। সেয়েহে চৰকাৰে কঠোৰ নিৰ্দেশ দিব লাগে যাতে গুৱাহাটীত মাটি কাটিব নোৱাৰে আৰু যি সকলে কাটে সেই সকলক জেইল জৰিমনা দিয়াৰ ব্যৱস্থা কৰিব লাগে। অৱশ্যে মই এইটো কোৱা নাই যে গুৱাহাটীত মানুহে ঘৰ বান্ধিব নেলাগে। তেওঁলোকে ঘৰ বান্ধক আৰু ঘৰ বন্ধাৰ কাৰণে বাহিৰৰ পৰা

* Speech not corrected.

অৰ্থাৎ চুনচালি আদিৰ পৰা মাটি অনাৰ ব্যৱস্থা কৰিলে ভাল হয়। যদিহে এইটো কৰা হয় তেতিয়াহলে গুৱাহাটীৰ ৰাইজ বানপানীৰ পৰা ৰক্ষা পৰিব। নহলে বাৰিষা ভূমিস্খলন হৈ মানুহৰ মৃত্যু হব। মই আশা ৰাখিছো যে চৰকাৰে এই ক্ষেত্ৰত কঠোৰ ব্যৱস্থা লব। ইয়াকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

Mr. Speaker : Now, Minister Shri G. C. Langthasa.

★ শ্ৰীজি, চি, লাংথাছা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, সাধাৰণতে মাটি কাটিবলৈ বন বিভাগৰ পৰা অনুমতি প্ৰদান কৰা হয় কিন্তু গুৱাহাটী বাসী নাগৰিক ও পৰিবেশ সংৰক্ষণৰ বৃহত্তৰ স্বাৰ্থত আৰু বিশেষ সমুহীয়া কাৰণ বশতঃ গুৱাহাটীৰ আশে পাশে মাটি কটা সমূহীয়া সিদ্ধান্তৰ মৰ্মে বন্ধ ৰখা হৈছে। এই সিদ্ধান্ত ৰূপান্তৰিত কৰাৰ অৰ্থে জিলা প্ৰশাসনে মাজে সময়ে ১৪৪ ধাৰাৰ অধীনত নিষেধাজ্ঞা জাৰি কৰিছে। ১৪৪ ধাৰা প্ৰৱৰ্ত্তিত হৈ থকা সময়তো কামৰূপ জিলাৰ উপায়ুক্তৰ অনুমতি সাপেক্ষেহে কিছু মাটি কটাৰ অনুমতি প্ৰদান কৰা হৈছে। যোৱা দুটা বিগত বছৰত এনেদৰে ৫২ টা অনুমতি পত্ৰ বিভিন্ন ব্যক্তিক দিয়া হৈছিল। কিন্তু ১০-১-৯২ তাৰিখে লোৱা সমূহীয়া সিদ্ধান্তৰ মৰ্মে মাটি কটা সম্পূৰ্ণভাৱে বন্ধ কৰিবলৈ সিদ্ধান্ত লোৱা হয়।

১৪৪ ধাৰা প্ৰৱৰ্ত্তিত হৈ থকা অৱস্থাতো মাজে মাজে অবৈধভাৱে মাটি কাটি নিয়া কথাটো সম্পূৰ্ণ ভাৱে নুই কৰিব নোৱাৰি। বনবিভাগেও আৰক্ষী বিভাগৰ দ্বাৰা এনে অবৈধ কাৰ্য্য ৰোধ কৰিবলৈ চেষ্টা চলোৱা হৈছিল আৰু হৈ আছে। বন বিভাগে বিগত দুই বছৰত ১৯৯০-৯১ আৰু ১৯৯১-৯২ চনত মুঠ ২০০ টা গোচৰ নিজাববীয়াকৈ ধৰা পেলায় আৰু বিধিসন্মত ভাৱে বিভাগীয় ব্যৱস্থা লয়, যাৰ ফলত মুঠ ১,৭১,০৮১'০০ টকা ৰাজহ, জৰিমনা আৰু কৰ আদায় কৰিবলৈ সক্ষম হয়। উক্ত ৰাজহৰ ভিতৰত আৰক্ষী বিভাগে প্ৰেৰণ কৰা ৩৯ টা গোচৰৰ ৰাজহো অন্তৰ্ভূক্ত হৈ আছে।

বেলতলা মৌজাৰ অধীনস্থ সৰু মটৰীয়া, হেঙেৰাবাৰী আৰু দ্বাৰকা নগৰৰ লগতে কাহিলিপাৰাত মাটি কটাৰ বাবে ওপৰত উল্লেখ কৰা মতে জিলা উপায়ুক্তৰ নিৰ্দ্দেশক্ৰমে কিছুসংখ্যক অনুজ্ঞাপত্ৰ বনবিভাগৰ পৰা প্ৰদান কৰা হৈছিল। উক্ত অঞ্চল বিলাকৰ পৰাও অবৈধভাবে মাটি কটাৰ বহুতো গোচৰ পঞ্জীভূক্ত কৰি বিভাগীয় ভাবে ব্যৱস্থা লোৱা হয়। ইয়াৰোপৰি আৰক্ষী বিভাগে ৩৯টা গোচৰ পঞ্জীভূক্ত কৰি বিভাগীয় ব্যৱস্থা লবলৈ বন বিভাগলৈ প্ৰেৰণ কৰে।

* Speech not corrected.

ৰাংহুৱা অভিযোগ জিলাৰ উপায়ুক্ত বা মুখ্যমন্ত্ৰীৰ আগত দাখিল কৰাৰ তথ্য বনবিভাগৰ জিম্মাত নহয়।

Mr. Speaker : Now, item No. 3, Shri Zoii Nath Sarma to raise a matter under Rule 301 of the Rules of Procedure and Conduct of Business.

## MATTER UNDER RULE 301

★ শ্ৰীজয় নাথ শৰ্মা : অধ্যক্ষ মহোদয়, মই ৰুল ৩০১ ৰ অধীনত এটা বিষয় উৎথাপন কৰিব খুজিছো। যোৱা ১৩ ফেব্ৰুৱাৰী তাৰিখে 'আজিৰ অসম' কাকতত প্ৰকাশিত "লক্ষাধিক টকা উধাও—তদন্তৰ দাবী" এই ঘটনা অতি ৰহস্যজনক কথা হৈছে। মঙ্গলদৈ মহকুমাৰ অন্তৰ্গত তুনী উচ্চতৰ মাধ্যমিক স্কুলৰ শিক্ষক সকলে ৫মাহৰ দৰমহাৰ টকাখিনি পোৱা নাই এই টকাখিনি চুৰি হোৱা বুলি কৈছে। এই টকাখিনি উধাও হোৱা ক্ষেত্ৰত পুলিচৰ লোকো জড়িত আছে বুলি অভিযোগ উঠিছে। ঘটনাৰ দিনা তুনী উচ্চতৰ মাধ্যমিক স্কুলৰ সহকাৰী শিক্ষক এজন আৰু সেই স্কুলৰে সহকাৰী এজনে মঙ্গলদৈ ষ্টেট বেংকৰ পৰা ১ লাখ ২৩ হাজাৰ টকা উঠাই ৰাজদূত নামৰ হোটেল এখনত ভাত খাবলৈ বহে। সেই সময়ত হোটেলত আৰু অন্য কোনো গ্ৰাহক বুলি জনা যায়। সেই সময়ত হোটেলত হোটেলৰ মালিক আৰু কৰ্মচাৰী সকলৰ বাহিৰে অন্য মানুহ নাছিল। তেওঁলোকে ভাত খায় উঠি এজনে পইচা দিবলৈ টকাৰ বেগটো চোৱাত দেখে যে টকাৰ বেগটো নাই। তেওঁলোকে লগে লগে ঘটনাটোৰ বিষয়ে পুলিচত খবৰ দিয়ে। কিন্তু পুলিচে ঘটনা তদন্ত কৰিবলৈ লগে লগে নাযায় তেওঁলোকৰ এজনক এজাহাৰ লিখোৱা অজুহাতত তাক কিছু সময় আবদ্ধ কৰি ৰাখে। ঘটনাটো যি ঠাইত হৈছিল সেই ঠাইলৈ ২/৩ মিনিট মানৰ ভিতৰতে পুলিচৰ লোক যাব পাৰিলেহেঁতেন। কিন্তু তেওঁলোক লগে লগে নগৈ মনে মনে এজন পুলিচকহে তালৈ পঠালে। এই পুলিচ জনক তালৈ পঠোৱা ক্ষেত্ৰত কিবা ষড়যন্ত্ৰ আছিল বুলি অনুমান কৰিব পাৰি। তাৰ পিচত আকৌ বাতৰি ওলাল যে উক্ত টকা খিনি ওলাল কিন্তু পুলিচৰ অৰ্দ্ধং আৰু হোটেলৰ অৰ্দ্ধং হল। মই পুলিচৰ বিৰুদ্ধে কবলৈ যোৱা নাই। তেওঁলোকৰ মাজতো বহুতো সৎ লোক আছে। কিন্তু এই ঘটনা সন্দৰ্ভত তেওঁলোকে যি তৎপৰতাৰে ব্যৱস্থা লব লাগিছিল তাৰ প্ৰতি অৱহেলা কৰা দেখা গৈছে।

★ Speech not corrected.

এই টকাখিনি উদ্ধাৰ কৰাৰ কাৰণে পুলিচে লগে লগে ব্যৱস্থা গোটেই স্কুলৰ শিক্ষক কৰ্মচাৰী সকলে তেওঁলোকৰ এমাহৰ দৰমহা হৈ আছে। এতিয়া মোৰ প্ৰশ্ন হৈছে পুলিচে সময় মতে ব্যৱস্থা নললে পুলিচে আজিলৈকে ৰাজদূত হোটেলৰ মালিকক মাতি আনি জেৰা কৰা অৱশ্যে মোৰ ৩০১ ৰ নোটিচ পোৱাৰ পিচত কিবা জেৰা কৰিছে নেকি কব নোৱাৰো । কিন্তু পুলিচে যদি লগে লগে হোটেলখন ঘেৰাও কৰি গোটেই ঘটনাটো চালেহেঁতেন তেনেহলে নিশ্চয় টকা খিনি পালেহেঁতেন। আন এটা কথা হৈছে মনে মনে চিপাহীজনক তালৈ কিয় পঠালে ? সেই কাৰণে এই ঘটনাৰ লগত পুলিচৰ মানুহ জড়িত আছে বুলি সন্দেহ কৰা থল আছে। আজি সেই স্কুলৰ ১১৪/১৫ জন মানুহে এমাহৰ দৰমহা নোপোৱাৰ ফলত তেওঁলোকৰ অৱস্থা কেনে হব পাৰে সেইটো সকলোৱে অনুমান কৰিব পাৰিব । সেই কাৰণে মই বিষয়টো উংথাপন কৰিছো আৰু মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিছো যাতে সেই মাহৰ দৰমহা খিনি আদায় দি তেওঁলোকৰ অভাব দূৰ কৰে। এই বিনিতে মই পুনৰ অনুৰোধ কৰিব খোজো যে যিহেতু এই লোক কেইজন চৰকাৰী চাকৰিয়াল আৰু তেওঁলোকৰ চাকৰিও স্থায়ী, গতিকে তেওঁলোকৰ দৰমহা খিনি তদন্ত শেষ নোহোৱাকৈও আদায় দিয়াৰ ব্যৱস্থা কৰিব পাৰে। প্ৰয়োজন হলে তেওঁলোকৰ পৰা পিচত কাটি ৰাখিব। সেই কাৰণে বিষয়টো মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে চৰকাৰৰ দৃষ্টি গোচৰ কৰিলো আৰু যাতে উক্ত স্কুলৰ শিক্ষক কৰ্মচাৰী কেইজনে অভাৱ অনাটন ভোগ কৰিব নালাগে তাৰ প্ৰতি অনুৰোধ কৰিলো আৰু তাৰ লগতে তদন্তত যি সকলে হেমাহী কৰিছে সেই বিষয়েও চৰকাৰে দৃষ্টি দিব বুলি আশা ৰাখিলো ।

শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাছা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই বিষয়টোৰ সংক্ৰান্তত আজি মোৰ হাতত তথ্য পাতি নাই। মই বিষয়টো তদন্ত কৰাই পিচত সদনত বিবৃতি দিম ।

**Presentation of the list of Supplementart Demands for Grants and Supplementary Appropriations for 1991-92.**

Mr. Speaker : Now, I proceed to item No.4, Honourable Minister of State Finance, Shri Anowar Hussain will present the Supplementary Demands for Grants and Supplementary Appropriations for 1991-92.

Shri Anowar Hussain (Minister) : Mr. Speaker Sir, I beg to present Supplementary Demands for Grants and Supplmentary Appropriations for 1991-92.

## INTRODUCTION OF GOVERNMENT BILL

Mr. Speaker : Item No. 5 'The Assam Administrative Trib nal (Amendment) Bill, 1992' to be moved by the Honourable Minister, Shri G. C. Langthasa.

Shri G. C. Langthasa (Minister) : Sir, I beg Leave to introduce The Assam Administrative Tribunal (Amendment) Bill, 1992.

Mr. Speaker : Is it the pleasure of the House to grant leave to introduce the Bill.

( Yes .... Yes )

Leave is granted.

Shri Alauddin Sarkar : Sir, I want to speak on this.

Mr. Speaker : Now, item No. 6, Shri Golok Rajbongshi, Minister. Parliamentary Affairs will introduce 'The Salary and Allowances of the Leader of Opposition in the Assam Legislative Assembly (Amendment) Bill. 1992.'

Shri Golok Rajbongshi (Minister) : Mr. Speaker Sir, I take this opportunity to introduce 'The Salary and Allowances of the Leader of Opposition in the Assam Legislative Assembly (Amendment) Bill, 1992.'

Mr. Speaker : Is it the pleasure of the House to grant the introduced Bill.

( yes, yes )

( Read out the Governor's message )

'Under the provision of Article 207(1) of the Constitution of India, I, Loknath Misra, Governor of Assam,

recommend the introduction of the Salary and Allowances of the Leader of Opposition in the Assam Legislative Assembly (Amendment) Bill, 1992, in the Assam Legislative Assembly.

(Loknath Misra)
Governor of Assam.

Bill is granted.

Now, item No. 7 Debates on Governor's Address. I have received 3 notices of amendments to the Motion of Thanks to the Governor's Address moved by Honourable Member Shri Joy Chandra Nagbanshi.

1. The First Notice of amendments to the Motion of Thanks to the Governor's Address stands in the name of 51 Members as follows—

DEBATES ON GOVERNOR'S ADDRESS

1. Shri Prafulla Kumar Mahanta.
2. Shri Promode Gogoi.
3. Shri Nagen Sarma.
4. Shri Karendra Basumatary.
5. Shri Monsing Rongpi.
6. Shri Ramendra Narayan Kalita.
7. Shri Parameswar Brahma.
8. Shri Dipendra Rongpi.
9. Shri Derhagra Musha.
10. Shri Jew Ram Boro.
11. Shri Giasuddin Ahmed.
12. Smti, Pramila Brahma.
13. Shri Milan Boro.
14. Shri Pani Ram Rabha.
15. Shri Ram Pyare Robi Das.

16. Shri Khiren Borgoyari.
17. Shri Madhusudan Tewari.
18. Shri Pranab Kumar Nath.
19. Shri Suren Swargiary.
20. Shri Hiteswar Deka.
21. Shri Hitendra Nath Goswami.
22. Shri Nizamuddin Khan.
23. Shri Badan Barua.
24. Shri Bhrigu Kumar Phukan.
25. Shri Babu Rongpi.
26. Shri Sasha Kamal Handique.
27. Shri Zoii Nath Sarma.
28. Shri Mission Ranjan Das.
29. Shri Dewan Joynal Abedin.
30. Shri Nazmul Haque.
31. Shri Dhruba Kumar Sen.
32. Shri Dilip Kumar Saikia.
33. Dr. Kamala Kalita.
34. Shri Kamal Brahma.
35. Shri Binod Gwala.
36. Shrt Padmeswar Doley.
37. Shri Chandra Mohan Patowary.
38. Shri Thaneswar Boro.
39. Shri Chittendra Nath Mazumdar.
40. Shri Sahidul Alam Choudhury.
41. Shri Bubul Das.
42. Shri Samarendra Nath Sen
43. Shri Gohin Chandra Das.
44. Smti. Renupama Rajkhowa.

45. Shri Jatin Mali.
46. Shri Munin Mahanta.
47. Shri Alauddin Sarkar.
48. Shri Bhupen Rai.
49. Shri Holiram Terong.
50. Shri Phani Bhusan Choudhury.
51. Shri Bharat Chandra Narah.

2. The Second Notice of amendments to the Motion of Thanks on the Governor's Address stands in the name of Shri Zoii Nath Sarma. Of course, Shri Sarma's name appears in the First Notice also.

3. The Third Notice of amendments to the Motion of Thanks to the Governor's Address stands in the name of Dr. Abdul Matin Mazumdar.

I have been that in the First Notice of amendments there are as may as 51 movers. I know want to have the feelings of the movers as to whether all the movers desire to move their amendment motion one by one or whether one of the movers will move the amendment on behalf of all the movers.

( From the Members one by one )

So, I call upon Shri Prafulla Kumar Mahanta, whose name appears first in the list of movers to apprise me about this and move the amendment motion if he is allowed to move the same.

*Shri Prafulla Kumar Mahanta : Honourable Speaker Sir, I beg to move and say with regret that through the House represented by the Governor's Address yesterday by the Chief Minister, Shri Hiteswar Saikia did not follow the norms of the House

Mr. Speaker : I now call upon Shri Zoii Nath Sarma to move his motion.

শ্ৰীজয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰিব খোজো যে ৰাজ্যপালৰ ভাষণ প্ৰসঙ্গত বৰ্তমান চৰকাৰৰ মন্ত্ৰী সকলে সকলো ক্ষেত্ৰত

* Speech not corrected.

চলাই থকা স্বজন-প্ৰীতি দুৰ্নীতিৰ বিষয়ে উ ল্লখ নথকাটোত মই বিধান সভাত ক্ষোভ প্ৰকাশ কৰো।

Mr. Speaker : I now call upon Dr. Abdul Motin Mazumdar.

★ Dr. Abdul Matin Mazumdar : I oppose the Motion of Thanks by Honourable Minister Shri J. C. Nagbanshi. He did not mention in the Governor's Address and gave his version leaving many points aside for the execution.

Mr. Speaker : I now call upon Shri J. C. Nagbanshi from our side.

* শ্ৰীজয় চন্দ্ৰ নাগবংশী : মাননীয় অধ্যক্ষ মহোদয়, জয় জয়তে মই মাননীয় ৰাজ্যপাল ডাঙৰীয়াই সদনত যি ভাষণ ৰাখিছে তাক ধন্যবাদ সহকাৰে গ্ৰহণ কৰিছো। ৰাজ্যপাল ডাঙৰীয়াই তেখেতৰ ভাষনত আমাৰ চৰকাৰে কি কাৰ্য্যসূচী হাতত লৈছে এই গোটেইখিনি কথা স্পষ্টকৈ আমাৰ আগত ডাঙি ধৰিছে। আৰম্ভনিতে আইন শৃঙ্খলাৰ কথা কোৱা হৈছে। আমাৰ চৰকাৰ গঠন হোৱাৰ ৭/৮ মাহৰ ভিতৰত যথেষ্ট পৰিবৰ্তন কৰিবলৈ আমাৰ চৰকাৰে সক্ষম হৈছে। চৰকাৰৰ যিবিলাক বিভাগ আছে সেই বিভাগ বিলাকৰ কাম কাজ পূৰ্বতকৈ বহুত সুষ্ঠিৰ আৰু সফলতাৰে কৰিবলৈ সক্ষম হৈছে। আমাৰ শিক্ষা বিভাগৰ ক্ষেত্ৰতো যথেষ্ট প্ৰশ্ন কৰা হৈছে। কোনে ভাল কাম কৰিছে কোনে বেয়া কাম কৰিছে এইবিলাক জনসাধাৰণে বিচাৰ কৰিব। আলফা সমস্যা নিবাৰণ কৰাৰ কাৰণে আমাৰ চৰকাৰে চেষ্টা কৰিছে। দল উপ-দল সকলোৰে সহযোগ কামনা কৰা হৈছে যাতে এই ক্ষেত্ৰত কৃতকাৰ্য্যতা লাভ কৰিব পৰা যায়। কিছুমান ৰাজনৈতিক দল বা আন ধৰণৰ মানুহে এই আলোচনা সফল হোৱাটো কামনা নকৰে। আমাৰ মাননীয় সদস্য শ্ৰীশৰ্মা ডাঙৰীয়াই বাতৰি কাকতৰ যি কথা কৈছে এই কথা পিচত বুজি পাম। শিক্ষা বিভাগৰ কথা নকলে নহব। শিক্ষা বিভাগত গুৰুত্ব নিদিয়া বুলি মাননীয় সদস্য সকলে কয়। শিক্ষা মন্ত্ৰী দুজন আছে। পূৰ্বতে যি বিলাক কাম হোৱা নাছিল আজি ৭/৮ মাহৰ ভিতৰত হব ধৰিছে, ৰাজ্যপাল ডাঙৰীয়াৰ ভাষনত এই কথা আছে। আমাৰ চৰকাৰে দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ পিছত ভালেমান হাইস্কুল, উচ্চ মাধ্যমিক স্কুল, উচ্চতৰ মাধ্যমিক স্কুল, মধ্য ইংৰাজী স্কুল বিলাক প্ৰাদেশীকৰণ কৰা হৈছে।

---

* Speech not corrected.

মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ 'ভেন্সাৰ' স্কুল বিলাক প্ৰাদেশীকৰণ কৰোতে বিৰোধী দলৰ দলপতি মহন্ত ডাঙৰীয়াক যিমান দিছে মোকো সিমানে দিছে। ইয়াত কোনো অসুবিধা হোৱা বুলি মই নাভাবো। শিক্ষা বিভাগটোক এটা সুন্দৰ বিভাগ হিচাবে গঢ়ি তুলিবলৈ চেষ্টা কৰিছে।

সীমান্ত অঞ্চলৰ উন্নতিৰ কাৰণে আমাৰ চৰকাৰে আয়োগ গঠন কৰিছে, কমিটী গঠন কৰিছে। অভাৱ অভিযোগৰ কথা মিমাংসা কৰি সমাধা কৰিবলৈ চেষ্টা কৰিছে। সীমান্ত অঞ্চলত মাজে সময়ে আমাৰ চুবুৰীয়া ৰাজ্যৰ লগত কাজিয়া হৈ থাকে। এই বিলাক আশু সমাধানৰ কাৰণে আমাৰ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। খেতি-বাতিৰ কথা আছে। আধৰুৱা হৈ থকা কাম বিলাক সম্পূৰ্ণ কৰিবৰ বাবে চেষ্টা কৰি আছে। জলসিঞ্চনৰ আধৰুৱা কামবিলাক সম্পূৰ্ণ কৰিবলৈ আমাৰ চৰকাৰে কাম হাতত লৈছে। বান নিয়ন্ত্ৰনৰ ক্ষেত্ৰত আলোচনাৰ পিচত বহুতো প্ৰশ্নৰ অৱতাৰনা হৈছে। প্ৰযুক্তি বিদ্যা আৰু সৌৰ শক্তিৰ বিষয়ে আলোচনা হৈছে। আমাৰ চৰকাৰে নিৰ্বাচনৰ আগত প্ৰতিশ্ৰুতি দিয়া কাম বিলাক কৰিছে। পঞ্চায়ত নিৰ্বাচন পাতিম বুলি আগৰ চৰকাৰে কৈছিল কিন্তু সেইটো যি কোনো কাৰণতে হৈ নুঠিল। কিন্তু আমাৰ চৰকাৰে সেইটো কাৰ্য্যকৰি কৰিলে। আমি জনসাধাৰণক যি আশ্বাস দিছিলো সেইটো হ'ল। এতিয়া বাকী আছে কো-অপাৰেটিভৰ নিৰ্বাচন। কো-অপাৰেটিভ নিৰ্বাচন পাতিবলৈও আমি মন্ত্ৰীক কৈছো।

তাৰ পিচত আমাৰ অ, বি, চি, চাহবনুৱা আৰু প্ৰাক্তন চাহবনুৱাৰ কথা কোৱা হৈছে। তেওঁলোকৰ কাৰণে যথেষ্ট আঁচনি লোৱা হৈছে। কোচ ৰাজবংশী, ট্ৰাইবেলৰ নেতা সকলৰ লগত আমাৰ চৰকাৰে আলোচনা কৰি আছে। অসমৰ বাহিৰৰ পৰা উৰিষ্যা, মধ্যপ্ৰদেশ, পশ্চিমবঙ্গ আদিৰ পৰা যি সকল লোক অসমলৈ আহিছে তেওঁলোকক অনুসূচিত বুলি ঘোষণা কৰিছে। ৰাজ্যপালৰ ভাষণত সকলোবোৰ ভালভাবে প্ৰতিফলিত হোৱাৰ কাৰণে মই এই ভাষণ ধন্যবাদ সহকাৰে গ্ৰহণ কৰি মোৰ বক্তব্য সামৰণি মাৰিছো।

Mr. Speaker : Now, Honourable Member Shri Binod Guwala.

* শ্ৰীবিনোদ গোৱালা : মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি মাননীয় ৰাজ্যপালৰ ভাষণত যি চৰকাৰী পক্ষৰ ধন্যবাদসূচক প্ৰস্তাৱ আগবঢ়াইছে আমি বিৰোধী

*Speech not corrected.

পক্ষই এই সমর্থনক বিৰোধীতা কৰিছো যে মাননীয় ৰাজ্যপালৰ ভাষণত অসমৰ জনসাধাৰণৰ যি উন্নয়ন মূলকে হওঁক বা জনসাধাৰণৰ কাৰণে জনসাধাৰণ মুখী আঁচনি লব লাগিছিল এই ভাষনত নাই বুলি বিৰোধী পক্ষই কৈছে। ৰাজ্যপালৰ ভাষণত আইন শৃংখলাৰ কথা ৰখা হৈছে যদিও অসমৰ আইন শৃংখলাৰ নামত নিৰিহ জনসাধাৰণক অত্যাচাৰ কৰা হৈছে। সেইদৰে বৰ্ত্তমান সময়ত পুলিচৰ নামত বা উগ্ৰপন্থীৰ নামত বা আলফা ধৰাৰ নামত ৰাইনো মেন্সি দিছে বুলি অত্যাচাৰ কৰাৰ কথা বাতৰি কাকতত প্ৰকাশ পাইছে। গতিকে আইন শৃংখলাৰ অৱনতি ঘটিবলৈ যে এই কথাষাৰ উলাই কৰিব নোৱাৰি। থিক তেনেকৈ আপুনি জানে যে সীমান্ত অঞ্চলৰ বিষয়ে ৰাজ্যপালৰ ভাষণত লিখা হৈছে। অসম নাগালেণ্ড, অসম অৰুণাচল, অসম মেঘালয় সীমান্তত বসবাস কৰি থকা ৰাইজৰ যি দুখদুৰ্গতি হৈছে সেইবিলাক কথা ৰাজ্যপালৰ ভাষণত আহিব লাগিছিল। কিন্তু সেইবিলাক কথা অহা নাই। সেই কাৰণে আমি ৰাজ্যপালৰ ভাষণক সমৰ্থন জনাব পৰা নাই। অসম নাগালেণ্ড সীমান্তত বহুটো ঘটনা সংঘটিত হৈ থাকে। সীমান্তত যি সকল অসমৰ মানুহে বসবাস কৰি থাকে নগা দুবৃত্তই অতৰ্কিতে আক্ৰমণ কৰি নিৰিহ লোকৰ ওপৰত অত্যাচাৰ চলাই। অসমৰ মাটিত নগালেণ্ড চৰকাৰে বলপূৰ্বক ভাবে ২ টা মহকুমা স্থাপন কৰিছে।

অসমৰ মাটিত আজি নগালেণ্ড চৰকাৰে বলপূৰ্বক ভাবে দ্বিতীয়টো মহকুমা স্থাপন কৰিছে। কিন্তু বৰ্তমান চৰকাৰে তাৰ কোনো ব্যৱস্থা লোৱা দেখা নাই। যোৱা ২০ ফেব্ৰুৱাৰীৰ ৰাতি আহি দূবৃত্তই তিনিজন অসমৰ লোকক গুলিয়াই থৈ যায়। তাৰ পিছত অসম চৰকাৰৰ ফালৰ পৰা এই ঘটনাৰ তদন্ত কৰিবৰ বাবে মাত্ৰ এজন এচ, ডি. অ' পঠিয়াই দিয়েই বহি থাকিল। ইতিমধ্যে লোক-টক অঞ্চলত 'এ' চেক্টৰ গঠণ কৰি দিয়া হৈছে কিন্তু এই অঞ্চলত সম্পুৰ্ণ নগালেণ্ডৰ কতৃত্ব চলি আছে। এই 'এ' চেক্টৰ অঞ্চলত মাত্ৰ ২৩ ঘৰ মণিপুৰী লোকে বসবাস কৰি আছে। এওঁলোকৰ নিৰাপত্তাৰ ব্যৱস্থা অসম চৰকাৰে লোৱা নাই। তাৰ ফল স্বৰূপে যোৱা ২০ তাৰিখে ৰাতি আহি নগা দুবৃত্তই একেখন ঘৰৰে এহাল স্বামী-স্ত্ৰীক গুলিয়াই হত্যা কৰি থৈ যায়। কিন্তু অসম চৰকাৰে তাৰ কোনো এটা সু-ব্যৱস্থা হাতত লোৱা আমি দেখা পোৱা নাই। অসমৰ মাটিত নাগালেণ্ডৰ যি সকল লোকে ঘৰ সাজি উন্নয়ণৰ কাম কৰি আছে, সেই লোক

সকলক নগালেণ্ড চৰকাৰে নিৰাপত্তা দি ৰাখিছে । কিন্তু অসমৰ যিসকল লোকে সীমান্তত থাকি সামান্য খেৰী ঘৰ কৰি বসবাস কৰি আছে আৰু অসম চৰকাৰক ভোট দি জয় যুক্ত কৰিছে, সেই সকল লোকক অসম চৰকাৰে কোনো নিৰাপত্তাৰ ব্যৱস্থা কৰি দিয়া আমি দেখিবলৈ পোৱা নাই । যোৱা গণ পৰিষদ চৰকাৰৰ দিনত সীমান্ত নিৰাপত্তাৰ সংক্ৰান্তত চৰকাৰে কেইটামান খেৰী ঘৰ সাজি কেইজন মান মানুহক তাত বহুৱাই ৰখাৰ ব্যৱস্থা কৰিছিল । কিন্তু সেই অঞ্চলতে নাগালেণ্ড চৰকাৰে বিদ্যালয় আদি পাতি উন্নয়ণৰ কাম-কাজ কৰা দেখা গৈছে । কিন্তু অসম চৰকাৰৰ ফালৰ পৰা কোনো উন্নয়ণ মূলক কাম বা সীমান্তত থকা মানুহ খিনিৰ কোনো নিৰাপত্তা মূলক ব্যৱস্থা লোৱা দেখা নাই । গতিকে আমাৰ সেই নগা সীমান্তবৰ্ত্তী অঞ্চলত থকা অসমীয়া মানুহ খিনিৰ ৰক্ষনাবেক্ষণ দিয়াৰ ব্যৱস্থা কৰিবৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয়ৰ যোগেদি মুখ্যমন্ত্ৰী মহোদয় তথা অসম চৰকাৰক অনুৰোধ জনালো । যিহেতু ১৯৮৯, ১৯৮৫ আৰু ১৯৭৭ চনত নগা বিদ্ৰোহীয়ে তিনি বাৰকৈ অসমক জুলুম কৰি বহুতো ক্ষতি সাধন কৰিলে । নগালেণ্ড সীমান্তত গোলাঘাটৰ সীমাত এ, বি, চি, ডি, চাৰিটা চেক্টৰ আছে আৰু তাত একোজনকৈ মেজিষ্ট্ৰেটক ৰক্ষণা-বেক্ষণৰ দায়িত্ব দিয়া হৈছে । অসম চৰকাৰেও আমাৰ সীমাত তেনেকৈ চাৰিটা চেক্টৰ পাতি চাৰিজন মেজিষ্ট্ৰেটক অসমৰ উন্নয়ণ তথা অসমীয়া মানুহৰ নিৰাপত্তা আৰু ৰক্ষণা-বেক্ষণৰ দায়িত্ব যাতে দিয়ে তাৰ কাৰণে অধ্যক্ষ মহোদয়ৰ যোগেদি মুখ্যমন্ত্ৰী মহোদয়লৈ অনুৰোধ জনালোঁ । অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত সীমান্ত নিৰাপত্তা সম্পৰ্কীয় কোনো প্ৰস্তাৱ আৰু উন্নয়ণ মূলক কাম-কাজৰ কথা উল্লেখ নাই । সেই কাৰণেই ৰাজ্যপালৰ ভাষণৰ সমৰ্থন কৰিব নোৱাৰো আৰু ইয়াৰ বিৰোধীতা কৰি মই মোৰ বক্তব্য সামৰণী মাৰিলোঁ । ধন্যবাদ ।

Mr. Speaker : Now, Honourable Member Shri Parameswar Brahma will speak.

Shri Parameswar Brahma : Mr. Speaker Sir, Governor's speech incorporates the Government policies what Government intends to do for the interest of the people of Assam. I have seen here that this Government had deliberately avoided many matters relating to tribal people. Sir, the

most crying and burning question is now the solution of Bodoland issue. Here, the Government have formed a Three Member Expart Committee to find out the solution of the problem. The terms of reference of the resolution on Bodo issue was that the committee would determine and demarcate the areas of Bodos and tribal people. This committee would also determine what extent of power is to be given to the Bodos and tribal people as to administrative, legislative and financial powers that may be given to them in the north of river Brahmaputra. Mysteriously the state Government has involved the census report with it, which means that this Government does not want to solve Bodoland issue amicably. But this Government on the other hand, is trying to create communal tension among the different communities of Assam to divert this issue. For this, Government will be responsible and we want Government to have a clear-cut policy in respect of solving the problems of Bodoland issue. We know Sir, under Assam Land Revenue Regulation Act, Chapter 10, there is a provisions of protecting lands of tribal people. Here, this Government, though knows that the land alienation is continuing in tribal areas from tribal people to illegal non-tribal people. This Government has not taken up any measure to stop such illegal allegation for which tribal people had to flee in jungles and elsewhere and in the process, they had become refugees in their own land. So, it expresses the intention of the Government that Government wants tribal people to be homeless and landless so that they are reduced to anything-else and they could be treated like anything.

We have strong objection as Government should have clear-cut policy on the employment measures. The very spirit of the constitution of India under Article 16(4) has been violated as it safeguard's the weaker sections of the S.C. S T. (P) and S.T. (H) People. The backlogs in all the departments of the State Government should be cleared. We regret that as the deliberate omision of the Government particularly tribal educated youths have been deprovied of employments. We demand creation of a separate Directorate for Tribal Education (P). The Education Department neglects the tribal Education and peoples. It lacks sincerety to look after the educational problems of the tribal people. Therefore, we want that a separate Directorate for tribal people be created in the state. Now many tribal languages like Mishing and Rava have been introduced in the State. So, now it becomes more necessary. The land settlements have not been given to tribal people living for over 40 years in Gohpur, and reserved forest of Barpeta, Nalbari, Kokrajhar Districts including Lakhimpur. They can be evicted by the Government at any moment. So we want that the Government should have a policy to give settlement to these people so that they can feel secure. The funds allocated to under developmental heads in different departments in T.S.P. area is very less. The road and communication system in the tribal areas is deplorable. The allocation for 1992-93 has been earmarked at Rs. 7 (Seven) crores. This is nothing but a humiliation and it is the expressed sentiment of the Government against the tribal people. This Government also does not want development of these regions and the tribal people.

It should have been increased. Because, lack of better communication system tribal people are becoming very backward. The Government should help them particularly in the matter of road and communication system. To help their development.

One important point is Irrigation—the tribal people are dependent on agriculture. But for the development of agriculture no initiative has been taken by the State Government for which we can be grateful to the State Government. They have no other alternative other than agriculture. Now a days by a little initiative Government can popularise modernise cultivation and augment the Agricultural produce, but there is no good intention on the part of the Government.

Then Sir, those has been standing demand from the Koch Rajbangshi, Hajongs and Adibashis, Madhaslis, Saranyas for inclusion in the list of Scheduled Tribes of Assam and for all these reasons there have been Agitations ABSU/BPAC fully support this demand. And in the name of law & order, the State Government has been unleashing State terrorism. Sir, I would like to say that the Bodoland movement is a constitutional one as there is provision in the constitution that a separate State can be created if situation so demands. Inspite of this legitimate demand, the Government is arresting a large number of Bodoland supporters everyday: We Sir, protest the role of the Government in this connection. Mr. Speaker Sir, it is not tolerable that the State Government should resort to State terrorism in the name of law and order. Mr. Speaker Sir, I on behalf

| | Government Law College | Nil | Nil | Nil |
| | Science College, Jorhat | Rs. 10,000/- | Rs. 20,000/- | Nil |
| | Assam Government Sanskrit College | Nil | Nil | Nil |
| 8. | Diphu Government College | | | |
| 1985-86 | | Rs. 25,000/- | Rs. 10,000/- | Rs. 40,000/- |
| 1986-87 | | Rs. 25,000/- | Rs. 10,000/- | Rs. 40,000- |
| 1987-88 | | Rs. 25,000/- | Rs. 10,000/- | Rs. 40,000- |
| 1988-89 | | Rs. 25,000/- | Rs. 5,000/- | Rs. 40,000/- |
| | | | Rs. 10,000/- | Rs. 20,000/- |
| 1989-90 | | Nil | Rs. 35,000/- | Rs. 25,000/- |
| | | | | Rs. 15,000/- |
| 1990-91 | | Nil | Nil | Rs. 90,000/- |
| 1991-92 | | Nil | Rs. 10,000/- | Rs. 24,000/- |

| Year | Name of Colleges | Sports | Union | Excursion |
|---|---|---|---|---|
| 9. | Haflong Government College | | | |
| | 1985-86 | Rs. 25,000/- | Rs. 10,000/- | Rs. 40,000/- |
| | 1986-87 | Rs. 25,000/- | Rs. 10,000/- | Rs. 40,000/- |
| | 1987-88 | Rs. 25,000/- | Rs. 10,000/- | Rs. 40,000/- |
| | 1988-89 | Rs. 25,000/- | Rs. 10,000/- | Rs. 40,000/- |
| | | | Rs. 5,000/- | Rs. 20,000/- |
| | 1989-90 | Nil | Rs. 35,000/- | Rs. 25,000/- |
| | | | | Rs. 15,000/- |
| | 1990-91 | Nil | Nil | Rs. 90,000/- |
| | 1991-92 | Nil | Rs. 10,000/- | —— |

For Reply to A. Q. Item 'D'

| No. of Teaching Staff | No. of Non-Teaching Staff | Vacancy Position (Department wise) |
|---|---|---|
| 1. Cotton College, Chy | Grade—III & IV | 4 |
| DEPARTMENT | Regular—250 | |
| I. Assamese—14 | Ad-hoc-7 | |
| | Vacancy—Nil | |
| II. Anthropology—10 | | 3 |
| III. Bengali —7 | | 2 |
| IV. Botany —16 | | Nil |
| V. Chemistry —18 | | Nil |
| VI. Economics —9 | | 1 |
| VII. Education —8 | | Nil |
| VIII. English —17 | | 3 |
| IX. Geography —11 | | Nil |
| X. Geology —10 | | Nil |
| XI. History —7 | | Nil |
| XII. Mathematics—15 | | 3 |
| XIII. Philosophy —7 | | 2 |
| XIV. Physics —19 | | Nil |
| XV. Pol. Science —8 | | 1 |
| XVI. Statics —11 | | 3 |
| XVII. Zoology —14 | | Nil |
| XVIII. Arabic & Persian —8 | | Nil |
| XIX. Sanskrit —5 | | 1 |
| XX. Hindi —5 | | 23 |
| Total —219 | | Total — 23 |

| No. of Teaching Staff | No. of Non-Teaching Staff | Vacancy Position (Department wise) |
|---|---|---|
| **2. Science College, Jorhat** | | |
| **Department** | | |
| I. Chemistry — 6 | Grade—III & IV 22 Vacancy—Nil | Nil |
| II. Physics — 6 | | 1 |
| III. Mathematics— 1 | — | 1 |
| IV. English — 1 | | Nil |
| V. Assamese — 1 | | Nil |
| Total — 15 | Total—22 | Total—2 |
| **3. Govt. Law College. Guwahati** | | |
| I. Whole Time Lectt.—3 | Grade—III & IV 13 Vacancy—Nil | Nil |
| II. Part time Lectt. —6 | — — | Nil |
| Total —10 | | |

| No. of Teaching Staff | No. of Non-Teaching Staff | Vacancy Position Department wise) |
|---|---|---|
| 4; **Assam Sanskrit College, Guwahati** | | |
| **(Department Wise)** | | |
| I. English — 1 | Grade—III & IV 17 Vacancy—Nil | Nil |
| II. M. I. L. — 1 | — | Nil |
| III. Foundation Course— 1 | | Nil |
| IV. Veda Ancient Indian —1 | — | 1 |
| V. History & Culture —1 | — | — |
| VI. Sahitya — 2 | — | — |
| VII. Darsana — 1 | — | 1 |
| (a) Vedanta — 1 | — | — |
| (b) Nyaya — 1 | — | — |
| (c) Mimamaa — 1 | — | 1 |
| VIII: Panini Vyakarana —1 | — | 1 |
| IX: Dharma Sastra —1 | — | 1 |
| Total— 13 | Total—17 | Total—4 |

| No. of Teaching Staff | No. of Non-Teaching Staff | Vacancy Position (Department wise) |
|---|---|---|
| 5. **Diphu Govt. College** | | |
| **(Department Wise)** | | |
| I. English — 7 | a) Grade—III & IV 59 Vacancy—Nil b) Demonstrator—1 | 2 |
| II. Assamese — 6 | — — | 1 |
| III. Education — 5 | — — Nil | 1 |
| IV. Economics — 6 | — — | 1 |
| V. Politcal Science—5 | — — | Nil |
| VI. History — 5 | — — | Nil |
| VII. Philosophy — 5 | — — | 2 |
| VIII. Physics — 5 | — — | 1 |
| IX. Chemistry — 5 | — — | 1 |
| X. Zoology — 2 | — — | Nil |
| XI. Botany — 2 | — — | Nil |
| XII. Geography — 2 | — — | Nil |
| XIII. Mathematics— 3 | — — | Nil |
| XIV. Bodo — 1 | — — | Nil |
| XV. Commerce — 10 | — — | 1 |
| Total — 67 | | Total— 10 |

| No. of Teaching Staff | No. of Non-Teaching Staff | Vacancy Position (Department wise) |
|---|---|---|
| 6. **Haflong Govt. College (Department Wise)** | | |
| I. English — 6 | Grade—III & IV 35 Demonstrator—1 | 1 |
| II. Assamese — 2 | | Nil |
| III. Bengli — 4 | | 2 |
| IV. Economics — 4 | | 1 |
| V. Pol. Science— 4 | | Nil |
| VI. Philosophy — 2 | | Nil |
| VII. Physics — 5 | | 2 |
| VIII. Zoology — 5 | | 1 |
| IX. Chemistry — 5 | | Nil |
| X. Botany — 4 | | Nil |
| XI. Mathematics — 3 | | Nil |
| XII. Commerce — 10 | | 2 |
| Total— 49 | Total—36 | Total— 9 |

There is one Principal as administrative Head in each of the Six Government Colleges. Cotton College has one Vice Principal cn Regular Basis in condition to the Principal.

The Village not Electrified under Mangaldai. P. S.

| Sl.No. | Name of Village | C.C.No | Thana | Remarks. |
|---|---|---|---|---|
| (1) | Hussain Chuburi | 39 | Mangaldai | |
| (2) | Kumarpara | 50 | —do— | |
| (3) | Maruaji Chuburi | 91 | —do— | |
| (4) | Chutiakatadal | 93 | —do— | |
| (5) | Kanidol | 94 | —do— | |
| (6) | Solmara | 98 | —do— | |
| (7) | Kuriazan | 99 | —do— | |
| (8) | Suktaguri No—2 | 103 | —do— | |
| (9) | Kirakata Chapari | 121 | —do— | |
| (10) | Dhalipur | 122 | —do— | |
| (11) | Phuhuratali N. C | 124 | —do— | |
| (12) | Satkhali | 133 | —do— | |
| (13) | Thargaon | 169 | —do— | |
| (14) | Kumarpara | 193 | —do— | |
| (15) | Tangabari | 197 | —do— | |
| (16) | Bandia Chapari N. C. | 200 | —do— | |
| (17) | Bandia Chapari | 201 | —do— | |
| (18) | Thakelabari No. 3 | 238 | —do— | |
| (19) | Arakatia Chapari | 253 | —do— | |
| (20) | Arakatia Chapari N. C. | 254 | —do— | |
| (21) | Garapari Chapari N.C. | 255 | —do— | |
| (22) | Garapari Chapari | 256 | —do— | |
| (23) | Ondiajar | 258 | —do— | |
| (24) | Garapari Kheraj | 260 | —do— | |
| (25) | Dhansiri Kakh | 261 | —do— | |
| (26) | Gadhowa N. C. | 262 | —do— | |
| (27) | Gadhowa Chapari | 263 | —do— | |

| Sl.No. | Name of Village | C.C.No | Thana | Remarks |
|---|---|---|---|---|
| (28) | Kachichar | 266 | Mangaldai | |
| (29) | Magarmari N. C. —2 | 267 | —do— | |
| (30) | Mazurmari Chapari | 268 | —do— | |
| (31) | Kharupatia Chapari | 269 | —do— | |
| (32) | Kharupatia | 270 | —do— | |
| (33) | Gaderimara Chapari | 290 | —do— | |
| (34) | Ghataraj Chapari | 304 | —do— | |
| (35) | Rowmari Chapari | 305 | —do— | |
| (36) | Bhokialimara Chapari | 306 | —do— | |
| (37) | Aparia Chapari | 307 | —do— | |
| (38) | Bhokelikhanda Chapari | 308 | —do— | |
| (39) | Chanekhowa Chapari | 309 | —do— | |
| (40) | Borolakhaiti Chapari | 310 | —do— | |
| (41) | Bangalpota Chapari | 313 | —do— | |
| (42) | Dharia Khaity Chapari | 314 | —do— | |
| (43) | Netow Chapari | 315 | —do— | |
| (44) | Bhagapari Chapari | 321 | —do— | |
| (45) | Kharpani Chapari | 322 | —do— | |
| (46) | Chatihara | 323 | —do— | |
| (47) | Arikati | 324 | —do— | |
| (48) | Algachar | 324 (A) | —do— | |
| (49) | Mirgamari Char | 326 | —do— | |
| (50) | Mangelichar No. (2) | 328 | —do— | |
| (51) | — — — (4) | 329 | —do— | |
| (52) | — — — (5) | 330 | —do— | |
| (53) | — — — (3) | 331 | —do— | |

**List of Non-Electrified Village under Kalaigaon Thana**
**As on 1991—92**

| Sl. No. | Name of Village | C.C. No | Thana | Remarks. |
|---|---|---|---|---|
| (1) | Mahiakhal- | 3 | Kalaigaon | |
| (2) | Deoriapara | 13 | —do— | |
| (3) | Jalukbari | 17 | —do— | |
| (4) | Kaimari | 22 | —do— | |
| (5) | Burnadijhar | 23 | —do— | |
| (6) | Santipukhuri | 55 | —do— | |
| (7) | Dalgaon grant | 175 | —do— | |
| (8) | Kayadanga | 177 | —do— | |
| (9) | Pachim Padaghat | 189 | —do— | |
| (10) | Pub-padaghat | 190 | —do— | |
| (11) | Mowchithagashargor | 192 | —do— | |
| (12) | Galandi T. E. | 203 | —do— | |
| (13) | Khoirabari Rly. Colony | 205 | —do— | |
| (14) | Noanadi T. E. | 206 | —do— | |
| (15) | Galandi hati | 204 | —do— | |
| (16) | Kamarpara | 101 | —do— | |
| (17) | Barbarigaon | 201 | —do— | |

## ১ম বৈঠক

মঙ্গলদৈ মহকুমাৰ প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদৰ বৈঠক
স্থান : আৰ্ত ভৱন, মঙ্গলদৈ
তাৰিখ : ১১/১১/৯১ ইং

কাৰ্য্যসূচী :

১। পৰিষদ গঠনৰ অধিসূচনা পাঠ।
২। অধ্যক্ষৰ আসন গ্ৰহণ।
৩। উদ্দেশ্য ব্যাখ্যা।
৪। চৰকাৰী চিঠি পাঠ।
৫। নিয়োগৰ বাবে প্ৰাৰ্থী বাচনিৰ বিষয়ে আলোচনা আৰু সিদ্ধান্ত গ্ৰহণ।
৬ অন্যান্য।
৭ অধ্যক্ষৰ মন্তব্য।
৮। সভাভঙ্গ।

উপস্থিত সদস্যৰ চহী :

১। স্বাঃ/- হাচিমুদ্দিন আহমেদ ১১/১১/৯১
২। " বামন ডেকা ১১/১১/৯১
৩। " গৌৰী দাস ১১/১১/৯১
৪ " প্ৰভাত বৰুৱা ১১/১১/৯১

বিষয়া :

১। স্বাঃ/- বি, কে, দাস,
D.E.E.O. (Dey)
২। " খৰ্গেশ্বৰ বৰুৱা
D.I.

মঙ্গলদৈ মহকুমা প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদৰ বৈঠক
স্থান :—আৰ্ত ভৱন, মঙ্গলদৈ।
তাৰিখ :—১১/১১/৯১
সময় :—দিনৰ ২ বজা

আজি ইং ১১/১১/৯১ তাৰিখে মঙ্গলদৈ মহকুমা প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদৰ ১ম বৈঠকখন অনুষ্ঠিত হয়। সভাত অসম চৰকাৰৰ ৮।১১।৯১ তাৰিখৰ ই, পি, জি, ৮৪৯।৯১।২৭ক নম্বৰ অধিসূচনাখন পাঠ কৰা হয়। উক্ত অধিসূচনাৰ

মৰ্মে গঠিত হোৱা পৰিষদৰ সদস্য সকলক অধ্যক্ষ মহোদয়ে চিনাকী কৰি দিয়ে। চিনাকী পৰ্বৰ পিচত অধ্যক্ষ মহোদয়ে অধ্যক্ষৰ আসন গ্ৰহণ কৰে। আজিৰ সভাত নিম্ন লিখিত প্ৰস্তাৱ সমূহ সৰ্বসন্মতি ক্ৰমে গৃহীত কৰা হয়।

১ম প্ৰস্তাৱ :—আজি সভাত ওপৰত উল্লিখিত অধিসূচনাত পৰিষদৰ সভা আহ্বান কৰা ক্ষেত্ৰত কোনো ব্যক্তিকে আহ্বায়ক হিচাবে উল্লেখ নকৰাত উক্ত বিষয়ে চৰকাৰক দৃষ্টিগোচৰ কৰাবলৈ সভাই মত পোষণ কৰে আৰু উপ-পৰিদৰ্শক মহোদয়ক এই বিষয়ে বিভাগীয় কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰিবলৈ পৰামৰ্শ দিয়ে আৰু লগতে জিলা প্ৰাথমিক শিক্ষা বিষয়া মহোদয়ক এই সভাৰ সদস্য হিচাবে অন্তৰ্ভূক্ত কৰিবলৈ চৰকাৰৰ লগত যোগাযোগ কৰিবলৈ উপ-পৰিদৰ্শক মহোদয়ক পৰামৰ্শ দিয়া হওঁক।

২য় প্ৰস্তাৱ :—আজিৰ সভাত অসম চৰকাৰৰ ১৪।১০।৯১ তাৰিখৰ ই, পি, জি, ৮৪৯/৯১/১ক নং অধিসূচনা আৰু ৪/১১/৯১ তাৰিখৰ ই, এম, ডি/ মিডল /৫৭/৮৪/৪৩৮ নংৰ সঞ্চালক মহোদয়ে জিলা প্ৰাথমিক শিক্ষা বিষয়া মহোদয়লৈ প্ৰেৰণ কৰা চিঠিখন আৰু ৭/১১/৯১ তাৰিখৰ ও, এচ, ডি/এম, ই/মিচ/৯১/১ নং তাৰ বাৰ্তা আৰু ৩৪৮৪/৩৪৯৯ তাঁৰ বাৰ্তাখন পাঠ কৰা হয়।

৩য় প্ৰস্তাৱ :—যিহেতু চৰকাৰৰ পৰা শিক্ষক পদৰ বাবে কোনো মজুৰী আৰু নিযুক্তিৰ বাবে প্ৰাৰ্থী বাচনিৰ কোনো নিৰ্দেশনা এতিয়ালৈকে পোৱা নাই। গতিকে আজিৰ সভাই উক্ত বিষয়ে বিশদ ভাৱে আলোচনা কৰিবলৈ পৰিষদৰ অধ্যক্ষ আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়া মহোদয়ক বিভাগীয় কৰ্তৃপক্ষৰ লগত ১২/১১/৯১ তাৰিখে গুৱাহাটীলৈ গৈ বিভাগীয় কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হওঁক।

৪ৰ্থ প্ৰস্তাৱ :—আজিৰ সভাই পৰিষদৰ সদস্য সকলক উপদেষ্টা পৰিষদৰ বৈঠকত উপস্থিত থকা আৰু পৰিষদৰ অন্যান্য কামত কৰবালৈ যাবলগীয়া হ'লে যাৱতীয় বানচ দিবৰ বাবে চৰকাৰক অনুৰোধ জনোৱা হওঁক আৰু মঙ্গলদৈ মহকুমাৰ অন্তৰ্গত পানেৰী সমষ্টি এলেকাৰ প্ৰাৰ্থীসকলৰ সাক্ষাৎকাৰৰ বিবেচনা পাচত কৰা হ'ব।

সভাৰ অন্তত অধ্যক্ষ মহোদয়ে সকলোৰে সহযোগিতা আৰু গোপনীয়তা ৰক্ষাৰ বাবে আহ্বান জনাই ধন্যবাদসূচক মন্তব্যৰে সভা ভঙ্গ কৰে।

স্বাঃ/- খ, বৰুৱা
১১/১১/৯১

স্বাঃ/- মঃ হাচিমুদ্দিন আহমেদ
অধ্যক্ষ
মঙ্গলদৈ মহকুমা প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদ
মঙ্গলদৈ

## মঙ্গলদৈ মহকুমাৰ প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদৰ বৈঠক।

স্থান : মঙ্গলদৈ নিম্ন বুনিয়াদী বিদ্যালয়।
তাং : ১৭/১১/৯১ ইং।
সময় : দিনৰ ৯ বজা।

### কাৰ্যসূচী :

১। অধ্যক্ষ মহোদয়ৰ আসন গ্ৰহন।
২। যোৱা সভাৰ কাৰ্য্য বিৱৰণী পাঠ ও গ্ৰহন।
৩। বিভাগৰ চিঠি পত্ৰ পাঠ আৰু আলোচনা ( নিযুক্তি সম্পৰ্কে নিৰ্দেশনা। উপ-পৰিদৰ্শক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়া মহোদয়ক পৰিষদত অন্তভুক্তি। অধ্যক্ষৰ বিষয়ে )।
৪। অধ্যক্ষ মহোদয়ৰ চিঠি পাঠ আৰু সাক্ষাৎকাৰৰ জাননী পাঠ।
৫। সাক্ষাৎকাৰৰ বিষয়ে আলোচনা।
৬। সদস্যসকলৰ মন্তব্য।
৭। সভাপতি মহোদয়ৰ মন্তব্য।
৮। সভাভঙ্গ।

### উপস্থিত সদস্যৰ চহী :

১। স্বাঃ হাচিমুদ্দিন আহমেদ।
২। স্বাঃ নকুল দাস।
৩। স্বাঃ বি. কে. দাস।
৪। স্বাঃ গৌৰী দাস।

৫। স্বা: প্ৰভাত বৰুৱা ( ছিপাঝাৰ )

৬। স্বা: ৰমেন ডেকা

৭। স্বা: খ, বৰুৱা ( উপ-পৰিদৰ্শক )

উপ-পৰিদৰ্শকৰ অনুৰোধ মৰ্মে মাননীয় অধ্যক্ষ দেৱে সভাপতিৰ আসন গ্ৰহন কৰি সভাৰ কাম আৰম্ভ কৰে।

উপ-পৰিদৰ্শকে উদ্দেশ্য ব্যাখ্যা কৰি কয় যে চৰকাৰৰপৰা পোৱা নিৰ্দেশনা ( Guide line ) আৰু আবেদনকাৰী সকলৰ সাক্ষাৎকাৰৰ বিষয়ে আলোচনা কৰাই সভাৰ উদ্দেশ্য। সভাৰ আৰম্ভণিতে সদস্য মাননীয় অসমৰ পশুপালন বিভাগৰ মন্ত্ৰী শ্ৰীনকুল দাসদেৱে পদ সৃষ্টি, জনসংখ্যা, বিদ্যালয়ৰ সংখ্যা আদিৰ বিষয়ে জানিব বিচৰাত জিলা শিক্ষা বিষয়া আৰু উপ-পৰিদৰ্শকে আৱশ্যকীয় তথ্য পাতি দাঙি ধৰে। উপ-পৰিদৰ্শক জনাই কয় পদ সৃষ্টিৰ আদেশ পোৱা নাই আৰু জনসংখ্যাৰ তথ্য পাচতহে দিব পৰা হব। সভাত যোৱা ১১/১১/৯১ তাৰিখৰ উপদেষ্টা পৰিষদৰ বৈঠকৰ কাৰ্য্যৰ বিৱৰণী উপ-পৰিদৰ্শকে পাঠ কৰে আৰু সভাই গ্ৰহন কৰে।

সভাপতিৰ নিৰ্দ্দেশ মতে উপ-পৰিদৰ্শকে চৰকাৰৰ পৰা পোৱা ১২/১১/৯১ তাৰিখৰ ই, পি, জি ৯১৭/৯১/৩ আৰু সঞ্চালকৰ ১১/১১/৯১ তাৰিখৰ ই, এ, এ ৫৯/৮৬/৫৩ নং চিঠিখন সভাত পাঠ কৰে। এই চিঠিমতে নিয়োগৰ বাবে বাচনী কৰিবলৈ আৱশ্যকীয় নিৰ্দ্দেশাৱলী ( Guide line ) দিয়া আছে। সভাই এই বিষয়ে বিতংভাবে আলোচনা কৰে আৰু মানি চলিবলৈ সিদ্ধান্ত লয়।

তাৰ পিচত কোনো সভাত অধ্যক্ষ উপস্থিত নাথাকিলে উপস্থিত থকা সদস্য এজনে অধ্যক্ষৰ আসন গ্ৰহন কৰি কাম চলাব পৰাৰ বিষয়ে বিভাগৰ পৰা পোৱা তাৰবাৰ্ত্তা নং ৮৩১৬/৪২ জি. আৰু তাৰিখ ১৫/১১/৯১ চিঠিখন পাঠ কৰে।

নিৰ্দ্দেশাৱলীৰ সম্পৰ্কে আলোচনা কৰোতে সদস্য শ্ৰীৰমেন ডেকাই উপাৰ্জনৰ বিষয়ে প্ৰমান পত্ৰ দাখিল কৰিবলৈ প্ৰাৰ্থীসকলে পাবলগীয়া অসুবিধাৰ বিষয়ে বিৱৰি কয়। মাননীয় মন্ত্ৰী মহোদয়ে এই কথাৰ সন্মতি প্ৰদান কৰে। শেষত সভাই সিদ্ধান্ত কৰে যে যিয়ে পাৰে সাক্ষাৎকাৰত দেখুৱাব আৰু নোৱাৰাবিলাকে ২/১২/৯১ তাৰিখৰ ভিতৰত উপ-পৰিদৰ্শকৰ কাৰ্য্যালয়ত দাখিল কৰিব।

অধ্যক্ষৰ লগত আলোচনা কৰি ইতিমধ্যে সাক্ষাৎকাৰৰ তাৰিখ ঠিক কৰাৰ বিষয়ে উপ-পৰিদৰ্শকে সভাত বিবৰি কয়। মাননীয় মন্ত্ৰী মহোদয়ে ৰাস পূজাৰ বাবে ২১/১১/৯১ তাৰিখলৈ বন্ধ ৰাখিবলৈ কৈছিল যদিও শ্ৰীপ্ৰভাত বৰুৱা আদিৰ পৰামৰ্শ মতে সভাই ঠিক কৰে যে যিহেতু ২১/১১/৯১ তাৰিখে সাক্ষাৎকাৰ পাই গতিকে সেই দিনটোকে বাহাল ৰখা হওঁক। প্ৰত্যেক সাক্ষাৎকাৰ কেন্দ্ৰত এজন সদস্য উপস্থিত থকাটো বাধ্যতামূলক হোৱাত মঙ্গলদৈ মহকুমাত একে সময়তে ৫ টা কেন্দ্ৰ ঠিক কৰা হয়। কাৰণ মন্ত্ৰী মহোদয় সদায় উপস্থিত থকা সম্ভৱ নহব। অধ্যক্ষ মহোদয়ে জনায় যে, মঃ টাইমুৰ চাহাব উপস্থিত নাথাকে। গতিকে খাৰুপেটিয়াত ঠিক কৰা তাৰিখ সলনি কৰি ৩০/১১/৯১ আৰু ২/১২/৯১ তাৰিখে মঙ্গলদৈত সাক্ষাৎকাৰ লোৱাৰ সিদ্ধান্ত লোৱা হয়। শেষ আলোচনামৰ্মে নিম্ন লিখিত স্থান সমূহত সাক্ষাৎকাৰ লবলৈ স্থানৰ বিপৰিতে দেখুৱা ব্যক্তি সকলক উপস্থিত থকাৰ সিদ্ধান্ত লোৱা হয়। পানেৰী সমষ্টিৰ সাক্ষাৎকাৰ পাচত ঠিক কৰা হব বুলি সিদ্ধান্ত লোৱা হয়।

| স্থান | সদস্য | সাক্ষাৎকাৰত সহায় কৰিব। |
|---|---|---|
| ১। মঙ্গলদৈ | শ্ৰীমতী গৌৰী দাস | (১) মোঃ আনুহা হাজাৰিকা, শিক্ষয়িত্ৰী মঙ্গলদৈ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়।<br>(২) শ্ৰীহৰেন ডেকা, অৱসৰপ্ৰাপ্ত শিক্ষক (মাননীয় মন্ত্ৰীৰ হৈ)<br>(৩) খণ্ড প্ৰাথমিক শিক্ষা বিষয়া, কালাইগাওঁ |
| ২। ছিপাঝাৰ | শ্ৰীপ্ৰভাত বৰুৱা | (১) শ্ৰীঅকন বৰুৱা, অৱসৰ প্ৰাপ্ত শিক্ষক<br>(২) খণ্ড প্ৰাথমিক শিক্ষা বিষয়া, ছিপাঝাৰ |
| ৩. পাথাৰিঘাট | শ্ৰীৰমেশ ডেকা | (১) শ্ৰীফটিক ডেকা, অৱসৰ প্ৰাপ্ত। অধ্যক্ষ তুনী উচ্চতৰ মাধ্যমিক বিদ্যালয়<br>(২) খণ্ড প্ৰাথমিক শিক্ষা বিষয়া, খৈৰাবাৰী |
| ৪। কালাইগাওঁ | মঃ হাচিমুদ্দিন আহমেদ (অধ্যক্ষ) | (১) শ্ৰীবিনন্দ্ৰ বৰুৱা, অধ্যক্ষ কালাইগাওঁ উচ্চতৰ মাধ্যমিক বিদ্যালয়<br>(২) খণ্ড প্ৰাথমিক শিক্ষা বিষয় দলগাওঁ |

শ্ৰীবিনন্দ্ৰ বৰুৱা অনুপস্থিত থাকিলে মঙ্গলদৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক শ্ৰীতাৰিণী কান্ত শৰ্মাক দিয়া হব। ইতিমধ্যে সাক্ষাৎকাৰ হবলগীয়া পৰিদৰ্শন বাংলা সংৰক্ষণ আৰু আইন শৃঙ্খলাৰ বাবে বিভাগ বোৰলৈ লিখাৰ বিষয়ে উপ-পৰিদৰ্শকে সভাক জনায়। লগতে কোৱা হয় যে সাক্ষাৎকাৰত লিখা আদি কামত সহায় কৰিবলৈ সহ পৰিদৰ্শক আৰু উন্নয়ন খণ্ডৰ পৰিসংখ্যা সহায়ক সকলক নিৰ্দ্দেশ দিয়া হৈছে। বড়ো মাধ্যমৰ বাবে বড়ো মাধ্যমৰ কাম কৰিবলৈ শ্ৰীসন্তো কছাৰী উপস্থিত থাকিব।

শেষত সভাপতি মহোদয়ে সাক্ষাৎকাৰ যাতে ভালদৰে হৈ যায় তাৰ বাবে সদস্য সকলক অনুৰোধ জনাই সভাৰ সামৰণি মাৰে।

এইখিনিতে দুই এটা কথা দাঙি ধৰা হ'ল। সিনাকোনা মৌজাৰ আবেদন কাৰীৰ সাক্ষাৎকাৰ পাথাৰি ঘাট পৰিদৰ্শন বাংলাত লোৱা ব্যৱস্থা আছিল যদিও যাতায়তৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি অধ্যক্ষৰ লগত আলোচনা কৰি যোৱা ২৭/১১/৯১ আৰু ২৮/১১/৯১ তাৰিখে খৈৰাবাৰী পৰিদৰ্শন ভৱনত অধ্যক্ষৰ পৰিচালনাত সাক্ষাৎকাৰ লোৱা হয়।

মাননীয় অধ্যক্ষৰ লগত আলোচনা কৰি পানেৰী সমষ্টি আৰু মঙ্গলদৈ মহকুমাৰ অন্তৰ্গত ওডালগুৰি অংশৰ আবেদন কাৰীৰ সাক্ষাৎকাৰ যোৱা ১/১২/৯১, ৩/১২/৯১, ৪/১২/৯১ আৰু ৬/১২/৯১ তাৰিখে টংলাত লোৱা হয়। ইয়াত অধ্যক্ষ নিজে উপস্থিত থাকে আৰু টংলা কলেজৰ অধ্যক্ষ, টংলা বালক উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক, টংলা বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু কালাইগাওঁ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দেৱে সাক্ষাৎকাৰ গ্ৰহণ কৰে।

যোৱা ১/১১/৯১ আৰু ২/১২/৯১ তাৰিখে বিজ্ঞান শিক্ষক পদৰ প্ৰাৰ্থী সকলৰ সাক্ষাৎকাৰ হৈ যায়। ইয়াত মঙ্গলদৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ, সহকাৰী জিলা বিষয়া (অনানুষ্ঠানিক) (কেইগৰাকী পদাৰ্থ বিজ্ঞান বিষয়ৰ শিক্ষক আছিল) বিজ্ঞান স্নাতক, সহ পৰিদৰ্শক শ্ৰীএইচ, কে, সিং আৰু শ্ৰীবলো কোঁৱৰে সাক্ষাৎকাৰ গ্ৰহণ কৰে।

যোৱা ৩০/১১/৯১ তাৰিখে হিন্দী পদৰ আবেদনকাৰীৰ সাক্ষাৎকাৰ লোৱা হয়। সাক্ষাৎকাৰত মঙ্গলদৈ উচ্চতৰ মাধ্যমিক হিন্দী শিক্ষক শ্ৰীক্ষমা বৰুৱা আৰু খাৰুপেটিয়াৰ হিন্দী শিক্ষক শ্ৰীকপিলেশ্বৰ ঝা উপস্থিত থাকে।

মঙ্গলদৈত অনুষ্ঠিত সাক্ষাৎকাৰ কেন্দ্ৰত মাননীয় শ্ৰীনকুল দাস দেৱে প্ৰায় কেইদিন উপস্থিত থাকে।

শেষত এই সভাৰ জৰিয়তে সাক্ষাৎকাৰত সহায় কৰি দিয়া সকলোলৈকে ধন্যবাদ আগবঢ়োৱা হওক।

স্বাঃ মঃ হাচিমুদ্দিন আহমেদ
অধ্যক্ষ
১১/১২/৯১

স্বাঃ খ, বৰুৱা
উপ-পৰিদৰ্শক, মঙ্গলদৈ

মঙ্গলদৈ মহকুমা প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদৰ ৩য় বৈঠক।

স্থান--- আৱৰ্ত্ত ভৱন, মঙ্গলদৈ।
তাৰিখ :--- ১১/১২/৯১ ইং
সময় :--- দিনৰ ১১ বজা

কাৰ্যসূচী ঃ

১। অধ্যক্ষ মহোদয়ৰ আসন গ্ৰহণ।
২। উদ্দেশ্য ব্যাখ্যা।
৩। যোৱা বৈঠকৰ কাৰ্য্যবিবৰণী পাঠ আৰু গ্ৰহণ।
৪। সাক্ষাৎকাৰ লোৱা প্ৰাৰ্থীসকলৰপৰা প্ৰাৰ্থী নিৰ্বাচন সম্পৰ্কে আলোচনা।
৫। অন্যান্য।
৬। সভাপতিৰ মন্তব্য।
৭। সভাভঙ্গ।

উপস্থিত সদস্যৰ চহী ঃ

১। স্বাঃ মঃ হাচিমুদ্দিন আহমেদ।
২। ,, মিছ গৌৰী দাস।
৩। ,, শ্ৰীপ্ৰভাত বৰুৱা।
৪। ,, শ্ৰীৰমেন ডেকা।
৫। ,, শ্ৰীনকুল দাস।

(১) স্বাঃ শ্ৰী বি, কে, দাস। D.E.E.O
(২) ,, শ্ৰী খ, বৰুৱা। D.I.

উপ-পৰিদৰ্শকৰ প্ৰস্তাৱ আৰু সদস্য শ্ৰীপ্ৰভাত বৰুৱাৰ সমৰ্থন মতে স্থায়ী অধ্যক্ষদেৱে সভাপতিৰ আসন গ্ৰহণ কৰি সভাৰ কাম আৰম্ভ কৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি উপ-পৰিদৰ্শকে কয় যে, পদ মঞ্জুৰ হৈ আহিলে নিয়োগৰ বাবে প্ৰাৰ্থী নিৰ্বাচন কৰাৰ বিষয়ে আৰু হৈ যোৱা সাক্ষাৎকাৰ বিষয়ে আলোচনা কৰিবলৈ এই সভা আহ্বান কৰা হৈছে।

ইয়াৰ পিচত যোৱা বৈঠকৰ কাৰ্য্য বিৱৰণী পাঠ কৰা হয়। কাৰ্য্য বিৱৰণীৰ ওপৰত সদস্য শ্ৰীপ্ৰভাত বকুৱাই দুই এটা মন্তব্য ৰখাৰ পাছত গ্ৰহণ কৰা হয়।

নিয়োগৰ প্ৰাৰ্থী নিৰ্বাচনৰ বিষয়ে আলোচনা আৰম্ভ কৰা হয়। আৰম্ভণী সভাত মাননীয় শ্ৰীনকুল দাসদেৱে (পশুপালন মন্ত্ৰী) কয় যে, চৰকাৰ নিৰ্ধাৰিত শতকৰা সংখ্যা , বয়স আৰু যোগ্যতাৰ ভিত্তিত বাচনি কৰিলে ভাল হ'ব। এই সময়তে উপ-পৰিদৰ্শকে চৰকাৰৰ পৰা পোৱা নিৰ্দেশনা (Guide line) খন আকৌ এবাৰ সভাত পাঠ কৰি দিয়ে। সভাত এই বিষয়ে বিতং ভাবে আলোচনা কৰা হয়। সভাত শ্ৰীপ্ৰভাত বকুৱা, শ্ৰীৰমন ডেকা আৰু শ্ৰীমতী গৌৰী দাসে কয় যে সাক্ষাৎকাৰৰ সময়ত দাখিল কৰা প্ৰমাণ-পত্ৰ মতে প্ৰায়বোৰৰ বাৰ্ষিক আয় ৩০০০/৩৫০০ টকাতকৈ বেছি নহয় যি কথা সহজে মানি ল'ব নোৱাৰি। গতিকে প্ৰাৰ্থী বাচনি কৰিবৰ সময়ত উপাৰ্জন আৰু পৰিয়ালত চাকৰি থকাৰ বিষয়ে স্থানীয় ভাবে তথ্য সংগ্ৰহ কৰিব লাগিব। (১) সভাত এই কথাত সন্মতি প্ৰদান কৰে। উপ-পৰিদৰ্শকে বিভাগৰ নিয়ম অনুযায়ী প্ৰাৰ্থী নিৰ্বাচন কৰিবলৈ অনুৰোধ জনায়। (২) পদ মঞ্জুৰ হৈ আহিলে কেনেধৰণে পদবিলাক ভগোৱা হ'ব এই বিষয়ে সিদ্ধান্ত ল'বলৈ উপ-পৰিদৰ্শকে সভাক অনুৰোধ জনায়, আৰু কয় যে, জনসংখ্যা গাঠনি মতে ঠিক কৰা ভাল। সদস্য সকলে বিতং ভাৱে আলোচনা কৰে। সভাত মাননীয় পশুপালন মন্ত্ৰী শ্ৰীদাস দেৱে পৰামৰ্শ দাঙি ধৰি কয় যে সমষ্টি মতে পদ ভগাব লাগিব আৰু সমষ্টিত থকা বিদ্যালয়ৰ সংখ্যাৰ ওপৰত নিৰ্ভৰ কৰি পদ বিতৰণ কৰা ভাল।

সদস্য সকলে আলোচনা কৰি বিদ্যালয়ৰ সংখ্যা অনুপাতে পদ ভগোৱাৰ ব্যৱস্থা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। (৩) ইয়াৰ বাবে সমষ্টি মতে বিদ্যালয়ৰ সংখ্যা উলিয়াই উপ-পৰিদৰ্শকক দায়িত্ব দিয়ে।

প্ৰাৰ্থী বাচনিৰ প্ৰক্ৰিয়াৰ বিষয়ে আলোচনা কৰা হয়। সভাপতি মহোদয়ে সমূহীয়া ভাৱে বাচনি কৰাৰ মতপোষণ কৰে যদিও সভাত শ্ৰীপ্ৰভাত বকুৱাই ইয়াত আপত্তি কৰি কয় যে, সমষ্টিৰ সদস্য সকলে প্ৰাৰ্থী বাছনি কৰিব। আলোচনা কৰি ঠিক কৰা হয় যে, সদস্যই প্ৰস্তুত কৰা তালিকা সমূহীয়া ভাৱে সভাত আলোচনা কৰি চূড়ান্ত ভাৱে প্ৰস্তুত কৰা হ'ব। (৪) জিলা বিষয়া আৰু উপ-পৰিদৰ্শকে সভাক জনাই যে, বহুতো সংস্থাৰ পৰা তেখেতসকলৰ কিছুমান প্ৰতিবেদন পোৱা হৈছে আৰু মাননীয় মন্ত্ৰী সকলৰ পৰাও কিছুমান

টোকা পোৱা হৈছে। গতিকে এই বিষয়ে কি কৰা হব তাৰ বাবে সিদ্ধান্ত লবলৈ সভাক আহ্বান জনাই। অধ্যক্ষ মহোদয়ে এই কথাত সমৰ্থন জনাই আৰু সভাই আলোচনা কৰি সিদ্ধান্ত লয় যে, এই আবেদন বোৰ সমষ্টি মতে সদস্য সকলক বিতৰণ কৰি দিব লাগিব। (৫) উপ-পৰিদৰ্শকক জনাব যে বিভাগৰ নিয়মৰ ভিতৰত নপৰা কোনো নিয়োগ কৰা নহব। (৬) সভাই বয়সৰ ক্ষেত্ৰত আলোচনা কৰি ১২ বছৰৰ পৰা ওপৰৰ বয়সৰ প্ৰাৰ্থীক্‌হে বাছনি কৰিব বুলি ঠিক কৰে কিন্তু উচ্চতম বয়স ৩৬ বছৰ অগ্ৰাধিকাৰ দিব লাগিব। (৭) মাননীয় মন্ত্ৰী মহোদয়ে বিকলাঙ্গৰ প্ৰাৰ্থীক বাছনি কৰাৰ ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হব। সেই বিষয়ে আলোচনা কৰিবলৈ অনুৰোধ জনায় আলোচনা কৰি সভাই ঠিক কৰে যে সামান্য ভাবে খুট থকা প্ৰাৰ্থীক বাছনি কৰিব পৰা হব। (৮) এই সময়তে অনানুষ্ঠানিক শিক্ষাৰ নিৰ্দ্দেশক নিৰ্দ্দেশিকাৰ বিষয়ে আলোচনা কৰি নিয়মত পৰিলে বাছনি কৰা হব বুলি ঠিক কৰে। (৯) প্ৰাৰ্থী নিৰ্ব্বাচন কৰিবলৈ সাক্ষাৎকাৰৰ তালিকা সদস্য সকলক চমজাই দিব লাগে বুলি সদস্য শ্ৰীবৰুৱা দেৱে আপত্তি কৰে। আৰু এই কথাত সদস্য শ্ৰীডেকাই সমৰ্থন জনাই। উপ-পৰিদৰ্শকে কয় যে, পদ অহাৰ পিচত সদস্য সকলক এই তালিকা সমূহ চমজাই দিয়া হব কাৰণ পদ নহাকৈ তালিকা নি বাছনি প্ৰক্ৰিয়া আৰম্ভ কৰিলে বাইজৰ মাজত জনাজাত হোৱাৰ আশঙ্কা আছে। গতিকে আৱশ্যক হলে উপ-পৰিদৰ্শকৰ কাৰ্য্যালয়ত চাব পাৰিব বা পদ আহিলে সমূহীয়া ভাবে চাব পাৰিব। অধ্যক্ষ মহোদয়ে এই কথাত সমৰ্থন দিয়ে। সভাই ঠিক কৰে যে, পদ আহিলে তালিকা সমূহ চমজাই দিয়া হব। (১০) সকলোকে ধন্যবাদ জনায় অধ্যক্ষই সভাৰ সামৰণি মৰাৰ সময়তে দৰং জিলাৰ নিবনুৱা স্নাতক সভাৰ বিষয়ববীয়া সকলে অধ্যক্ষৰ অনুমতি লৈ তেখেত সকলৰ দাবী সমূহ অধ্যক্ষৰ সন্মুখত দাঙি ধৰে। তেখেত সকলৰ দাবী সমূহ দাঙি ধৰাৰ বাবে অধ্যক্ষই জনাই যে চৰকাৰী নীতি অনুসৰি যিমান দূৰ সম্ভৱ নিযুক্তিৰ বিবেচনা কৰা হব। (১১) প্ৰতিনিধি দলে বিশেষ বিবেচনা কৰিবলৈ অনুৰোধ জনালে।

এই খিনিতে সভাৰ সামৰণি পৰে।

স্বাঃ— খ, বৰুৱা
উপ-পৰিদৰ্শক
মঙ্গলদৈ।

স্বাঃ/- মঃ হাচিমুদ্দিন আহমেদ
অধ্যক্ষ
৪/১/৯২
মঙ্গলদৈ মহকুমা প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদ
মঙ্গলদৈ

## মঙ্গলদৈ মহকুমা প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদৰ ৪ৰ্থ বৈঠক

স্থান: মঙ্গলদৈ আৱৰ্ত্ত ভৱন।

তাৰিখ: ৪/১/৯২

সময়: দিনৰ ১১ বজা।

কাৰ্য্যসূচী—

১। অধ্যক্ষৰ আসন গ্ৰহণ।

২। যোৱা বৈঠকৰ কাৰ্য্যবিৱৰণী পাঠ ও গ্ৰহণ।

৩। নিয়োগ সম্পৰ্ক আলোচনা।

(ক) বিজ্ঞান শিক্ষক (খ) প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক।

৪। অন্যান্য

৫। অধ্যক্ষ মহোদয়ৰ মন্তব্য।

৬। সভা ভঙ্গ।

### উপস্থিত সদস্যৰ চহী:

১। স্বাঃ মঃ হাচিমুদ্দিন আহমেদ

২। ,, গৌৰী দাস।

৩। ,, শ্ৰীপ্ৰভাত বৰুৱা (ছিপাঝাৰ)

৪। ,, শ্ৰীজিউৰাম বড়ো ৪/১/৯২

৫। ,, শ্ৰীৰমেন ডেকা

৬ ,, শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ৪/১/৯২

৭ ,, শ্ৰীসঞ্জয় বড়ো ৪/২/৯২

৮। ,, শ্ৰীনকুল দাস ৪/১/৯২

আজি ৪/১/৯২ তাৰিখে পৰিষদৰ স্থায়ী অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত সভাৰ কাম আৰম্ভ হয়। সভাৰ আৰম্ভণীতে সচিবে পৰিষদত নতুনকৈ অন্তৰ্ভুক্ত হোৱা সদস্য কেইগৰাকীক চিনাকী কৰি দিয়ে। তাৰ পাচত যোৱা বৈঠকৰ কাৰ্য্যবিৱৰণী পাঠ কৰে।

১। যোৱা, বৈঠকৰ কাৰ্য্যবিৱৰণীৰ ওপৰত আলোচনা কৰি নতুনকৈ অন্তৰ্ভুক্ত হোৱা সদস্য ও কালাইগাওঁ সমষ্টিৰ বিধায়ক মাননীয় শ্ৰীজিউৰাম বড়োৱে শিক্ষক প্ৰাৰ্থী সকলক সাক্ষাৎকাৰ লোৱা সময়ত তেওঁলোকৰ যোগ্যতা অনুসাৰে কিবা নম্বৰ

দিয়া হৈছিল নেকি বুলি প্ৰশ্ন তোলে। তেখেতৰ প্ৰশ্নৰ উত্তৰত অধ্যক্ষ মহোদয়ে সাক্ষাৎকাৰত নম্বৰ দিয়া নিদিয়াৰ বিষয়ে আলোচনা কৰে। এই সংক্ৰান্তত‌েই বিধায়ক শ্ৰীকবেন্দ্ৰ বসুমতাৰীয়ে সাক্ষাৎকাৰ লওঁতে প্ৰাৰ্থীৰ যোগ্যতা অনুসৰি নম্বৰ দিয়া বিষয়ে চৰকাৰৰ পৰা পোৱা কিবা নিৰ্দ্দেশনা আছে নেকি বুলি পৰিষদক সোধে এই মৰ্মে পৰিষদে জনায়, যে যিহেতু চৰকাৰৰ পৰা কোনো নিৰ্দ্দেশ নাই। গতিকে প্ৰাৰ্থী নিৰ্ব্বাচনৰ ক্ষেত্ৰত বয়সৰ উচ্চসীমা আৰু পৰিয়ালত যাতে অন্য চাকৰি কৰা ব্যক্তি নাথাকে তাৰ ওপৰত বিশেষ গুৰুত্ব দিবলৈ সচিবে সদস্য সকলৰ প্ৰতি আহ্বান জনাইছিল। যাতে প্ৰাৰ্থী নিযুক্তিৰ ক্ষেত্ৰত কাৰ্য্যালয়ে কোনো ধৰণৰ সমালোচনাৰ সন্মুখীন হবলগীয়া নহয়।

যোৱা বৈঠকৰ কাৰ্য্যবিৱৰণী সভাই গ্ৰহণ কৰে।

২। পৰিষদৰ বৈঠকৰ কাৰ্য্যবিৱৰণী সদস্য সকলক যোগান ধৰাৰ বিষয়ে আলোচনা হোৱাত সচিবে জনায় যে, অসমীয়া টাইপ মেচিন যোৱা কেইবছৰ মানৰ পৰা নোহোৱাৰ বাবে এই কাম সম্ভৱ হোৱা নাই। সভাই অতি সোনকালে এটি অসমীয়া টাইপ যন্ত্ৰ যোগান ধৰিবলৈ সঞ্চালক মহোদয়ক অনুৰোধ জনাই আৰু এই বিষয়ে ব্যৱস্থা লবলৈ সচিবক দায়িত্ব দিয়ে।

৩। বিজ্ঞান শিক্ষক নিযুক্তিৰ বিষয়ে চৰকাৰৰ পৰা পোৱা চিঠিখন পৰিষদৰ সভাত পাঠ কৰা হয়। বিজ্ঞান শিক্ষক নিৰ্ব্বাচনৰ ক্ষেত্ৰত প্ৰাৰ্থীৰ ব্যক্তিত্ব আৰু বয়সৰ উচ্চ সীমা ইত্যাদিৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ মন্ত্ৰী শ্ৰীদাস দেৱে পৰামৰ্শ আগবঢ়ায়।

বিজ্ঞান শিক্ষক নিযুক্তিৰ বাবে জিলা প্ৰাথমিক শিক্ষা বিষয়া মহোদয়ৰ কাৰ্য্যালয়ৰ পৰা প্ৰস্তুত কৰা তালিকাখন সমষ্টি আৰু মৌজা অনুযায়ী বাছি উলিয়াবলৈ সদস্য শ্ৰীপ্ৰভাত বৰুৱাই কয়। এই সংক্ৰান্তত প্ৰাৰ্থী অনুযায়ী পদৰ সংখ্যা কম হোৱা বুলি মাননীয় মন্ত্ৰী শ্ৰীদাসদেৱে কয়। বিধায়ক শ্ৰীজিউৰাম বড়ো দেৱে সন্মান সহকাৰে বিজ্ঞান স্নাতক আৰু Distingtion সহ পাচ কৰা বিজ্ঞান প্ৰাৰ্থী সকলক উচ্চ ইংৰাজী পদৰ বাবে নিৰ্বাচিত হব পাৰে বুলি মত প্ৰকাশ কৰে।

বিধায়ক শ্ৰীবসুমতাৰীয়ে উচ্চ ইংৰাজী বিদ্যালয়ৰ বিজ্ঞান শিক্ষকৰ পদৰ সংখ্যা জানিব বিচৰাত যদিও জিলা বিষয়া মহোদয়ে সংখ্যাটো (৬৫ টা) জনালেও ই এখন বেলেগ সভাৰ কাম বুলিও জনায়।

জিলা প্ৰাথমিক শিক্ষা বিষয়া মহোদয়ে উচ্চ ইংৰাজী বিদ্যালয়বোৰ বিজ্ঞান শিক্ষক নিযুক্তি দিলে সাক্ষাৎকাৰত উপস্থিত থকা সকলোৱে নিয়োগ হব পাৰে

বুলি মত ভাণ্ডি ধৰে তথাপিও মজলীয়া বিদ্যালয়ত পদ মঞ্জুৰ হ'ল যেতিয়া নিয়োগ হব লাগে বুলি কয়।

৪। সদস্য শ্ৰীপ্ৰভাত বৰুৱাই জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্য্যালয়ে প্ৰস্তুত কৰা তালিকা পুনৰ যৌথ হিচাবে প্ৰস্তুত কৰি তাৰ প্ৰতিলিপি একোটা প্ৰত্যেকজন সদস্যক দিব লাগে আৰু প্ৰাৰ্থী নিৰ্বাচনৰ সদস্য সকলকে হ দায়িত্ব দিব লাগ বুলি কয়। এই সংক্ৰান্তত সচিব মহোদয়ে তালিকাখন সমষ্টি হিচাবে প্ৰস্তুত কৰিবলৈ অনুৰোধ জনায় আৰু তালিকা প্ৰস্তুত কৰোতে যোগ্যতাৰ (merrit) ওপৰত গুৰুত্ব দিবকৈ পৰামৰ্শ আগবঢ়ায়। আৰু উক্ত তালিকাখন মাঘ বিহুৰ আগতে দাখিল কৰিবলৈ কয় আৰু লগতে অহা ৩০ জানুৱাৰী তাৰিখে পৰিষদৰ সভা আহ্বান কৰিবলৈ পৰামৰ্শ দিয়ে।

বিধায়ক বড়োৱে পৰিদৰ্শকৰ পৰা বিজ্ঞান শিক্ষকৰ তালিকা নোহোৱাকৈয়ে প্ৰাৰ্থী নিৰ্বাচনৰ কথা কয়।

সদস্য শ্ৰীৰমেশ ডেকাই নিযুক্তিৰ সময়ত থাকিবলগীয়া উচ্চতম বা নিম্নতম বয়স সম্পৰ্কে জানিবলৈ বিচাৰে। এই সংক্ৰান্তত শিক্ষক পদৰ বিজ্ঞাপনত উল্লেখ থকা (১/১/৯১) তাৰিখে থাকিবলগীয়া বয়সেই নিযুক্তিৰ সময়ত প্ৰযোজ্য হব বুলি পৰিষদে জনায়। এই ক্ষেত্ৰত পৰিষদে আগৰ বৈঠকত ঠিক কৰা নিম্নতম বয়স ২২ বছৰ কৰা সিদ্ধান্ত উঠাই লোৱা হয়।

৫। ওদালগুৰি মহকুমাত বিজ্ঞান শিক্ষক পদ অনুপাতে প্ৰাৰ্থী সংখ্যা কম হোৱাত বাহি হোৱাত বাহি হোৱা পদ কেইটা মঙলদৈ মহকুমাৰ পৰা দিব লাগে বুলি বিধায়কে শ্ৰীবসুমতাৰীক বিবেচনা কৰিবলৈ অনুৰোধ জনায়। যিহেতু শ্ৰীবসুমতাৰী ওদালগুৰি শিক্ষা উপদেষ্টা পৰিষদৰো সদস্যভূক্ত।

বিধায়ক শ্ৰী জটৰাম বড়োৱে মিডিয়ামৰ ক্ষেত্ৰত কয় যে,—বড়ো প্ৰাৰ্থীৰ ক্ষেত্ৰত অনাবড়ো প্ৰাৰ্থীয়েও যদি বড়ো মাধ্যমৰ প্ৰমাণ পত্ৰ দাখিল কৰিব পাৰে তেওঁলোককো বড়োমাধ্যমৰ পদৰ বাবে নিৰ্বাচিত কৰিব পাৰে। লগতে বড়ো মাধ্যমৰ অধিক পদ মঞ্জুৰী দিবৰ বাবে চৰকাৰলৈ লিখিবলৈ কয়।

বিজ্ঞান শিক্ষকৰ পদ মঞ্জুৰী হোৱা বিদ্যালয়ৰ তালিকা আৰু সাক্ষাৎকাৰত উপস্থিত থকা প্ৰাৰ্থীৰ তালিকা প্ৰত্যেক সদস্যক যোগান ধৰিবলৈ সভাই জিলা বিষয়াক অনুৰোধ জনায় আৰু তেখেতে সন্মতি প্ৰদান কৰে।

প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক নিয়োগ সম্পৰ্কে অসম প্ৰাথমিক শিক্ষা সঞ্চালক মহোদয়ৰ পৰা পোৱা ২১/১২/৯১ তাৰিখৰ ই পিজি/প্লেন/৪৭/৯১/৪ (ক) ৩২ৰ

চিঠিখন পাঠ কৰা হয় লগতে সচিবে জনায় যে এই মহকুমাত ১৩৫ টা পদ মঞ্জুৰ হৈছে।

মাধ্যম অনুযায়ী পদৰ সংখ্যা হৈছে অসমীয়া ১০০টা, বড়ো মাধ্যম ৩৪টা, বঙালী মাধ্যম ১টা মুঠ ১৩৫ টা।

উন্নয়ণখণ্ড অনুযায়ী হৈছে— খৈৰাবাৰী ৫০ টা ওডালগুৰি ৩৫ টা, দলগাওঁ ২১টা আৰু কালাইগাওঁ ২৯ টা। খৈৰাবাৰী উন্নয়ণ খণ্ডৰ বড়ো মাধ্যমৰ এটা পদ চৰকাৰী বিদ্যালয়ৰ (কাহৈমাৰী প্ৰাথমিক বিদ্যালয়) পতিকে এই পদৰ নিয়োগ সঞ্চালক মহোদয়ৰ পৰা হব।

৬। সভাত সচিব মহোদয়ে এজনীয়া প্ৰা. বি. অবৈতনিক ভাৱে কাম কৰি থকা প্ৰাৰ্থী সকলক নিযুক্তিৰ বাবে নিৰ্বাচন কৰিবলৈ সদস্য সকলক আহ্বান জনায়। যদি তেখেতসকল সাক্ষাৎকাৰত উপস্থিত আছিল। কাৰণ এই অবৈতনিক শিক্ষকৰ তালিকা সঞ্চালকক দাখিল কৰা আছে।

৭। সাক্ষাৎকাৰ লোৱা প্ৰাৰ্থী সকলৰ তালিকা চোৱা কামটো পূৰ্ব্ব সিদ্ধান্ত বাহাল থাকে। উন্নয়ণ খণ্ড অনুযায়ী পদ মঞ্জুৰ হোৱা বিদ্যালয়ৰ তালিকা উপ-পৰিদৰ্শকে উন্নয়ণ খণ্ডৰ প্ৰত্যেক সদস্যকে দাখিল কৰে। অহা ৩০ জানুৱাৰীৰ সভাত বাচনি তালিকা দাখিল কৰিবলৈ মত দাঙি ধৰে।

অধ্যক্ষ মহোদয়ে মন্তব্যত কয় যে প্ৰাৰ্থী হিচাবে পদৰ সংখ্যা কম হোৱাত আৰু অধিক শিক্ষকৰ পদ মঞ্জুৰ কৰিবলৈ চৰকাৰক অনুৰোধ জনাবলৈ সদস্য তথা মাননীয় পশুপালন মন্ত্ৰী শ্ৰীদাস দেৱক অনুৰোধ জনায়।

৮। মাননীয় মন্ত্ৰী মহোদয়ে এজনীয়া বিদ্যালয়ৰ শিক্ষকৰ পদ মঞ্জুৰ কৰাৰ বাবে চৰকাৰক ধন্যবাদ জনাই লগতে আৰু অধিক পদ মঞ্জুৰ কৰিবলৈ চৰকাৰক অনুৰোধ জনোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সচিবক দায়িত্ব দিয়ে।

সচিবে বিভিন্ন সংগঠনবোৰৰ পৰা পোৱা প্ৰাৰ্থীৰ তালিকাবোৰৰ কথাও উপস্থাপন কৰে আৰু পদ মঞ্জুৰ হোৱা এনেকাৰ তেনে নাম জনাই দিয়ে। লগতে নিবনুৱা সংস্থা অনানুষ্ঠানিক শিক্ষা আদিৰ বিষয়েও সভাক জনায়।

সভাৰ অন্তত অধ্যক্ষ মহোদয়ে ধন্যবাদসূচক মন্তব্যৰে সভাৰ কাম সমাপ্ত কৰে।

স্বাঃ মঃ হাচিমুদ্দিন আহমেদ
অধ্যক্ষ
প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদ মঙ্গলদৈ।

## ৫ম বৈঠক

### মঙ্গলদৈ মহকুমা প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদৰ বৈঠক

স্থান : আৱৰ্ত্ত ভৱন, মঙ্গলদৈ

তাৰিখ : ৩০/১/৯২ ইং

সময় : দিনৰ ১১ বজা

কাৰ্য্যসূচী : ১। অধ্যক্ষ মহোদয়ৰ আসন গ্ৰহণ

২। যোৱা বৈঠকৰ কাৰ্য্য বিৱৰণী পাঠ ও গ্ৰহণ

৩। নিয়োগ সম্পৰ্কে (ক) বিজ্ঞান শিক্ষক (খ) প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক (গ) মজলীয়া আৰু হিন্দী শিক্ষক

৪। অন্যান্য

৫। অধ্যক্ষ মহোদয়ৰ মন্তব্য

৬। অন্যান্য

**উপস্থিত সদস্যৰ চহী**

১। স্বাঃ হাছিমুদ্দিন আহমেদ

২। অস্পষ্ট

৩। স্বাঃ মোঃ এন. এম. টাইমূৰ

৪। ,, কৰেন্দ্ৰ বসুমতাৰী

৫। ,, চন্দ্ৰ দত্ত

৬। ,, বি, কে, দাস

৭। ,, মৃদুলা চহৰীয়া

৮। ,, নকুল দাস

৯। ,, সঞ্চয় বড়ো

১০। ,, জীউৰাম বড়ো

১১। অস্পষ্ট

১২। ”

১৩। ”

আজি ৩০/১/৯২ তাৰিখে মঙ্গলদৈ মহকুমা প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদৰ স্থায়ী অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত সভাৰ কাম আৰম্ভ হয়।

সভাৰ আৰম্ভণিতে সচিবে নতুনকৈ অন্তভূৰ্ক্ত হোৱা পৰিষদৰ সদস্য সকলক চিনাকি কৰি দিয়ে। চিনাকি পৰ্বৰ পিচত সভাৰ কাৰ্য্যসূচী মতে সচিবে যোৱা বৈঠকৰ (৪/১/৯২) কাৰ্য্য বিৱৰণী পাঠ কৰে।

(১) যোৱা বৈঠকৰ কাৰ্য্য-বিৱৰণীৰ ওপৰত বিশেষকৈ অবৈতনিক ভাবে কাম কৰি থকা শিক্ষক প্ৰাৰ্থীৰ বিষয়ে সদস্য শ্ৰীপ্ৰভাত বৰুৱা দেৱে অভিযোগ উপস্থাপন কৰে। এই সংক্ৰান্তত বিধায়ক, সদস্য শ্ৰীজমন সিং ব্ৰহ্মই ভজনীয়া প্ৰাথমিক বিদ্যালয়ৰ অবৈতনিক ভাবে কাম কৰি থকা শিক্ষক প্ৰাৰ্থী সকলক তেখেত সকলে কাম কৰি থকাৰ বিষয়ে আৱশ্যকীয় নথি পত্ৰ ভালদৰে পৰীক্ষা কৰাৰ বিষয়ে পৰামৰ্শ দিয়ে।

বিধায়ক ও সদস্য শ্ৰীজীউৰাম বড়োৱে অসমীয়া মাধ্যমৰ বিদ্যালয়বোৰত নতুনকৈ বড়ো মাধ্যমৰ শাখা খুলি বড়ো মাধ্যম প্ৰচলন কৰি উক্ত বড়ো মাধ্যমৰ অবৈতনিক ভাবে কাম কৰি থকা শিক্ষক প্ৰাৰ্থী সকলৰ বিষয়েও বিবেচনা কৰিবলৈ সভাত মত দাঙি ধৰে।

(২) অসম চৰকাৰৰ পৰা ৮/১/৯২ তাৰিখৰ ১ম বিভাগত উত্তীৰ্ণ হোৱা ই, পি, জি ৮/৯/৯১/১৮৫ নম্বৰ তাৰবাৰ্ত্তা খনৰ বিষয়ে সভাত আলোচনা কৰা হয়। উক্ত তাৰবাৰ্ত্তাত সন্নিবিষ্ট থকা বিষয়ৰ ওপৰত সচিবে কয় যে যিবিলাক অৱস্থানত (Locality) প্ৰথম বিভাগত প্ৰৱেশিকা পাচ কৰা প্ৰাৰ্থী নাথাকে সেই অৱস্থান সমূহত (Locality) আন প্ৰাৰ্থীকো নিযুক্তি দিয়াব ক্ষেত্ৰত সঞ্চালক মহোদয়ৰ পৰামৰ্শ বিচাৰিব লাগে। এই ক্ষেত্ৰত শ্ৰীছহৰীয়াইয়ো একমত পোষণ কৰে। এই সংক্ৰান্তত শ্ৰীপ্ৰভাত বৰুৱাই কয় যে চাকৰিৰ বাবে বিজ্ঞাপনত দিয়া শিক্ষাগত অৰ্হতাহে নিয়োগৰ ক্ষেত্ৰত প্ৰযোজ্য হব লাগে।

আলোচনাৰ অন্তত যোৱা বৈঠকত কাৰ্যবিৱৰণী সভাত গৃহীত হয়।

(৩) সদস্য শ্ৰীবৰুৱাই বিজ্ঞান শিক্ষকৰ নিযুক্তি পিচুৱাবলৈ পৰামৰ্শ দিছে। এই ক্ষেত্ৰত সচিবে কয় যে যিহেতু অসম চৰকাৰে সাধাৰণ পদ মঞ্জুৰী কৰিব গতিকে নিযুক্তিবোৰ সোনকালে হোৱাই ভাল বুলি কয়।

অধ্যক্ষ্য মহোদয়ে হাইস্কুল বিলাকত বিজ্ঞানৰ শিক্ষক নিযুক্তি দিয়াৰ পিচতহে মঙ্গলীয়া বিদ্যালয়ত বিজ্ঞান শিক্ষক নিযুক্তি দিয়াৰ কথা কয়। কিয়নো প্ৰত্যেকজন প্ৰাৰ্থীয়েই হয়তো দুয়ো ঠাইত নিযুক্তি বাবে নিৰ্ব্বাচিত হব লাগে।

মাননীয় মন্ত্ৰী শ্ৰীদাসদেৱে কয় যে যিহেতু মঙ্গলদৈ মহকুমাত পদ অনুপাতে বিজ্ঞানৰ প্ৰাৰ্থী বেছি আৰু গুদালগুৰি মহকুমাত পদৰ অনুপাতে বিজ্ঞানৰ প্ৰাৰ্থী

কম গতিকে দুয়োটা মহকুমাৰ মাজত বুজাবুজিৰ ভিতৰত বিজ্ঞান শিক্ষকৰ নিযুক্তি হব লাগে।

বিধায়ক সদস্য শ্ৰীকৰেন্দ্ৰ বসুমতাৰীয়ে কয় যে হাইস্কুলৰ নিযুক্তিৰ পিচতহে যদি মজলীয়াৰ নিযুক্তি দিয়া হয় তেতিয়া হলে হয়তো মজলীয়াৰ বাবে কম নম্বৰ পোৱা প্ৰাৰ্থীবোৰহে ৰৈ যাব। গতিকে হাইস্কুলৰ নিযুক্তি আগতেই মজলীয়াত নিযুক্তি হব লাগে। শেষত অধ্যক্ষ মহোদয়ে হাইস্কুলত বিজ্ঞানৰ শিক্ষক নিযুক্তি দিয়াৰ পিচতেই মজলীয়াত বিজ্ঞান শিক্ষক নিযুক্তি হ'ব লাগে বুলি কয়।

সদস্য এন. এম. টাইমূৰে মঙ্গলদৈৰ প্ৰাৰ্থী ওদালগুৰিত নিযুক্তি কৰে নে নকৰে জানিব বিচাৰে।

বিধায়ক শ্ৰীব্ৰহ্মই ওদালগুৰিত স্থানীয় ভাবে এখন ( localy absorbed ) কৰাটোকে বিচাৰে আৰু ৰাহি হোৱা পদবোৰ মঙ্গলদৈত দিয়াৰ বিষয়ে মত দাঙি ধৰে।

৪। বিজ্ঞান শিক্ষকৰ নিযুক্তিৰ বাবে জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ে প্ৰস্তুত কৰা তালিকাখনৰ বিষয়ে আলোচনা কৰে। উক্ত তালিকাখন প্ৰাথমিক শিক্ষা বিষয়া মহোদয়ে যোগ্যতা অনুসৰি প্ৰস্তুত কৰা হৈছে বুলি সভাত কয়। এই সংক্ৰান্তত সদস্য শ্ৰীৰমেন ডেকাই কয় যে উক্ত তালিকাখনৰ চাকৰি থকা পৰিয়ালৰ প্ৰাৰ্থী আৰু ধনী পৰিয়ালৰ প্ৰাৰ্থীও থকা বুলি অভিযোগ কৰে। পূৰ্বৰ কিমান শিক্ষকসকল অহা মাৰ্চ মাহত বিজ্ঞানৰ শিক্ষকক বেতনহাৰত উন্নীত ( upgrad ) কৰিব বুলি জিলা প্ৰাথমিক বিষয়াই জানিব দিয়ে। নিযুক্তিৰ বাবে নিৰ্বাচিত কৰিবলগীয়া প্ৰাৰ্থীসকলৰ তথ্যপাতি ও অন্যান্য বিৱৰণবোৰ সদস্য-সকলে কাৰ্য্যালয় বা আবৰ্তন ভবনলৈ আহি সচিবৰ কাৰ্য্যালয়ত থকা প্ৰাৰ্থীৰ তালিকাবোৰ চোৱাটোকে সিদ্ধান্ত কৰে। আৰু বুজাবুজিৰ মাজেৰে প্ৰাৰ্থী নিৰ্বাচিত কৰাটোৰ বিষয়ে সদস্যসকলে মত প্ৰকাশ কৰে। প্ৰাৰ্থীৰ তালিকাবোৰ সচিবৰ জৰীয়তে কাৰ্য্যালয়তে চোৱাটোৱেই ভাল হব বুলি সদস্য শ্ৰীৰমেন ডেকাই মত পোষণ কৰে।

৫। শিক্ষক প্ৰাৰ্থী নিৰ্বাচন পৰবৰ্তী সভাতেই সম্পূৰ্ণ কৰাৰ সিদ্ধান্ত কৰে আৰু পৰবৰ্তী সভাৰ তাৰিখ অহা পঞ্চায়ত নিৰ্বাচনৰ পিচতেই পতাটোৱেই ভাল হব বুলি সদস্য শ্ৰীপ্ৰভাত ৰুৱাই কয়। কিয়নো বৰ্তমান সদস্যসকল নিৰ্বাচনৰ কামত ব্যস্ত থাকিব লাগিব।

৬। পৰবৰ্তী সভাৰ তাৰিখ অহা ৪/৩/৯২ ইং তাৰিখে অনুষ্ঠিত কৰাৰ সিদ্ধান্ত কৰে। আৰু যদি প্ৰয়োজন হয় তেতিয়া হ'লে ৫/৩/৯২ ইং তাৰিখেও সভা

অনুষ্ঠিত কৰাৰ সিদ্ধান্ত কৰে। উক্ত সভাতেই সকলোবোৰ নিযুক্তিৰ কাম সম্পূৰ্ণ হব লাগিব বুলি সচিবে সদস্যসকলৰ প্ৰতি আহ্বান জনায়।

৭। অবৈতনিক শিক্ষকৰ যাতে পুনৰ তালিকা প্ৰস্তুত কৰা নহয় সেই বিষয়ে সদস্য শ্ৰীপ্ৰভাত বৰুৱাই কয়। এই সংক্ৰান্তত সচিবে কয় যে আগতে প্ৰস্তুত কৰা অবৈতনিক শিক্ষকৰ তালিকা সঞ্চালক মহোদয়ৰ নিৰ্দেশ মতেহে কৰা হৈছে। অধ্যক্ষ মহোদয়ে কয় যে আগৰ তাৰিখ ( back date ) দেখুৱাই পুনৰ যাতে অবৈতনিক শিক্ষকৰ তালিকা প্ৰস্তুত কৰা নহয় সেই বিষয়ে উল্লেখ কৰে।

বিধায়ক সদস্য শ্ৰীবসুমতাৰীয়ে কয় যে অবৈতনিক ভাবে কাম কৰি থকা শিক্ষক যদি কিবা কাৰণত তালিকাৰ পৰা যদি বাদ পৰি গৈছে তেনেহলে উক্ত শিক্ষকৰ তালিকা পুনৰ প্ৰস্তুত কৰি দাখিল কৰাৰ ব্যৱস্থা কৰিব লাগে বুলি উল্লেখ কৰে।

অসম চৰকাৰৰ পৰা পোৱা ১০/১/৯২ ইং তাৰিখৰ মঞ্জুৰীয়া বিদ্যালয়ৰ অতিৰিক্ত শিক্ষক আৰু হিন্দি শিক্ষকৰ, পেনেল লিষ্ট ( panel list ) সম্পৰ্কীয় তাঁৰবাৰ্তাখন সভাত পাঠ কৰা হয়। সভাই পদ নাহিলে তালিকা প্ৰস্তুত কৰা নহব বুলি মত প্ৰকাশ কৰে। তথাপি এই বিষয়ে অহা সভাত আলোচনা কৰা হ'ব।

৮। অন্যান্য কাৰ্যসূচী শিতানত মাননীয় মন্ত্ৰী শ্ৰীদাসদেৱে বৰাচৰা প্ৰাথমিক বিদ্যালয়খন 'বন্ধুৰাম কছাৰী' প্ৰাথমিক বিদ্যালয় নামেৰে নামাকৰণ কৰিব লাগে বুলি কয় আৰু সচিবে অধ্যক্ষ মহোদয়ৰ অনুমতি ক্ৰমে কৰিব পৰা যাব বুলি কয়। কিছুমান মিশ্ৰিত মাধ্যমৰ ( mixed medium ) বিদ্যালয়ত অসমীয়া মাধ্যমৰ ছাত্ৰ-ছাত্ৰী নোহোৱাত অসমীয়া মাধ্যমৰ শিক্ষকসকল এনেয়ে থাকিব লগা হোৱাত উক্ত শিক্ষকসকলক নতুন নিযুক্তিৰ পিচতেই আন বিদ্যালয়লৈ বদলি কৰাৰ বিষয়ে সচিবে সভাত উল্লেখ কৰে।

হিন্দি শিক্ষকৰ বাবে প্ৰাৰ্থীৰ তালিকা কাৰ্যালয়ত প্ৰস্তুত কৰি ৰখাৰ বিষয়ে জিলা প্ৰাথমিক শিক্ষা বিষয়াই কয় আৰু এই বিষয়ত সকলো সদস্যই একমত প্ৰকাশ কৰে আৰু উক্ত তালিকাৰ একোটাকৈ কপি সদস্যসকলক দিব লাগে বুলি সদস্যসকলে কয়।

শেষত অধ্যক্ষ মহোদয়ৰ ধন্যবাদসূচক মন্তব্যৰে সভাৰ কাৰ্যসূচীৰ অন্ত পেলায়।

স্বাক্ষৰ
অধ্যক্ষ
মঙ্গলদৈ মহকুমা প্ৰাথমিক শিক্ষা
উপদেষ্টা পৰিষদ

কাৰ্য্যবিৱৰণী পাঠ কৰাৰ পিচতে সদস্য শ্ৰীপ্ৰভাত বৰুৱাই যোৱা বৈঠকত তেখেতৰ সমষ্টিত একেবাহে পদ নহাৰ বিষয়ে সোধাৰ প্ৰশ্নটো বিবৰণীত সন্নিবিষ্ট নোহোৱাত আপত্তি কৰে। মতামত আছিল এনে ধৰণৰ—সকলো সমষ্টিতে পদ আহিল কিন্তু চিপাঝাৰ সমষ্টিত এটাও পদ নহাত তেখেতে আপত্তি প্ৰকাশ কৰে। আৰু কয় যে বাকীপদ আহিলে সেই পদৰপৰা সেই সমষ্টিত পদ বেচিকৈ দিব লাগিব। সেই সংক্ৰান্তত সচিবে কৈছিল যে এই পদসমূহ ১৯৯০ চনতে বিভাগে প্ৰস্তুত কৰা তালিকা মতে এজনীয়া শিক্ষক থকা বিদ্যালয়ত পদ মঞ্জুৰ কৰিছে বাকী বেছিকৈ পদ দিয়া কথাটো সভাৰ ওপৰত নিৰ্ভৰ কৰে। তেখেতে বিজ্ঞানৰ পদৰ ক্ষেত্ৰত সদস্য সকলেহে বাচিব বুলিও প্ৰকাশ কৰে।

সচিবে ভুলেৰে এই কথাখিনি বাদ পৰা বুলি কয় আৰু পাচত প্ৰতিবেদনত অন্তৰ্ভূক্ত কৰা হব বুলি কোৱাত শ্ৰীবৰুৱাই সন্মতি প্ৰকাশ কৰে।

Counter signed
Sd/-
D. I. of Schools
Mangaldoi

স্বাক্ষৰ
Chairman
20/2/92

## ৬ষ্ঠ বৈঠক

## মঙ্গলদৈ মহকুমা প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদৰ বৈঠক

স্থান : আবৰ্ত্ত ভৱন মঙ্গলদৈ

তাৰিখ : ২০/২/৯২ ইং

সময় : দিনৰ ১১ বজা

কাৰ্য্যসূচী—

১। অধ্যক্ষ মহোদয়ৰ আসন গ্ৰহণ
২। যোৱা বৈঠকৰ কাৰ্য্যবিৱৰণী পাঠ ও গ্ৰহণ
৩। নিয়োগ সম্পৰ্কে আলোচনা
(ক) বিজ্ঞান শিক্ষক
(খ) প্ৰাথমিক বিদ্যালয় শিক্ষক
(গ) মজলীয়া আৰু হিন্দী শিক্ষক
৪। অন্যান্য

৫ অধ্যক্ষ মহোদয়ৰ মন্তব্য
৬ সভাভঙ্গ

আজি ২০/২/৯২ তাৰিখে মঙ্গলদৈ মহকুমা প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদৰ স্থায়ী অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত সভাৰ কাম আৰম্ভ কৰে।

সভাৰ আৰম্ভণিতে সচিবে পূৰ্বে ঘোষিত তাৰিখৰ আগতে কিয় আগতীয়াকৈ সভা অনুষ্ঠিত কৰিব লগীয়া হল সেই বিষয়ে নাথ্য কৰে। তেখেতে কয় যে যিহেতু কাৰ্য্যালয়ৰ কৰ্মচাৰীকে ধৰি সকলো সদস্য পঞ্চায়ত নিৰ্বাচনৰ কামত অহা মাৰ্চ মাহৰ ১ সপ্তাহলৈ ব্যস্ত থাকিব সেয়ে পূৰ্বে নিৰ্দ্ধাৰিত তাৰিখত সভা অনুষ্ঠিত কৰা সম্ভৱপৰ নহব। সেয়ে আজিৰ তাৰিখত সভা পতা হয়। এই বিষয়ত অধ্যক্ষ মহোদয়ো একমত।

সদস্যা শ্ৰীমতী চহৰীয়াই সভাৰ কাৰ্যাসূচী পিচলৈ অৰ্থাৎ ৪/৫ মাৰ্চলৈ পিচুৱাই দিয়াৰ বিষয়ে মন্তব্য দাঙি ধৰে। অৱশেষত সকলো সদস্যই সৰ্ব্বসন্মতি ক্ৰমে পৰবৰ্তী সভা অহা ৭/৩/৯২ তাৰিখে অনুস্থিত কৰাটোকেই সিদ্ধান্ত কৰে। যোৱা বৈঠকৰ ৩০/১/৯২ কাৰ্য্য বিৱৰণীৰ ওপৰত সদস্য শ্ৰীপ্ৰভাত বৰুৱাই ১৯৮৬ চনৰ পিচত কোনো অবৈতনিক শিক্ষক নাই বুলি সচিবে কোৱা কথা উল্লেখ কৰে। এই সংক্ৰান্তত সচিবে স্পষ্টিকৰণ দিয়ে যে ১৯৮৯ চনৰ পিচতহে অবৈতনিক ভাবে কাম কৰা শিক্ষক থাকিব নোৱাৰে।

নতুন সদস্য মফিজুদ্দিন আহমেদে ওন্দোলাঝাৰ প্ৰাথমিক বিদ্যালয়ত অৱসৰ সংক্ৰান্তত হোৱা খালি পদটো ওদালগুৰি মহকুমাৰ পৰা শিক্ষক বদলি কৰি আনি পদটো পূৰোৱা বুলি অভিযোগ কৰে। এই বিষয়ত উক্ত খালি হোৱা পদটো সেই বিদ্যালয়তেই থাকিব বুলি কয়। এই খিনিতে নতুন সদস্য শ্ৰীআহমেদক সচিবে চিনাকি কৰি দিয়ে।

সদস্য শ্ৰীপ্ৰভাত বৰুৱাই মঞ্জুৰী হোৱা পদবোৰ সমষ্টিগত ভাবে সদস্য সকলৰ মাজত সম বিতৰণ কৰিব লাগে বুলি কয়।

সদস্য শ্ৰীজমন সিং ব্ৰহ্মই অবৈতনিক শিক্ষক নিযুক্তিৰ বাবে নিৰ্বাচন কৰোতে তেওঁলোকে কাম কৰা নথি পত্ৰবোৰ ভালদৰে পৰীক্ষা নিৰিক্ষা কৰিহে নিৰ্বাচিত কৰিব লাগে বুলি কয়।

মাননীয় মন্ত্ৰী শ্ৰীদাসদেৱে অবৈতনিক শিক্ষক সকলক পুণৰ সাক্ষাৎকাৰ লোৱাৰ কথা কয়।

সদস্য ও জিলা প্ৰাথমিক শিক্ষা বিষয়া মহোদয়ে ওন্দোলাঝাৰ প্ৰাথমিক

বিদ্যালয়লৈ বদলিৰ বিষয়ে স্পষ্টিকৰণ দিয়ে। এই সংক্ৰান্তত মাননীয় মন্ত্ৰী মহোদয়ে কিয় উক্ত বিদ্যালয় খনৰ খালি পদটোলৈকেহে শিক্ষক বদলিৰ বাবে নিৰ্বাচিত কৰালে সেই বিষয়ে আক্ষেপ কৰে। বিধায়ক সদস্য শ্ৰীজীউৰাম বড়োৱে স্থানীয় ভাবেহে শিক্ষক বদলিৰ ব্যৱস্থা কৰিব লাগে বুলি কয়। আৱশ্যক হলে নিয়োগৰ পিচতো বদলিৰ ব্যৱস্থা কৰিব পাৰিম বুলি কয়। লগতে বড়োৱে High Court কৰা কিমান প্ৰাৰ্থী আৰু বৰ্ত্তমান কি পৰ্য্যায়ত আছে জানিব বিচাৰে। এই সংক্ৰান্তত কাৰ্য্যালয়ে কোনো ধৰণৰ নথি পত্ৰ বিভাগৰ পৰা পোৱা নাই বুলি জানিবলৈ দিয়ে।

আজিৰ সভাত চৰকাৰৰ পৰা পোৱা ৯/১/৯২ তাৰিখৰ ই এ এ ২১/৯১/২ ক নম্বৰ তাৰবাৰ্তাখন পাঠ কৰা হয়। উক্ত তাৰবাৰ্তাত সন্নিবিষ্ট মাত্ৰ Stifen diary শিক্ষক পদৰ প্ৰাৰ্থীৰ অপেক্ষাৰত ( Panel list ) প্ৰস্তুত কৰা বিষয়ে আলোচনা কৰে।

সদস্য ও জিলা প্ৰাথমিক শিক্ষা বিষয়াই Sanction Post তকৈ ৩ (তিনি) জন প্ৰাৰ্থী নিৰ্বাচন কৰাৰ পৰামৰ্শ আগবঢ়াব আৰু সদস্য শ্ৰীপ্ৰভাত বৰুৱাই Sanction Post অনুপাতে প্ৰাৰ্থী নিৰ্ব্বাচন কৰিব লাগে বুলি মত দাঙি ধৰে আৰু সদস্য আহমেদেও একমত পোষন কৰে। সদস্য শ্ৰীজীউৰাম বড়োৱে অবৈতনিক ভাৱে কাম কৰি থকা শিক্ষক প্ৰাৰ্থী সকলক Panel list ত সোমাব লাগে বুলি মত দাঙি ধৰে।

সদস্য প্ৰভাত বৰুৱাই Panel list প্ৰস্তুত কৰাৰ বিৰোধিতা কৰে।

বিধায়ক সদস্য শ্ৰীজমন সিং ব্ৰহ্মই নিযুক্তিৰ বাবে অবৈতনিক শিক্ষক উপদেষ্টা পৰিষদৰ সদস্য সকলোকে নিৰ্ব্বাচন কৰিব বুলি মত দাঙি ধৰে।

সদস্যা শ্ৰীমতী চহৰীয়াই মহিলাৰ পৰা শতকৰা ৩০ ভাগ প্ৰাৰ্থী নিযুক্তিৰ বাবে নিৰ্ধাৰিত কৰিব লাগে বুলি মত দাঙি ধৰে।

সদস্য শ্ৰীকাৰেন্দু বসুমতাৰীয়ে Sanction Post অনুসৰিহে Panel list প্ৰস্তুত কৰিব লাগে বুলি মত দাঙি ধৰে। অবৈতনিক শিক্ষক নিৰ্ব্বাচনৰ ক্ষেত্ৰত সাক্ষাৎকাৰত অবতাৰ্ণ হোৱা প্ৰাৰ্থী সকলকহে নিযুক্তিৰ বাবে নিৰ্বাচিত কৰিব লাগে আৰু উক্ত অবৈতনিক শিক্ষক ১৯৮৯ চনলৈকে কাম কৰি থকা প্ৰাৰ্থীকহে বিবেচনা কৰিব লাগে।

মাননীয় মন্ত্ৰী শ্ৰীদাসদেৱে Panel list প্ৰস্তুত কৰণ সম্পৰ্কীয় চৰকাৰৰ

নির্দেশনা অনুসৰিহে Panel list প্ৰস্তুত কৰাত গুৰুত্ব দি সেইমতে Panel list প্ৰস্তুত কৰিবলৈ সভাত মতামত দাঙি ধৰে ।

সদস্য শ্ৰীপ্ৰভাত বৰুৱাই Panel list প্ৰস্তুত কৰাৰ বিষয়ে সন্মতি প্ৰকাশ নকৰে ।

হিন্দী আৰু মজলীয়াৰ বাবে পদ মঞ্জুৰী নাপালে Panel list ৰ বাবে প্ৰাৰ্থী নিৰ্ব্বাচন কৰাত অসুবিধা হব বুলি সদস্য সকলে মতামত দাঙি ধৰে ।

এই সংক্ৰান্তত সভাই পিচলৈ সিদ্ধান্ত লব বুলি মত দাঙি ধৰে ।

বিধায়ক সদস্য শ্ৰীজিউৰাম বড়োৱে বড়ো মাধ্যমত প্ৰচলন কৰা বিদ্যালয় বোৰত যিসকল বড়ো মাধ্যমৰ অবৈতনিক শিক্ষকে কাম কৰি আছে সেই প্ৰাৰ্থী বোৰকো নিযুক্তিৰ বাবে বিবেচনা কৰিব লাগে বুলি মত দাঙি ধৰে ।

সচিবে উক্ত বিদ্যালয়বোৰ পুনৰ তদন্ত কৰাৰ কথা কয় ।

মাননীয় মন্ত্ৰী দাস দেৱে অসমীয়া মাধ্যমত অবৈতনিক ভাবে কাম কৰি থকা বড়ো প্ৰাৰ্থীকে বিবেচনা কৰাৰ কথা উল্লেখ কৰে ।

বড়ো মাধ্যমৰ dropped Post ৰ বিষয়ে জিলা প্ৰাথমিক শিক্ষা বিষয়া মহোদয়ে সঞ্চালক মহোদয়ৰ লগত আলোচনা কৰা হব বুলি সভাক জানিবলৈ দিয়ে ।

অধ্যক্ষ মহোদয়ে Panel list ৰ বাবে মঞ্জুৰীকৃত পদৰ বিপৰীতে দুজনকৈ প্ৰাৰ্থী নিৰ্বাচিত কৰাটোকেই সিদ্ধান্ত কৰে ।

বিধায়ক সদস্য শ্ৰীকৰেন্দ্ৰ বসুমতাৰীয়ে Panel list ৰ আধাৰত প্ৰাৰ্থীৰ নাম সোমালে পিচলৈ অসুবিধাৰ সন্মুখীন হব লগীয়াৰ কথা উল্লেখ কৰে ।

সচিবে পৰবৰ্ত্তী সভাতেই সকলো ধৰণৰ নিযুক্তিৰ বাবে প্ৰাৰ্থীৰ চুৰান্ত তালিকা প্ৰস্তুত কৰাৰ কথা সভাত পুণৰ উল্লেখ কৰে । তেখেতে এইটোও উল্লেখ কৰে যে প্ৰাৰ্থীৰ নিৰ্ব্বাচন বিভাগীয় নীতি নিয়মৰ মাজেৰেহে যাতে নিৰ্ব্বাচিত কৰা হয় তাৰ বাবে সদস্য সকলৰ প্ৰতি আহ্বান জনায় । লগতে Panel list ৰ প্ৰাৰ্থীও বিদ্যালয়ৰ বিপৰীতে নিৰ্ব্বাচিত কৰিব লাগে বুলি কয় ।

Panel list প্ৰস্তুত কৰণ সম্পৰ্কীয় সদস্য শ্ৰী প্ৰভাত বৰুৱাই কৰা মতামত শেষত তেখেতে উঠাই লয়।

সভাৰ কাৰ্য্যসূচীৰ অন্তত অধ্যক্ষ মহোদয়ৰ ধন্যবাদ সূচক মন্তব্যৰে সভাৰ কামৰ অন্ত পেলায়।

স্বাঃ হাচিমুদ্দিন আহমেদ
অধ্যক্ষ
মহকুমা প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদ
মঙ্গলদৈ

Countersigned
Sd/—
D.I. of Schools,
Mangaldoi

## ANNEXURE—XII

**Yearwise Number of M.E./M.E. M.**

| Year | Nos. of Recognised Schools/Madrassa | | | Number of Schools/Madrassa provincialised | | |
|---|---|---|---|---|---|---|
| | M.E. | M.E.M. | Total | M E. | M.E.M. | Total |
| 1 | 2 | 3 | 4 | 5 | 6 | 7 |
| 1983 | 36 | 12 | 48 | 36 | 12 | 48 |
| 1984 | 69 | 48 | 117 | 69 | 48 | 117 |
| 1985 | 17 | 13 | 30 | 17 | 13 | 30 |
| 1986 | 213 | 44 | 257 | 213 | 44 | 257 |
| 1987 | 172 | 22 | 194 | 172 | 22 | 194 |
| 1988 | 173 | 25 | 198 | 173 | 25 | 198 |
| 1989 | 227 | 51 | 278 | 227 | 51 | 278 |
| 1990 | 194 | 47 | 241 | 88 | 2 | 90 |
| 1991 | 88 | 28 | 116 | 41 | 2 | 43 |
| Total : | 1189 | 290 | 1479 | 1032 | 223 | 1255 |